দৈনিক
অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২৮ পুহ ১৪২৮ভাস্কৰাব্দ ১৩ জানুৱাৰী ২০২২



# কৰ'না কালত ভোগালী


**কৰ'নাৰ** ডেল্টা, অ'মিক্ৰন আদি বিবিধ প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণ ব্যাপক হাৰত বৃদ্ধি পোৱাৰ সময়তে সকলো অসমীয়াই হেঁপাহৰ ভোগালী বিহু উদ্‌যাপনৰ বাবেও সাজু হৈছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়োপাৰে দেখা গৈছে উখল-মাখল পৰিৱেশ। এই ভোগালীতেই অসমীয়াই মেজিৰ জুইৰ উত্তাপত স্নান কৰি, অগ্নি সেৱা কৰি জাতিৰ মংগল কামনা কৰি আহিছে। ভোগৰ উৎসৱ ভোগালী। বিধে বিধে চিৰা, পিঠা, লস্কৰা, দৈ, কোমল চাউল, গুড়, হুৰুম, আখৈ, সান্দহৰ সুস্বাদ' উপভোগ কৰে প্ৰতিঘৰ অসমীয়াই। এইবিলাকৰ পৰা অনুমান কৰিব পাৰি অসমীয়া এটা সম্পদশালী ঐশ্বৰ্যশালী জাতি। অভাৱ-অনাটনত পোত যোৱা জাতি অসমীয়া নহয়। ৰঙালী-ভোগালী বিহুৰ পৰা আৰম্ভ কৰি সত্ৰীয়া সংগীত-নৃত্য-ভাওনা বৰসবাহলৈকে অসমীয়া জাতি বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্য-পৰম্পৰাৰে সমৃদ্ধ। শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ কীৰ্তন দশম, ৰত্নাৱলী, নামঘোষাৰে সমৃদ্ধ অসমীয়া সংস্কৃতিক মানৰ আক্ৰমণেও দুৰ্বল কৰিব নোৱাৰিলে। মানৰ বৰ্বৰ আক্ৰমণৰ পাছতো জাতিটো পুনৰ সমৃদ্ধিশালী আৰু সবল হৈছে। অৱশ্যে অসমৰ অৰ্থনীতি একাংশ মধ্যভোগী তথা বণিয়াৰ হাতলৈ যোৱা আৰু একাংশ অসমীয়া কৃষি এৰি কেৰাণি-মহৰীৰ বৃত্তিৰ প্ৰতি অধিক আসক্ত হৈ পৰাত আজি জাতিটো বিভিন্ন সমস্যা আৰু সংকটৰ সন্মুখীন হ'বলগীয়া হৈছে। অসমীয়াই আজি আনৰ পৰা কিনি নাইবা ঋণ লৈ চলিবলগীয়া হৈছে। বজাৰত সামগ্ৰীৰ দাম আকাশলংঘী হৈছে। চৰকাৰ-প্ৰশাসনৰ সামৰ্থ্য থাকিলেও কিবা ৰহস্যজনক কাৰণত দাম বৃদ্ধিত বাধা দিব নোৱাৰে। এক লিটাৰ মিঠাতেলৰ দাম ২৪৫টকা। গৃহিণীসকলে বিহুত ঘিলাপিঠা কেনেকৈ প্ৰস্তুত কৰিব? এক কিলো মাছৰ দাম ছশ টকাৰ পৰা হেজাৰ টকালৈকে। অসমীয়াৰ হাতৰ পৰা সকলো এচাম বণিয়া আৰু মধ্যভোগীৰ হাতলৈ যোৱাত এনে পৰিস্থিতি হৈছে। অসমীয়া ডেকা-ডেকেৰীসকল কেতিয়া সাৰ পাব আৰু কেতিয়া কৃষি অৰ্থনীতি আৰু বাণিজ্য ক্ষেত্ৰ নিজৰ হাতলৈ নিব? পৰাক্ৰমী মোগলে যিটো জাতিক পৰাভূত কৰিব নোৱাৰিলে, মানৰ বৰ্বৰ আক্ৰমণৰ পাছতো যিটো জাতি থানবান হৈ নপৰিল, সেই জাতিয়ে এদিন নিশ্চয় ইয়াৰ সকলো প্ৰাপ্য অধিকাৰৰ গৰাকী হ'বলৈ সক্ষম হ'ব।

ভোগালীৰ দিনত ক'ভিড স্বাস্থ্যবিধি সম্বন্ধীয় নিৰ্দেশ নাইবা এছঅ'পিক কেন্দ্ৰ কৰি বিতৰ্ক হোৱা পৰিলক্ষিত হৈছে। ক'ভিডৰ সংক্ৰমণৰ পৰা সুৰক্ষিত হৈ থকাৰ বাবেই চৰকাৰে এনে কঠোৰ নীতি ঘোষণা কৰিছে; কিন্তু চৰকাৰে বিবাহ অনুষ্ঠান বন্ধ কৰা নাই আৰু বিবাহ অনুষ্ঠানত দুশ লোকৰ উপস্থিতিৰ অনুমতি দিয়া হৈছে। মল, চিনেমা হল আদিত ৫০ শতাংশ উপস্থিতিৰ বাবে অনুমতি প্ৰদান কৰা হৈছে, নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয় খোলা ৰাখিছে। সেয়ে বহুতে প্ৰশ্ন কৰিছে উৰুকাৰ দিনা ক'ভিড স্বাস্থ্যবিধি মানি লগে-ভাগে ভোজ খোৱাৰ বাবে অনুমতি দিয়া নহ'ল কিয়? অৱশ্যে কিছুমান দল-সংগঠনে চৰকাৰৰ এই নিৰ্দেশক অসমীয়াৰ জাতীয় সংস্কৃতি-পৰম্পৰাৰ ওপৰত আঘাত বুলি কোৱাটো উচিত হোৱা নাই। ক'ভিড মহামাৰীৰ পৰা মহামূল্যৱান মানৰ জীৱন ৰক্ষাৰ প্ৰচেষ্টা হিচাপে চৰকাৰে এনে নিৰ্দেশ জাৰি কৰিছে। ৰাইজৰ মংগল আৰু নিৰাপদেই ইয়াৰ উদ্দেশ্য। এই নিৰ্দেশ মানিলে অসমীয়াৰ সংস্কৃতি-পৰম্পৰাক আঘাত কৰা হ'ব বুলি ভবা উচিত নহয়। আবেগত উটি গৈ ক'ভিড স্বাস্থ্য বিধিসমূহ যাতে উৰুকা আৰু বিহুৰ দিনা অসমীয়াই ভংগ নকৰে, সেই কথাৰ প্ৰতি সকলো সজাগ হোৱা উচিত।

ইতিমধ্যে সমগ্ৰ দেশৰ লগতে অসমতো ক'ভিডৰ সংক্ৰমণে ক্ৰমে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। অসম চৰকাৰে ক'ভিডৰ বিৰুদ্ধে সকলো ধৰণৰ যুঁজ দি যাব বিচাৰে। ১৫-১৮ বছৰীয়া কিশোৰ-কিশোৰীৰ পৰা জ্যেষ্ঠ নাগৰিকলৈকে সকলোকে ক'ভিড প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। যোৱা ১০ জানুৱাৰীৰ পৰা ক'ভিড যোদ্ধা আৰু ৬০ বছৰৰ ঊৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিকসকলক তৃতীয় পালি (বুষ্টাৰ) প্ৰতিষেধক প্ৰদানৰ কামো আৰম্ভ হৈছে; কিন্তু চিন্তাৰ কাৰণ হ'ল ৰাজ্যত প্ৰতিদিনে ক'ভিডৰ আক্ৰান্তৰ সংখ্যা দ্ৰুত বৃদ্ধি পোৱাটো। প্ৰতিষেধক প্ৰদান নাইবা টিকাকৰণৰ ফলস্বৰূপে মৃত্যুৰ হাৰ অতি সামান্য যদিও চিকিৎসালয়ত বহুতেই ভৰ্তি হ'বলগীয়া হৈছে। চৰকাৰে ইতিমধ্যে ২৫ হেজাৰ ক'ভিড আক্ৰান্তৰ বাবে বিছনা সাজু কৰিছে; কিন্তু বৰ্তমান প্ৰতিদিনে ক'ভিডৰ সংক্ৰমণ দুগুণ বৃদ্ধি পাবলৈ ধৰাত চৰকাৰ চিন্তিত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অহা মাহৰ ভিতৰত অসমত ক'ভিডৰ সংক্ৰমণ প্ৰতিদিনে ১৪ হেজাৰলৈকে বৃদ্ধি পোৱাৰ আশংকা ব্যক্ত কৰিছে। এনে পৰিস্থিতিৰ মোকাবিলা কৰা সহজ নহ'ব। উল্লেখ্য যে যোৱা বছৰ মে'ত অসমত এটা দিনত ৫,৮০০ৰো অধিক লোক ক'ভিডত আক্ৰান্ত হৈছিল আৰু এদিনত মৃত্যু হৈছিল ৮৫জন ক'ভিড ৰোগীৰ। মুখ্যমন্ত্ৰীয়ে এইবাৰ যোৱা বছৰতকৈ দুগুণ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ আশংকা কৰিছে। উল্লেখ্য যে যোৱা বছৰ ক'ভিড প্ৰতিষেধক ওলোৱা নাছিল আৰু সেয়ে টিকাকৰণো হোৱা নাছিল; কিন্তু এইবাৰ ব্যাপক টিকাকৰণৰ পাছতো সংক্ৰমণ আৰু আক্ৰান্তৰ সংখ্যা অধিক দ্ৰুতভাৱে বৃদ্ধি পাইছে। যিহেতু প্ৰতিষেধক লোৱাৰ পাছতো ক'ভিডত আক্ৰান্ত হ'ব পাৰে (আক্ৰান্তজনৰ অৱস্থাই জটিল ৰূপ লোৱা নাই যদিও), সেয়ে ক'ভিড স্বাস্থ্য বিধিসমূহ কঠোৰভাৱে মানি চলাৰ নিৰ্দেশ মংগলকাৰী আৰু আদৰণীয়।

## খো লা ম ঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



**এটা** জাতিৰ পৰিচয় তথা সমৃদ্ধিৰ বাবে সেই জাতিৰ মাতৃভাষাৰ বিকাশ আৰু প্ৰসাৰ অত্যন্ত প্ৰয়োজনীয় বিষয়। ভাৰতীয় সংবিধান অনুসৰি চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত আঞ্চলিক ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগী ভাষা। এটা বৃহৎ অঞ্চলৰ সংযোগী ভাষা হোৱা সত্ত্বেও সময়ে সময়ে অসমীয়া ভাষাৰ অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম হৈ আহিছে। যাৰ ফলস্বৰূপে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জঁপিয়াই পৰি এদিন ৰঞ্জিত বৰপূজাৰী, অনিল বৰা, মোজাম্মিল হক আদিৰ দৰে দেশপ্ৰেমী যুৱকে প্ৰাণ আহুতি দিব লগা হৈছিল।

বৰ্তমান সময়ত অসমীয়া ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত অসমীয়া মানুহৰে ভাষাটোৰ বিকৃত উচ্চাৰণ, অৰ্থহীন শব্দৰ প্ৰয়োগ, লেখাৰ ভুল আদিলৈ লক্ষ্য কৰিলে মনত সংশয়ৰ সৃষ্টি হয়, পুনৰ আকৌ অসমীয়া ভাষাৰ বাবে এটা বিপৰ্যয় নামি আহিছে নেকি? অৱশ্যে এটা দিশৰ পৰা চালে এই চিন্তা অমূলক যেন বোধ হয়। কাৰণ, আমি যদি সাহিত্যক ভাষাৰ প্ৰাণ বুলি ধৰি লওঁ, তেতিয়া দেখো যে ভাৰতীয় সাহিত্যৰ জগতত বৰ্তমানলৈকে তিনিজন অসমীয়া সাহিত্যিকে অসমীয়া ভাষাত ৰচনা কৰা গ্ৰন্থৰ যোগেদি ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ সন্মান জ্ঞানপীঠ বঁটা লাভ

**শিখা হাজৰিকা** *লেখিকা*

কৰিবলৈ সক্ষম হৈছে। এইটো অসমীয়া ভাষা-সাহিত্যৰ বাবে এটা বৃহৎ ইতিবাচক দিশ। চৰকাৰেও অসমীয়া ভাষাক সকলো চৰকাৰী কাম-কাজত ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া আছে। তদুপৰি প্ৰৱাসী অসমীয়া লোকসকলে প্ৰৱাসত থাকিও অসমীয়া জাতীয় কৃষ্টি-সংস্কৃতিৰে অসমীয়া মাত-কথাৰে নিজৰ 'অসমীয়া' পৰিচয় জীয়াই ৰখাৰ চেষ্টা কৰা দেখা যায়।

কিন্তু ইমানখিনিৰ পাছতো বৰ্তমান সময়ত অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাৰ সম্পৰ্কত কিছু যেন প্ৰত্যাহ্বান অহা দেখা যায়। কাৰণ প্ৰথম কথা আজি-কালি যান্ত্ৰিক পৃথিৱীত কিতাপ পঢ়া মানুহৰ সংখ্যা অতি নগণ্য। গ্ৰন্থমেলা হয়; বহুত মানুহ গোট খায়, নতুন কিতাপ ছপা হয়, ডাঙৰ ডাঙৰ বিজ্ঞাপনেৰে ভৰি পৰে; কিন্তু সঁচা অৰ্থত কিমান অসমীয়া মানুহে অসমীয়া কিতাপ কিনি পঢ়ে, সেইটো চিন্তনীয় বিষয়। আনকি যিকেইখন গ্ৰন্থই 'জ্ঞানপীঠ বঁটা' লাভ কৰিছে, সেইকেইখন গ্ৰন্থকেই কিমান অসমীয়া মানুহে পঢ়িছে, সেইটো বিচাৰ্যৰ বিষয়। দ্বিতীয়তে যদিও চৰকাৰী নিৰ্দেশ মতে, অফিচ, কাছাৰী আদি সকলো চৰকাৰী-বেচৰকাৰী কামত অসমীয়া ভাষা ব্যৱহাৰ কৰিব লাগে; কিন্তু বাস্তৱত সেই নিৰ্দেশ পালন কৰা নহয়। অসমীয়া প্ৰতিশব্দ বিচাৰি নোপোৱাৰ বাবেই হওক বা অন্য কোনো কাৰণতেই হওক, অসমৰ চৰকাৰী, বে-চৰকাৰী সকলো কামতে ইংৰাজী ভাষাই চলি আছে। সময়ৰ পৰিৱৰ্তনৰ কিছু প্ৰভাৱ অসমীয়া ভাষাৰ ওপৰত পৰিলেও অসমপ্ৰেমী অসমীয়াই অসমীয়া ভাষাটোক জীয়াই ৰাখিব বুলি আশা কৰিব পাৰি।

*ফোন: ৯৯৫৭১২১৬৮৩*

# অসমৰ বাবে ভাৰত-ম্যানমাৰৰ মাজৰ সম্পৰ্কৰ প্ৰয়োজন কিয়?



**এসময়ৰ** ব্ৰহ্মদেশ আৰু এতিয়াৰ ম্যানমাৰ আমাৰ চুবুৰীয়া দেশ। (১৯৮৯ত ব্ৰহ্মদেশৰ নাম ম্যানমাৰলৈ সলনি কৰা হৈছিল)। প্ৰাচীন কালত দেশখনৰ লগত ভাৰতবৰ্ষৰ সম্পৰ্ক আছিল মধুৰ আৰু প্ৰধানকৈ সাংস্কৃতিক ক্ষেত্ৰত। ১৯৪৮ত ব্ৰহ্মদেশে স্বাধীনতা লাভ কৰাৰ পাছত ১৯৫১ত ভাৰতবৰ্ষই দেশখনৰ লগত কূটনৈতিক সম্পৰ্ক স্থাপন কৰিছিল; কিন্তু ১৯৬২ত দেশখন সামৰিক শাসনৰ অধীনলৈ অহাৰ পাছত দেশ দুখনৰ মাজৰ বন্ধুত্বত অৱনতি ঘটিছিল। অৱশ্যে ১৯৮৭ত তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে ম্যানমাৰ ভ্ৰমণ কৰাৰ পাছত দুয়োখন দেশৰ মাজত বন্ধুত্ব বৃদ্ধি পাইছিল। তিনি বছৰৰ পাছত প্ৰধানমন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ আমোলত আৰু বিত্তমন্ত্ৰী ড° মনমোহন সিঙৰ উদ্যোগত ১৯৯০-৯১ বিত্তীয় বছৰত আমাৰ দেশৰ অৰ্থনীতিৰ গোলকীয়কৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। তাৰ পাছতেই ১৯৯২ত কেন্দ্ৰীয় চৰকাৰে বৈদেশিক নীতি হিচাপে কেৱল পশ্চিমৰ ফালে নাচাই পূবৰ ফালেও চোৱাৰ বাবে 'লুক ইষ্ট পলিচী' গ্ৰহণ কৰিছিল। পৰৱৰ্তী প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী আৰু ড° মনমোহন সিঙেও পূবলৈ চোৱা নীতি আগবঢ়াই লৈ গৈছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উদ্যোগত 'লুক ইষ্ট পলিচী'খন 'এক্ট ইষ্ট পলিচী'লৈ উন্নত কৰা হৈছে। অৰ্থাৎ পূবলৈ কেৱল চাই নাথাকি, হাতে কামে লাগি পূবৰ দেশসমূহত ভাৰতৰ ৰাজনৈতিক আৰু ব্যৱসায়িক স্থিতি সবল কৰাত গুৰুত্ব প্ৰদান কৰা হৈছিল।


যি হওক, পূবলৈ চালে প্ৰথম আমাৰ চকু পৰে ম্যানমাৰৰ ওপৰত। ভাৰতৰ পূব সীমাৰ ১৬৪৩ কিলোমিটাৰ জুৰি ম্যানমাৰৰ অৱস্থিতি। ভাৰতৰ পৰা দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ দেশসমূহলৈ স্থলপথেৰে যাবলৈ হ'লে ম্যানমাৰৰ মাজেৰে যাব লাগে। ম্যানমাৰত প্ৰৱেশ কৰাৰ বাবে ভাৰত-ম্যানমাৰ সীমাত দুখন ঠাইত দুটা প্ৰৱেশ পথ বা 'ইণ্টিগ্ৰেটেড চেক পইণ্ট' আছে। এটা মণিপুৰৰ মৰে নামৰ ঠাইত আৰু আনটো মিজোৰামৰ লংটলাই জিলাৰ জোচাউচহিয়াই নামৰ ঠাইত। মিজোৰামৰ এই চৌকীটোৰ আনফালে থকা ম্যানমাৰৰ ঠাইখিনিৰ নাম হৈছে জোৰিনপুই।

আমি সকলোৱে জানো যে কুকুৰাৰ ডিঙি বা চিকেনচ নেক নামেৰে জনাজাত মাথোন ৪০ কিলোমিটাৰ প্ৰস্থৰ ভূখণ্ডই উত্তৰ পূবৰ সাতখন ৰাজ্যক ভাৰতৰ আন ৰাজ্যৰ লগত সংযোগ কৰিছে। আনহাতে আমাৰ অনেকেই নজনা এটা কথা হৈছে, 'চিকেন নেক'-এৰে চলি থকা পৰিবহণ ব্যৱস্থাত কেনেবাকৈ ব্যাঘাত জন্মিব লাগিলে যাতে উত্তৰ পূবৰ ৰাজ্যসমূহলৈ সামগ্ৰী যোগানৰ ব্যৱস্থা ব্যাহত হৈ নপৰে তাৰ বাবে অঞ্চলটোত সোমাব পৰা বিকল্প ব্যৱস্থাৰ সৃষ্টি কৰাৰ বাবে ভাৰত চৰকাৰে বহু দিনৰ পৰা চিন্তা আৰু চেষ্টা কৰি আহিছে। প্ৰথমতে কলকাতাৰ পৰা বাংলাদেশৰ মাজেৰে ত্ৰিপুৰালৈ স্থলপথেৰে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক সংযোগ কৰাৰ আৰু আগৰতলাৰ পৰা মাথোন ২০০ কিলোমিটাৰ দূৰৈত অৱস্থিত বাংলাদেশৰ চিতাগং বন্দৰটোও ব্যৱহাৰ কৰিবলৈ পৰিকল্পনা আৰু চেষ্টা কৰা হৈছিল। বাংলাদেশে অনুমতি নিদিয়াৰ ফলত সেই পৰিকল্পনা তেতিয়া বাতিল কৰা হৈছিল। তাৰ বিকল্প হিচাপে কলকাতাৰ পৰা ম্যানমাৰৰ চিত্তোৱে বন্দৰলৈ সাগৰীয় জলপথেৰে আৰু চিত্তোৱেৰ পৰা ম্যানমাৰৰ মাজেৰে মিজোৰামলৈ এছোৱা জলপথ আৰু এছোৱা স্থলপথেৰে ভাৰতৰ মূল ভূখণ্ডৰ পৰা উত্তৰ-পূৰ্বাঞ্চললৈ সংযোগ কৰাৰ বাবে এক ব্যয়বহুল প্ৰকল্প গ্ৰহণ কৰা হৈছিল। অৱশ্যে এই জল-স্থল পথেৰে ভাৰতে পূব এছিয়াৰ দেশসমূহৰ লগত ব্যৱসায় বৃদ্ধি কৰাৰ বাবেও পৰিকল্পনা গ্ৰহণ কৰিছিল। চিত্তোৱে বন্দৰৰ নিৰ্মাণ আৰু চিত্তোৱেৰ পৰা কালাদান নদীৰ জলপথেৰে এছোৱা আৰু কালাদান নৈৰ পাৰৰ পালেতোৱা নগৰৰ পৰা মিজোৰামলৈ স্থলপথেৰে এছোৱা পথ সামৰি 'কালাডান মাল্টিমোডেল ট্ৰেনজিত ট্ৰেন্সপোৰ্ট প্ৰকল্প' নামৰ এক প্ৰকল্প গ্ৰহণ কৰা হৈছিল। আমেৰিকান ৪৮৪ মিলিয়ন ডলাৰ ব্যয় সাপেক্ষে গ্ৰহণ কৰা এই প্ৰকল্প ২০২৩ৰ মাৰ্চ মাহত সম্পূৰ্ণ কৰাৰ কথা। চিত্তোৱে বন্দৰটো আৰু পালেতোৱা যেটীৰ নিৰ্মাণ ২০১৭তে সম্পূৰ্ণ কৰা হৈছে। প্ৰকল্পটোৰ অধীনত হাতত লোৱা ৰাস্তা নিৰ্মাণ আদি কামৰ প্ৰগতিয়ে বিভিন্ন পৰ্যায় পাইছেগৈ।

ইতিমধ্যে ভাৰতবৰ্ষ আৰু ASEAN দেশসমূহৰ মাজত ব্যৱসায় বাণিজ্য সুচল কৰাৰ মানসেৰে ভাৰতবৰ্ষ, ম্যানমাৰ আৰু থাইলেণ্ডক স্থলপথেৰে সংযোগ কৰাৰ লক্ষ্যৰে ত্ৰি-ৰাষ্ট্ৰীয় হাইৱে প্ৰকল্প এটাও গ্ৰহণ কৰা হৈছে। ইম্ফলৰ পৰা ম'ৰে হৈ ম্যানমাৰৰ বাগান আৰু থাইলেণ্ডৰ মায়ে চ'ট নামৰ ঠাই সংযোগ কৰা আৰু ম্যানমাৰৰ মাজেৰে যোৱা প্ৰায় ৩৬৬০ কিলোমিটাৰ দৈৰ্ঘ্যৰ হাইৱে এটাৰ নিৰ্মাণ কাৰ্য আগ বাঢ়ি আছে। প্ৰকল্পটো ২০২৩ত সম্পূৰ্ণ হোৱাৰ কথা। এই হাইৱে লাওচ আৰু কম্বোডিয়ালৈ সম্প্ৰসাৰণ কৰাৰ পৰিকল্পনাও হাতত লোৱা হৈছে। বাংলাদেশেও প্ৰকল্পটোৰ অংশীদাৰ হ'ব খুজিছে। 'এক্ট ইষ্ট পলিচী'ৰ অধীনত লোৱা এই প্ৰকল্পই ভাৰতবৰ্ষই দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ লগত কৰিব খোজা বাণিজ্যৰ বাবে এক বৃহৎ আন্তঃগাঁথনিৰ সৃষ্টি কৰিব।

তদুপৰি কে'বাটাও ভাৰতীয় কোম্পানীয়ে ম্যানমাৰত বিভিন্ন ব্যৱসায়-বাণিজ্যৰ লগত জড়িত হৈ আছে।

গতিকে ভাৰতবৰ্ষই দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ লগত কৰিব খোজা বাণিজ্য আৰু আন স্বাৰ্থ সুৰক্ষিত কৰি ৰখাৰ বাবে ম্যানমাৰৰ লগত ষ্ট্ৰেটেজিক বন্ধুত্ব বজাই ৰখাটো অতি প্ৰয়োজনীয় হৈ পৰিছে; কিন্তু দেশখনত সামৰিক বাহিনী শাসনাধিষ্ঠ হোৱাৰ বাবে গণতন্ত্ৰৰ পৃষ্ঠপোষক ভাৰতবৰ্ষ কিছু হ'লেও বিপাঙত পৰিছে। ভাৰতবৰ্ষৰ মতে ম্যানমাৰত যোৱা কে'বাটাও দশকজুৰি গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাৰ পথত লাভ কৰা অগ্ৰগতি বাধাপ্ৰাপ্ত হ'ব নালাগে।



**সোঁতৰ বিপৰীতে চিন্তা**
**প্ৰবীণ চৌধুৰী**

উল্লেখ্য যে ২০২০ৰ নৱেম্বৰত ম্যানমাৰত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ যোগেদি ম্যানমাৰৰ সংসদলৈ নিৰ্বাচিত হোৱা সাংসদসকলৰ শপত গ্ৰহণৰ বাবে নিৰ্ধাৰণ কৰা দিনটোৰ এদিন আগতে যোৱা এক ফেব্ৰুৱাৰী ২০২১-ত সামৰিক শক্তিয়ে এক কূ (Coup)-ৰ যোগেদি দেশখনত সামৰিক শাসন প্ৰৱৰ্তন কৰে। সামৰিক শাসন প্ৰৱৰ্তন কৰিয়েই দেশখনত এবছৰৰ কাৰণে জৰুৰীকালীন অৱস্থা ঘোষণা কৰে, ২০২০ৰ নৱেম্বৰত অনুষ্ঠিত কৰা নিৰ্বাচন বাতিল কৰে, শাসকীয় দল 'নেচনেল লীগ ফৰ ডেমোক্ৰেচী'ক অৱনত কৰে আৰু ষ্টেট কাউনচেলৰ তথা নেচনেল লীগ ফৰ ডেমোক্ৰেচী দলৰ নেত্ৰী অং চান শ্ব্যু কী প্ৰমুখ্যে অনেক নেতাক কাৰাবন্দী কৰে। তাৰ পাছতেই ম্যানমাৰত অভূতপূৰ্ব বিক্ষোভ আৰু প্ৰতিবাদ আৰম্ভ হয়। প্ৰতিবাদী বিক্ষোভকাৰীসকলক দমন কৰাৰ অৰ্থে সামৰিক বাহিনীয়ে চলোৱা অভিযানত শিশুকে ধৰি অনেক লোকৰ মৃত্যু হৈছিল। পাছত ম্যানমাৰৰ আদালতে বিসম্বাদক উদগনি জনোৱা আৰু দুৰ্নীতিৰ অভিযোগত অপসাৰিত নেত্ৰী শ্ব্যু কীক চাৰিবছৰীয়া কাৰাদণ্ডৰে দণ্ডিত কৰে। অৱশ্যে পাছত কাৰাদণ্ডৰ অৱধি দুবছৰলৈ হ্ৰাস কৰা হৈছিল। শ্ব্যু কী প্ৰমুখ্যে আন নেতাৰ বিৰুদ্ধে ম্যানমাৰৰ আদালতে দিয়া ৰায় 'ডিষ্টাৰ্বিং' বুলি সাত ডিচেম্বৰত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ পৰা বিবৃতি দিয়া হৈছিল আৰু বিবৃতিটোত আইন কানুনৰ প্ৰতি সন্মান প্ৰদৰ্শন আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়া বজাই ৰখাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। লক্ষ্যণীয় যে ন আৰু ১০ ডিচেম্বৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বিডেনৰ উদ্যোগত 'গণতন্ত্ৰৰ কাৰণে শীৰ্ষ সন্মিলন' এখন অনুষ্ঠিত হোৱাৰ আগে আগে ভাৰতবৰ্ষই সাত তাৰিখে উক্ত ঘোষণা কৰাটো অতি তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছিল। ভাৰ্চুৱেল প্ৰক্ৰিয়াৰে অনুষ্ঠিত কৰা সেই সন্মিলনখনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অংশ গ্ৰহণ কৰিছিল।

যি হওক, সাত ডিচেম্বৰত ভাৰতবৰ্ষই উক্ত বিবৃতি দিয়াৰ দুসপ্তাহৰ পিছত যোৱা ২২ ডিচেম্বৰ ২০২১ তাৰিখে আমাৰ দেশৰ বৈদেশিক সচিব হৰ্ষ বৰ্দ্ধন শ্ৰীংলা দুদিনীয়া ভ্ৰমণসূচী লৈ ম্যানমাৰলৈ গৈছিল। সেই বছৰৰে (২০২১) ফেব্ৰুৱাৰীত দেশখনত হোৱা সামৰিক কূ (Coup)-ৰ পাছত বৈদেশিক সচিবগৰাকীৰ এয়েই আছিল প্ৰথম ম্যানমাৰ ভ্ৰমণ। ভাৰতৰ বাবেও ম্যানমাৰত সামৰিক শাসন আৰম্ভ হোৱাৰ পিছত আৰম্ভ কৰা ই আছিল প্ৰথম কূটনৈতিক পদক্ষেপ। উল্লেখ নিষ্প্ৰয়োজন যে পৃথিৱীৰ সৰ্বৃহৎ গণতান্ত্ৰিক দেশ হিচাপে আৰু গণতন্ত্ৰৰ পৃষ্ঠপোষক হিচাপে ভাৰতবৰ্ষই ম্যানমাৰত গণতান্ত্ৰিকভাৱে নিৰ্বাচিত জনপ্ৰতিনিধিক চৰকাৰ গঠন কৰিবলৈ নিদি সামৰিক প্ৰশাসন প্ৰৱৰ্তন কৰা কথাটো সহজ ভাবে ল'ব পৰা নাই। অথচ ম্যানমাৰৰ ভৌগোলিক অৱস্থিতি প্ৰমুখ্যে আন ষ্ট্ৰেটেজিক গুৰুত্বৰ বাবে ভাৰতবৰ্ষই ম্যানমাৰৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিব পৰা নাই। সামৰিক শাসনৰ প্ৰতি সমৰ্থন নাথাকিলেও ভাৰতৰ নিজ স্বাৰ্থ অক্ষুণ্ণ ৰখাৰ বাবে ভাৰতবৰ্ষই ম্যানমাৰৰ লগত কূটনৈতিক সম্পৰ্ক বজাই ৰখাৰ প্ৰয়োজনীয়তাৰ কথা ওপৰত উল্লেখ কৰা হৈছেই। বিশেষকৈ, ম্যানমাৰৰ ওপৰত চীনদেশৰ ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক, সামৰিক আৰু অৰ্থনৈতিক প্ৰভাৱ আৰু ভাৰত-ম্যানমাৰ সীমান্তৰ সমস্যা সমন্বিতে সীমান্ত অঞ্চলত আমাৰ দেশৰ শান্তি আৰু সুৰক্ষা সম্পৰ্কীয় বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতবৰ্ষই দেশখনৰ নতুন সামৰিক শাসনকৰ্তা নেই পী টাওক উপেক্ষা কৰিব খোজা নাই। এনে এক জটিল পৰিস্থিতিৰ মাজতে ভাৰতৰ বৈদেশিক সচিব শ্ৰীংলাক ম্যানমাৰলৈ পঠোৱা হৈছিল। বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে ঘোষণা কৰা মতে বৈদেশিক সচিবগৰাকীৰ ম্যানমাৰ ভ্ৰমণৰ উদ্দেশ্য আছিল দেশখনৰ ৰাজ্যিক প্ৰশাসনিক কাউন্সিল, ৰাজনৈতিক দলসমূহ আৰু নাগৰিক সমাজৰ লগত আলোচনা কৰা। ম্যানমাৰলৈ মানৱীয় সহায়-সমৰ্থন আগবঢ়োৱাৰ বিষয়, ভাৰত-ম্যানমাৰ সীমান্তৰ সমস্যা সমন্বিতে সীমান্ত অঞ্চলত

**কেন্দ্ৰীয় চৰকাৰৰ 'এক্ট ইষ্ট পলিচী'-ৰ অধীনত স্থলপথেৰে দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ লগত ব্যৱসায় বাণিজ্য কৰিবলৈ হ'লে সামগ্ৰীৰ আদান-প্ৰদান আৰু মানুহৰ আহ-যাহ যেনেদৰে অসমৰ মাজেদিয়েই কৰিব লাগিব তেনেদৰে ম্যানমাৰৰ মাজেদিও কৰিব লাগিব।**

আমাৰ দেশৰ শান্তি আৰু সুৰক্ষা সম্পৰ্কীয় বিষয়, ম্যানমাৰৰ ৰাজনৈতিক পৰিস্থিতি আদিৰ ওপৰত আলোচনা কৰাৰ পৰিকল্পনাও কৰা হৈছিল। সেই পৰিকল্পনা অনুযায়ী শ্ৰীংলা বিভিন্ন পক্ষৰ লগত আলোচনাত মিলিতও হৈছিল। কিন্তু ম্যানমাৰ চৰকাৰে শ্ৰীংলাক কাৰাবন্দী হৈ থকা ষ্টেট কাউনচেলৰ তথা নেচনেল লীগ ফৰ ডেমোক্ৰেচী দলৰ নেত্ৰী অং চান শ্ব্যু কীক সাক্ষাৎ কৰাৰ বাবে অনুমতি প্ৰদান নকৰিলে। অৱশ্যে অক্টোবৰ ২০২০ত শ্ৰীংলাই ম্যানমাৰ ভ্ৰমণ কৰোঁতে অং চান শ্ব্যু কীক সাক্ষাৎ কৰিছিল।

শ্ৰীংলা ভাৰতলৈ উভতি অহাৰ পাছত বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে প্ৰকাশ কৰা এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰিছে যে শ্ৰীংলাই মণিপুৰত অলপতে সংঘটিত হোৱা সামৰিক সংঘৰ্ষৰ বিষয়টো আৰু উত্তৰ পূৰ্বাঞ্চলৰ সুৰক্ষাৰ বিষয়টো ম্যানমাৰৰ সামৰিক প্ৰশাসকৰ স'তে আলোচনা কৰিছিল। লগতে সীমান্ত ভেদি যাতে সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত নহয়, তাৰ বাবে দুয়োখন দেশে যথাবিহিত ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিছে। শ্ৰীংলাই ম্যানমাৰস্থিত আমেৰিকা, অষ্ট্ৰেলিয়া, জাপান, কম্বোডিয়া, নৰোৱে, চেক ৰিপাব্লিক আদি দেশৰ ৰাষ্ট্ৰদূত আৰু ৰাষ্ট্ৰসংঘৰ প্ৰতিনিধিৰ লগতো আলোচনাত মিলিত হৈছিল। এই সকলোবোৰ আলোচনাতে দেশখনত সোনকালে গণতন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তাৰ বিষয়টোৱে স্থান পাইছিল।

যি হওক, ভাৰত আৰু ম্যানমাৰৰ মাজৰ সম্পৰ্কক লৈ অসমত কোনেও মূৰ ঘমোৱা দেখা নাযায়। কেন্দ্ৰীয় চৰকাৰৰ 'এক্ট ইষ্ট পলিচী'-ৰ অধীনত স্থলপথেৰে দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ লগত ব্যৱসায় বাণিজ্য কৰিবলৈ হ'লে সামগ্ৰীৰ আদান-প্ৰদান আৰু মানুহৰ আহ-যাহ যেনেদৰে অসমৰ মাজেদিয়েই কৰিব লাগিব তেনেদৰে ম্যানমাৰৰ মাজেদিও কৰিব লাগিব। গতিকে 'এক্ট ইষ্ট পলিচী'-ৰ অধীনত অসম লাভবান হ'বলৈ হ'লে ভাৰত আৰু ম্যানমাৰৰ মাজৰ মধুৰ সম্পৰ্ক অসমৰ বাবেও কাম্য হ'ব লাগিব। তদুপৰি অসম যিহেতু ম্যানমাৰৰ সীমাভাগী নহয় আৰু অসমৰ পৰা ম্যানমাৰত প্ৰৱেশ কৰিবলৈ হয় নগালেণ্ড হৈ মণিপুৰৰ মাজেৰে অথবা মিজোৰামৰ মাজেৰে যাব লাগিব, গতিকে নগালেণ্ড, মণিপুৰ আৰু মিজোৰামৰ লগত অসমৰ সম্পৰ্কও মধুৰ হ'ব লাগিব। অৰ্থাৎ, অসমৰ ভৱিষ্যৎ অৰ্থনৈতিক প্ৰগতিৰ স্বাৰ্থত বৰ্তমানে এই তিনি ভনী ৰাজ্যৰ লগত অসমৰ যি বিবাদ চলি আছে সেইবোৰৰ দ্ৰুত সমাপ্তিৰে এই চাৰিখন ৰাজ্যৰ ৰাজ্যবাসীৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি উঠিব লাগিব। ইয়াৰ পৰাই অনুমান কৰিব পৰা যায় যে, অসমৰ বাবে ভাৰত-ম্যানমাৰৰ সম্পৰ্ক অতি তাৎপৰ্যপূৰ্ণ।


*ফোন: ৮১৩৫৮৪৮৬২৩*

# ভোগালীৰ ভোগ আৰু সুৰক্ষিত জীৱন

## মানৱ জীৱনতকৈ উৎসৱৰ আনন্দ তেনেই গৌণ, জীৱন সুৰক্ষিত হৈ থাকিলেহে আমি ভোগালীৰ আনন্দ প্ৰতিটো বছৰেই উপভোগ কৰিব পাৰিম

**'মাঘৰ** বিহু আহিল মইনা মাঘৰ বিহু আহিল— অসমীয়াৰ মনপ্ৰাণ ৰঙে ৰসে ভৰিল মইনা ৰঙে ৰসে ভৰিল।'— জনপ্ৰিয় কণ্ঠ শিল্পীৰ বিহু গীতৰ তালে তালে নাচি- বাগি বিহু গাই গাঁও চহৰৰ চৌদিশে এতিয়া মাথোঁ গুঞ্জৰিত মাঘ বিহুক আদৰাৰ উৎসাহ উদ্দীপনা। প্ৰচণ্ড শীতকো নেওচি ৰাজ্যত চলিছে ভোগালীৰ ভোগৰ ব্যাপক প্ৰস্তুতি। সোণোৱালী সপোনৰ দলিছা গচকি প্ৰতি ঘৰ অসমীয়াৰ চোতালত ভোগালীৰ প্ৰৱেশ। পুহৰ শেষত অসমীয়া মাঘ মাহ সোমোৱাৰ লগে লগে মাঘবিহুক আদৰিবলৈ চহা কৃষকসকলৰ লগতে বিহু বলিয়া ৰাইজৰ থৌকি-বাথৌ মনবোৰ আনন্দত মতলীয়া হৈ পৰে। সমাগত ভোগালীৰ উৰুকা, শীতৰ ঠেৰেঙা লগা জাৰত সেমেকা নিয়ৰৰ হিম চেঁচা পৰশত অসমীয়া ৰাইজ একত্ৰিত হৈ উৰুকাৰ নিশাৰ পৰম্পৰাগত ভোজ-ভাতৰ আয়োজনেৰে আদৰণি জনাব হেঁপাহৰ ভোগালী বিহুটিক। বিহুৰ বতৰত পৰম্পৰাগতভাৱে লগে-ভাগে সমজুৱাকৈ এসাঁজ ভোজ-ভাত খোৱাৰ আমেজেই সুকীয়া। হাঁড় কঁপোৱা শীতৰ আমেজত কুঁৱলিয়ে ঢকা চোতালত জুহালৰ কাষত বহি জুইৰ উমত আয়োজন কৰা হয় উৰুকা নিশাৰ নানা তৰহৰ অসমীয়া সুস্বাদু ব্যঞ্জনৰ স্বাস্থ্যসন্মত খাদ্য-সম্ভাৰৰ লগতে বিভিন্ন ধৰণৰ পিঠা-জলপান। কৃষকৰ মেটমৰা ভঁৰালৰ ন চাউলৰ পৰা উৎপাদন কৰা হয় বিভিন্ন ধৰণৰ জুতি লগা থলুৱা খাদ্য। পথাৰৰ লখিমী চপোৱাৰ অন্তত উৰুকাৰ নিশা হাঁহে মাহে এসাঁজ খাবলৈ গাঁৱৰ কৃষিজীৱী ৰাইজৰ মাজত বিশাল প্ৰস্তুতি চলিছে।

চাওঁতে চাওঁতে গৃহস্থৰ পদূলিমুখ পোৱা চেনেহৰ ভোগালী বিহুটিক আদৰিবলৈ ৰাজ্যত এতিয়া বিহু বিহু লগা পৰিৱেশ বিৰাজমান। ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে বিভিন্ন আকাৰৰ মেজি সজাৰ সকলো প্ৰস্তুতিও ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। বিহু বুলিলেই অসমীয়াৰ আনন্দ-উছাহ উথলি উঠে, সকলোৱে গা সাতখন-আঠখন। প্ৰান্তে প্ৰান্তে যুৱক-যুৱতীসকলৰ লগতে আই-মাতৃসকল আনন্দত আত্মহাৰা, সীমাহীন ব্যস্ততাৰ যেন অন্ত নাই। মাঘবিহুৰ লগত সংগতি ৰাখি এই সময়ছোৱাত ভিন্ন ধৰণৰ নামকৰণেৰে দেশৰ অন্যান্য ঠাইতো এই উৎসৱ উদ্‌যাপন কৰাৰ প্ৰথা চলি



**অৱলোকন**
**চাইৰা ইছলাম বড়া**

আহিছে। কৰ্মসূত্ৰে বিদেশত থকা অসমীয়া সকলৰ মাজতো অসমীয়া জলপানৰ নানা বিধ উপকৰণ তৈয়াৰ কৰি বিহু নৃত্য-গীতৰ মাজত ভোগালী বিহু উদ্‌যাপনৰ দিহা কৰা হয়। নৱবৰ্ষ, বনভোজৰ পাছতে অসমীয়াৰ চেনেহৰ ভোগালী বিহুটিৰ আগমনত ৰাজ্যৰ চৌদিশে এতিয়া ৰং, ৰহইছ উপচি পৰিছে। বহু প্ৰত্যাখিত এটা নতুন বছৰৰ আৰম্ভণিতে উৎসৱ মুখৰ পৰিৱেশত বিলীন হৈ ভাগৰুৱা মনবোৰে যেন কিঞ্চিৎ আশাৰ সঞ্চাৰ দেখা পাইছে।

ভোগালী মানেই ভোগৰ উৎসৱ। এই সময়ছোৱাত কৃষিজীৱী ৰাইজৰ ভঁৰাল পথাৰৰ সোণালী শইচেৰে ভৰি পৰে। ন চাউলৰ উপকৰণেৰে প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ সুস্বাদু খাদ্য সম্ভাৰেৰে উভৈনদী হৈ পৰে প্ৰতিঘৰ অসমীয়াৰ আখল। চহৰতকৈ গাঁৱত ভোগালীৰ উৎসাহে বেছি প্ৰাণ পাই উঠে। যান্ত্ৰিকতাৰ মাজত সোমাই পৰা চহৰবাসীৰ মাজত বিহুৰ উদ্যম থাকিলেও গাঁৱৰ দৰে অকৃত্ৰিম পৰিৱেশত হেঁপাহৰ উৎসৱটি সম্পূৰ্ণৰূপে ভোগ কৰাত বাধাপ্ৰাপ্ত হয়। সেয়ে কৰ্মসূত্ৰে চহৰত থকা লোকসকল এই সময়ছোৱাত গাঁৱৰ ঘৰলৈ ঢাপলি মেলে পৰিয়াল আত্মীয়-স্বজনৰ লগত হেঁপাহৰ বিহুটি উদ্‌যাপন কৰিবলৈ। জাতি, বৰ্ণ, নিৰ্বিশেষে লগে ভাগে খোৱা উৰুকা নিশাৰ সম্প্ৰীতিৰ ভাত সাঁজে সকলোৱে মাজত একতাৰ এনাজৰীডাল অধিক কটকটীয়া কৰি তোলে। এই সময়ছোৱাত বতৰৰ শাক-পাচলিৰ লগতে নানান তৰহৰ খাদ্য বস্তু ঘৰৰ বাৰীত, বজাৰত উভৈনদী হৈ পৰে। ভোগালীৰ অৰ্থয়েই হ'ল ভোগৰ উৎসৱ, হেঁপাহৰ এই বিহুটিত বতৰত উৎপাদন হোৱা শাক, পাচলি, মাছ, মঙহৰ কোনো ধৰণৰ আকাল নাথাকে। ঘৰতে প্ৰস্তুত কৰা থলুৱা খাদ্যসমূহ সুস্বাদু হোৱাৰ লগতে স্বাস্থ্য সন্মতও হয়। ভোগালী বিহুৰ লগত সংগতি ৰাখি নানা ঠাইত প্ৰদৰ্শনীৰ লগতে ভোগালী মেলাসমূহ অনুষ্ঠিত কৰা হৈছে। অসমীয়াৰ খাদ্য সম্ভাৰ চিৰা, মুৰি, সান্দহ, লাডু, পিঠা-পনা, জলপান আদিৰে সজাই তোলা হয় বাণিজ্যিক মেলাসমূহ। এই মেলাসমূহত মহিলাসকলে নিজ হাতে উৎপাদন কৰা সামগ্ৰীসমূহ বিক্ৰী কৰিও অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰো বহু থল থাকে। ইয়াৰ উপৰি অতি সহজলভ্যভাৱে গ্ৰাহকে থলুৱাভাৱে প্ৰস্তুত কৰা মনৰ পছন্দৰ অসমীয়াৰ সুস্বাদু জলপানসমূহ ক্ৰয় কৰিব পাৰে। প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাসমূহ নানান ঠাইত অনুষ্ঠিত কৰি অসমীয়া খাদ্যৰ লগতে থলুৱা সাজপাৰসমূহো বাহিৰৰ গ্ৰাহকৰ আকৰ্ষণ বৃদ্ধি কৰাৰ লগতে পৰিচয় কৰি দিয়াটো সুবিধা হয়। বতৰৰ ভিন্ন প্ৰকাৰৰ পাচলিৰ লগতে সুস্বাদু কাঠ আলু, মিঠা আলু, মাহ, তিল আদিৰ পৰাও স্বাস্থ্য সন্মত ব্যঞ্জন প্ৰস্তুত কৰি সকলোৱে তৃপ্তিৰে এসাঁজ খায়। এইসময়ত উৎপাদন হোৱা প্ৰতিবিধ খাদ্যই আমাৰ শৰীৰৰ বাবে যথেষ্ট উপকাৰী।

বিহুৰ কিছুদিন আগৰে পৰাই গাঁৱৰ শিশুৰ পৰা জ্যেষ্ঠজনৰ লগতে ডেকাসকলে সমজুৱাকৈ বাঁহ আৰু নৰাৰে ভেলাঘৰ সজাত ব্যস্ত হৈ পৰে। সৃষ্টিশীল লোকসকলৰ নিপুণ হাতৰ পৰশত ইতিমধ্যে প্ৰাণ পাই উঠিল পুৰণি কীৰ্তিচিহ্নসমূহৰ লগতে নানান আৰ্হিৰ আকৰ্ষণীয় ভেলাঘৰ। ঢোলৰ ছেৱত বিহু নাচি আত্মহাৰা হৈ পৰে অসমীয়াৰ মন প্ৰাণ। গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে



পথাৰৰ নৱা কটাত ব্যস্ত হোৱাৰ লগতে চাহ-জলপান যাচি ভেলাঘৰসমূহ সজোৱাৰ ক্ষেত্ৰত সকলোকে সহায়ৰ হাত আগবঢ়ায়। উজনি-নামনি সকলোতে আটক ধুনীয়াকৈ ব্যতিক্ৰমী ৰূপত বিভিন্ন ধৰণৰ আৰ্হিৰ দৃষ্টিনন্দন ভেলাঘৰসমূহ চকুত লগাকৈ সজাই তোলা হৈছে। নতুনকৈ গঢ়ি উঠা ভিন্ন প্ৰকাৰৰ প্ৰতীক চিহ্নসমূহ ভেলাঘৰবোৰত আকৰ্ষণীয় ৰূপত জিলিকি উঠিছে। পৈণত শিল্পীৰ হাতৰ পৰশত হুবহু একে ধৰণৰ জীয়া ছবিসমূহে যেন প্ৰাণ পাই উঠিছে। এইবাৰ ভিন্ন আৰ্হিৰ লগতে কিছু ঠাইত প্ৰেমৰ প্ৰতীক তাজমহলৰ উপৰি শিহৰণকাৰী কৰ'না ভাইৰাছৰ লগতে, নিমাতিঘাটত দুৰ্ঘটনাগ্ৰস্ত হোৱা দুৰ্ভগীয়া মা কমলা নামৰ ফেৰিখনৰ আৰ্হিত আকৰ্ষণীয় ভেলাঘৰ সাজি উলিওৱা হৈছে। এক অঘোষিত প্ৰতিযোগিতাৰ মানসেৰে সকলোৱে চেষ্টা কৰে সুন্দৰ ৰূপত ভেলাঘৰসমূহ ৰাইজৰ সন্মুখত উপস্থাপন কৰিবলৈ। বছৰৰ বিহুটিত নিপুণ দক্ষতাৰে সুন্দৰকৈ সাজি তোলা আটকধুনীয়া ভেলাঘৰসমূহৰ মাজত অঘোষিত প্ৰতিযোগিতা অনুষ্ঠিত হয়। গাঁৱে গাঁৱে ভেলাঘৰ সাজি চমক দিছে গঞাই, তাৰ ভিতৰতে সৰ্বাধিক জনসাধাৰণৰ আকৰ্ষণ বৃদ্ধি কৰা সুউচ্চ আৰু সুন্দৰকৈ তৈয়াৰী ভেলাঘৰসমূহক প্ৰাধান্য দি পুৰস্কৃতও কৰা হয়।

বিহুৰ দিনা পুৱতি নিশাতেই সকলো পৱিত্ৰ হৈ ধৰ্মীয় ৰীতি-নীতিৰ নিয়ম অনুসৰি মেজি জলাই জুইৰ উত্তাপ লয়। মেজিৰ উত্তাপত গা সেকি বছৰটোলৈ আপদ- বিপদৰ পৰা ৰক্ষা পোৱাৰ এক জনবিশ্বাস আছে। মাঘ বিহুৰ প্ৰথম দিনটোৰ পৰাই ব্যস্ততাৰ মাজতো আনন্দত আত্মহাৰা হয় অসমৰ ৰাইজ। বিহুৰ পাৰ ভঙা আনন্দ উছাহৰ মাজতে শেহতীয়াকৈ ক'ভিড ভাইৰাছ অ'মিক্ৰনৰ আতংকই সকলোকে ভীতিগ্ৰস্ত কৰি তুলিছে। পুনৰ পৰিস্থিতি সাপেক্ষে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাটো খুবেই জৰুৰী হৈ পৰিছে। বিভিন্ন ঠাইত হোৱা জনসমাগম ৰুধিবলৈ ৰাইজ সজাগ হোৱাৰ বাদে আন উপায় নাই। হঠাতে উদ্ভৱ হোৱা পৰিস্থিতিৰ ভয়াৱহতালৈ লক্ষ্য কৰি চৰকাৰীভাৱে সজাগতামুলক নীতি-নিৰ্দেশনা ঘোষণা কৰিছে। অ'মিক্ৰনৰ সংক্ৰমণৰ আশংকাত বিহুৰ নীতি-নিয়মবো বহুলাংশে নিয়ন্ত্ৰণ কৰা হ'ব। অসমীয়াৰ বাপতি সাহোন হেঁপাহৰ বিহুটিক আদৰাৰ সন্ধিক্ষণত কোনো অশুভ বাতৰিয়ে মনৰ উদ্যম যেন সেমেকাই তুলিব নোৱাৰে তাৰ বাবে সকলোৱে সজাগতা অৱলম্বন কৰিবৰ হ'ল। আশা-নিৰাশাৰ স্পৰ্শকাতৰ পৰিৱেশৰ মাজত সমগ্ৰ অসমবাসীলৈ ভোগালীৰ ওলগ জনাই অন্তঃকৰণেৰে কামনা কৰিলো হেঁপাহৰ বিহুটি উদ্‌যাপনৰ সময়ত এইবাৰ যেন কোনো বিধিপথালি নাহে। মেজিৰ জুইৰ পবিত্ৰ উত্তাপত সকলো অপায়-অমংগল দূৰ হৈ সমগ্ৰ ধৰালৈ পূৰ্বৰ মুকলি পৰিৱেশ উভতি আহক। নেদেখাজনে বিশ্ববাসীক সুমতি দিয়ক উপযুক্ত বিধি-বিধান ৰক্ষা কৰি মহামাৰীৰ বিপৰ্যয় ৰুধিবলৈ। এই কথা সকলোৱে গুৰুত্ব সহকাৰে লোৱা উচিত যে মানৱ জীৱনতকৈ উৎসৱৰ আনন্দ তেনেই গৌণ, জীৱন সুৰক্ষিত হৈ থাকিলেহে আমি ভোগালীৰ আনন্দ প্ৰতিটো বছৰেই উপভোগ কৰিব পাৰিম।

*ফোন: ৯১০১৫১৭৮৪৭*



## শ্ৰীলংকাত ভয়াৱহ মূল্যবৃদ্ধি ঃ আলু কিলোত দুশ, জলকীয়া ৭১০ টকা

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জানুৱাৰী ঃ** শ্ৰীলংকাত সম্প্ৰতি আৰ্থিক সংকটে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। দেশখনত মুদ্ৰাস্ফীতি ১১.১ শতাংশলৈ বৃদ্ধি পালে। শেহতীয়াভাৱে দেশখনৰ বজাৰত প্ৰায়বোৰ খাদ্য দ্ৰব্যৰ মূল্য সৰ্বকালৰ সৰ্বাধিক হৈছে। প্ৰতি কিলো আলুৰ মূল্য দুশ টকালৈ বৃদ্ধি পাইছে। বিলাহী দুশ টকা, বেঙেনা ১৬০ টকা, বিন ৩২০ টকা, বন্ধা কবি ২৪০ টকা, গাজৰ দুশ টকা মূল্যত সম্প্ৰতি বিক্ৰী হৈছে। পিঁয়াজৰ মূল্যও ৪০ শতাংশ বৃদ্ধি পাইছে।

## ১২ দিনলৈকে পৰ্যবেক্ষণত থাকিব লাগিব সুৰ সম্ৰাজ্ঞী লতা মংগেশকাৰ



**নিউজ ব্যুৰ', মুম্বাই, ১২ জানুৱাৰী ঃ** ক'ভিড-১৯ত আক্ৰান্ত হোৱাৰ পাছৰে পৰা সুৰ সম্ৰাজ্ঞী লতা মংগেশকাৰৰ স্বাস্থ্যক লৈ তেওঁৰ অগণিত ভক্তবৃন্দৰ উদ্বেগ অব্যাহত আছে। সম্প্ৰতি মুম্বাইৰ ব্ৰিচ কেণ্ডী চিকিৎসালয়ৰ আই চি ইউত ভৰ্তি হৈ আছে কুকিলকণ্ঠী শিল্পীগৰাকী। চিকিৎসকে প্ৰকাশ কৰা অনুসৰি কৰ'নাৰ লগতে নিউম'নিয়াতো শিল্পীগৰাকী আক্ৰান্ত হৈছে আৰু সম্প্ৰতি তেওঁৰ অৱস্থা স্থিতিশীল। ডাঃ প্ৰতীত সমধানিয়ে শিল্পীগৰাকীৰ স্বাস্থ্য সন্দৰ্ভত আজি সংবাদ মাধ্যমৰ আগত এইদৰে কয়, 'লতা মংগেশকাৰক সম্প্ৰতি আই চি ইউত ৰখা হৈছে আৰু আগন্তুক ১০-১২ দিনলৈকে তেওঁ চিকিৎসকৰ কঠোৰ পৰ্যবেক্ষণত থাকিব।'

## বিশ্বত ২৪ ঘণ্টাত ২৭.৭২ লাখ লোক হ'ল কৰ'নাত আক্ৰান্ত

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১২ জানুৱাৰী ঃ** বিশ্বৰ বিভিন্ন দেশত যোৱা ২৪ ঘণ্টাত ২৭.৭২ লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল। আনহাতে, বিগত এদিনত বিশ্বজুৰি ৯.৫৫ লাখ ক'ভিড ৰোগী সুস্থ হৈ উঠিল। ইফালে, ক'ভিডৰ সংক্ৰমণে পুনৰ বিশ্বত ৭,৮৪৭ জন লোকৰ প্ৰাণ কাঢ়িলে। নতুন সংক্ৰমণৰ ক্ষেত্ৰত আমেৰিকাই সৰ্বাধিক ৬.৭২ লাখ ৰোগীৰে শীৰ্ষত আছে। আনহাতে, দ্বিতীয় স্থানত থকা ফ্ৰান্সত নতুনকৈ চিনাক্ত হ'ল ৩.৬৮ লাখ ক'ভিড ৰোগী। তৃতীয় স্থানত থকা ইটালীত যোৱা ২৪ ঘণ্টাত ২.২০ লাখ ক'ভিড ৰোগীক চিনাক্ত কৰা হ'ল। বিগত এদিনত বিশ্বত ৫.৬২ লাখ ক'ভিড ৰোগী বৃদ্ধি পালে। জাৰ্মানীত বুধবাৰে কৰ'নাৰ সংক্ৰমণে নতুন অভিলেখ সৃষ্টি কৰিলে। দেশখনত যোৱা ২৪ ঘণ্টাত ৮০,৪৩০ জন লোক কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে ৩৮৪ ক'ভিড ৰোগীৰ মৃত্যু হ'ল। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত জাৰ্মানীত এয়ে প্ৰথমবাৰ ইমান অধিকসংখ্যক লোক কৰ'নাত সংক্ৰমিত হ'ল। ইয়াৰ পূৰ্বে দেশখনত ২০২১ৰ ২৫ নৱেম্বৰত সৰ্বাধিক ৭৬,১৩২ জন কৰ'না ৰোগীক চিনাক্ত কৰা হৈছিল। বৰ্তমানে বিশ্বত ৪.৬৭ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। অতিমাৰীৰ সমগ্ৰ পৰ্বটোত বিশ্বত ৩১.৩৯ কোটি লোক কৰ'নাত আক্ৰান্ত আৰু ৫৫.২০ লাখ লোকৰ মৃত্যু হ'ল।





## তিনি বছৰৰ পাছত পূৰ্বৰ ৰূপত অনুষ্ঠিত হ'ব অস্কাৰ বঁটা অনুষ্ঠান

**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ১২ জানুৱাৰী ঃ** অহা ২৭ মাৰ্চত অনুষ্ঠিত হ'ব লগা ৯৪ সংখ্যক অকাডেমী এৱাৰ্ড (অস্কাৰ) অনুষ্ঠানত পুনৰ নিয়োজিত হ'ব ঘোষক। ২০১৮ৰ পাছত প্ৰথমবাৰৰ বাবে অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানৰ পৰিচালনা কৰিব ঘোষকে। ২০১৯ৰ পৰা অস্কাৰ বঁটা অনুষ্ঠান ঘোষক অবিহনে সম্পন্ন কৰা হৈছিল। এইবাৰৰ পৰা অস্কাৰ বঁটা পূৰ্বৰ ৰূপত প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অহা ২৭ মাৰ্চত হলিউডৰ হাইলেণ্ড চেণ্টাৰৰ ডলবি থিয়েটাৰত এই বঁটা অনুষ্ঠান অনুষ্ঠিত হ'ব।

### এ ডি আৰৰ ২০১৬ৰ পৰা ২০২০ৰ প্ৰতিবেদনৰ তথ্য ঃ ৪৮ শতাংশইহে নিৰ্বাচনত জয়লাভ কৰিবলৈ সফল হৈছিল

# পাঁচ বছৰত ৩৫৭ প্ৰাৰ্থীয়ে দল সলনি কৰি কৰিলে প্ৰতিদ্বন্দ্বিতা

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ জানুৱাৰী ঃ** সাধাৰণতে নেতাসকলে ধাৰণা কৰে যে দল সলনি কৰিলে নিৰ্বাচনত জয়ৰ ক্ষেত্ৰত সহজ হয়। কিন্তু পৰিসংখ্যাই ইয়াৰ এক বিপৰীত ছবিহে দাঙি ধৰিলে। ৰাজ্যসভাৰ নিৰ্বাচনৰ বাহিৰে আন প্ৰতিটো নিৰ্বাচনতে দল সলনি কৰা খুব কমসংখ্যক ৰাজনৈতিক নেতাইহে নিৰ্বাচনত জয়লাভ কৰিবলৈ সক্ষম হৈছিল। এছ'চিয়েছন ফ'ৰ ডেম'ক্ৰেটিক ৰিফ'ৰ্ম (এ ডি আৰ)ৰ ২০১৬ৰ পৰা ২০২০ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি, উক্ত পাঁচ বছৰত দেশত ৩৫৭ ৰাজনৈতিক নেতাই দল সলনি কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল. এইসকল দল সলনি কৰা প্ৰাৰ্থীৰ ১৭০ জন অৰ্থাৎ ৪৮ শতাংশইহে নিৰ্বাচনত জয়লাভ কৰিবলৈ সফল হৈছিল। ইয়াৰ বিপৰীতে ১৮৭ দল বদলকাৰী প্ৰাৰ্থীৰ পৰাজয় হৈছিল। জয়লাভ কৰা সৰহসংখ্যক প্ৰাৰ্থীয়ে আন দল ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। বিজেপিয়ে বিগত পাঁচ বছৰত দল ত্যাগ কৰি বিজেপিত যোগদান কৰা ৬৭ জন নেতাক নিৰ্বাচনত টিকট দিছিল আৰু ইয়াৰে ৫৪ জন জয়ী হৈছিল।

লোকসভাৰ নিৰ্বাচনৰ পৰিসংখ্যা অধিক ৰোমাঞ্চকৰ। এই সময়ছোৱাত মুঠ ১২ জন নেতাই এটা দল ত্যাগ কৰি আন দলৰ টিকটত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু আটাইকেইজন প্ৰাৰ্থী পৰাজয় হৈছিল। বিধানসভাৰ উপ-নিৰ্বাচনত দল সলনি কৰা নেতাৰ পাৰদৰ্শিতা যথেষ্ট ভাল আছিল। ৪৮ জন নেতাই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু ইয়াৰে ৩৯ জন অৰ্থাৎ ৮১ শতাংশই জয়লাভ কৰিছিল। অৱশ্যে ৰাজ্যসভাৰ নিৰ্বাচনত দল সলনি কৰি প্ৰতিদ্বন্দ্বিতা কৰা নেতাসকলৰ ১০০ শতাংশই সফলতা লাভ কৰিছিল। ৰাজ্যসভাৰ নিৰ্বাচনত জনসাধাৰণে নহয়, সদনৰ নিৰ্বাচিত প্ৰতিনিধিয়েহে ভোটদান কৰে। সেয়েহে ৰাজ্যসভাৰ নিৰ্বাচনত দল সলনি কৰা প্ৰাৰ্থীয়ে অধিক সফলতা লাভ কৰিব পাৰিছে। মধ্য প্ৰদেশ, মণিপুৰ, গোৱা, অৰুণাচল প্ৰদেশ আৰু কৰ্ণাটকত বিধায়কৰ দলত্যাগৰ ফলত চৰকাৰৰ পতন হৈছিল। ২০১৯ৰ লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ পাঁচ সাংসদে অন্য দলত যোগদানৰ বাবে দলত্যাগ কৰিছিল।

বিগত পাঁচ বছৰত অন্যান্য ৰাজনৈতিক দলৰ পৰা সৰ্বাধিকসংখ্যক বিধায়কে বিজেপিত যোগদান কৰিছিল। আন দলৰ পৰা বিজেপিত ১৮২, কংগ্ৰেছত ৩৮, টি আৰ এছত ২৫, তৃণমূল কংগ্ৰেছত ১৬, এন পি পিত ১৬, জে ডি ইউত ১৪, বহুজন সমাজ পাৰ্টিত ১১, সমাজবাদী পাৰ্টিত আঠজন বিধায়কে যোগদান কৰিছিল। আনহাতে, বিগত পাঁচ বছৰত কংগ্ৰেছৰ ১৭০, বিজেপিৰ ১৮, বহুজন সমাজ পাৰ্টিৰ ১৭, টি ডি পিৰ ১৭ আৰু সমাজবাদী পাৰ্টিৰ ১২ জন বিধায়কে দলত্যাগ কৰিলে।





## কাজাখস্তানত নিয়োজিত ৰুছ সেনা কৰিব প্ৰত্যাহাৰ

**নিউজ ব্যুৰ', ম'স্কো, ১২ জানুৱাৰী ঃ** আগন্তুক দুদিনৰ ভিতৰতে কাজাখস্তানৰ পৰা ৰুছ সেনাক প্ৰত্যাহাৰ কৰা হ'ব। ৰাষ্ট্ৰপতি কাছিম জ'মাৰ্ট ট'কায়েভে আজি এই কথা ঘোষণা কৰিলে। ট'কায়েভে প্ৰকাশ কৰা অনুসৰি আগন্তুক ১০ দিনৰ ভিতৰতে সেনা প্ৰত্যাহাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব। উল্লেখ্য যে বিগত কে'বাদিন ধৰি ইন্ধনজাত সামগ্ৰী অত্যধিক মূল্যবৃদ্ধিৰ বিৰোধিতাৰে বিক্ষোভত উত্তাল হৈ আছে মধ্য এছিয়াৰ দেশ কাজাখস্তান। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ৰাছিয়াই প্ৰায় আঢ়ৈ হেজাৰ সেনা কাজাখস্তানলৈ প্ৰেৰণ কৰিছিল। ৰাষ্ট্ৰপতি ট'কায়েভে প্ৰকাশ কৰা অনুসৰি চি এছ টি অ' শান্তিৰক্ষী বাহিনীৰ মূল অভিযান সফলভাৱে সম্পন্ন হ'ল আৰু সেয়েহে আগন্তুক দুদিনৰ ভিতৰতে ৰুছ সেনা প্ৰত্যাহাৰ কৰা হ'ব।



## দিল্লীৰ এইমছত ৫৫০, লেডী হাৰ্ডিঙত ২০০ চিকিৎসক, কৰ্মচাৰী কৰ'নাত আক্ৰান্ত

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ জানুৱাৰী ঃ** দিল্লীৰ চিকিৎসালয়ত কৰ্মৰত চিকিৎসক আৰু কৰ্মীৰ মাজত ক'ভিড-১৯ৰ সংক্ৰমণ ব্যাপক হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, বুধবাৰলৈকে দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ত কৰ্মৰত ৫৫০ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। একেদৰে দিল্লীৰ লেডী হাৰ্ডিঙত ২০০, আৰ এম এলৰ ১৫০, ছফডৰজং চিকিৎসালয়ত ২০০ আৰু বাবা চাহেব আম্বেদকাৰ চিকিৎসালয়ত ১০০ৰো অধিক কৰ্মচাৰী কৰ'নাত সংক্ৰমিত হৈছে। কৰ'না আক্ৰান্তক সেৱা আগবঢ়াবলৈ গৈয়ে এইসকল চিকিৎসক আৰু চিকিৎসা কৰ্মীয়ে ক'ভিড ভাইৰাছত সংক্ৰমিত হৈছে।



## উত্তৰ প্ৰদেশত কংগ্ৰেছ আৰু সমাজবাদী বিধায়কৰ বিজেপিত যোগদান

**নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ১২ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশত বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে পুনৰ অঘটনৰ সন্মুখীন হ'ল কংগ্ৰেছ আৰু সমাজবাদী পাৰ্টি। মুলায়ম সিং যাদৱৰ পৰিয়ালৰ অতি ঘনিষ্ঠ হিচাপে পৰিচিত সমাজবাদী পাৰ্টিৰ চিৰছাগঞ্জৰ বিধায়ক হৰিওম যাদৱ আৰু চহাৰনপুৰৰ বেহত সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক নৰেশ চেইনীয়ে দলত্যাগ কৰি বিজেপিত যোগদান কৰিলে। আজি নতুন দিল্লীত যাদৱ আৰু চেইনীয়ে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰে। ইফালে, অলপতে সমাজবাদী পাৰ্টিত যোগদান কৰা আগ্ৰাৰ এটবাডপুৰ সমষ্টিৰ বহুজন সমাজ পাৰ্টিৰ প্ৰাক্তন বিধায়ক ডাঃ ধৰ্মপাল সিঙেও বিজেপিত যোগদান কৰিলে। কিছুদিন পূৰ্বে ৰাইবৰেলিৰ কংগ্ৰেছৰ বিধায়ক অদিতি সিঙেও বিজেপিত যোগদান কৰিছিল।

# মুম্বাইত কৰ'নাত মৃতকৰ ৯৪ শতাংশই লোৱা নাছিল প্ৰতিষেধক

## উত্তৰ প্ৰদেশত সমাজবাদীৰ স'তে মৰ্চা গঠন এন চি পি-তৃণমূল কংগ্ৰেছৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১২ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনত সমাজবাদী পাৰ্টিৰ স'তে মৰ্চাত অংশ ল'লে নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টি (এন চি পি) আৰু তৃণমূল কংগ্ৰেছ (টি এম চি) দলে। সমাজবাদী পাৰ্টিয়ে শাৰদ পাৱাৰ আৰু মমতা বেনাৰ্জীৰ দল দুটাক বিধানসভাৰ আগন্তুক নিৰ্বাচনত এটাকৈ সমষ্টি এৰি দিয়াৰ সিদ্ধান্ত লৈছে। এন চি পিৰ নেতা কে কে শৰ্মাই অনুপচহৰ সমষ্টিৰ পৰা আৰু টি এম চিৰ নেতা ললিতেশ পতি ত্ৰিপাঠীয়ে মিৰ্জাপুৰ সমষ্টিত সমাজবাদী পাৰ্টিৰ মৰ্চাৰ যৌথ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব।

**নিউজ ব্যুৰ'**
**মুম্বাই, ১২ জানুৱাৰী ঃ** দেশৰ বিত্তীয় ৰাজধানী হিচাপে পৰিচিত মুম্বাইত একেৰাহে চতুৰ্থ দিনলৈ ক'ভিডৰ সংক্ৰমণ হ্ৰাস পালে। মুম্বাইত মঙলবাৰে কৰ'না ৰোগীৰ পজিটিভিটিৰ হাৰ ২৮ শতাংশৰ পৰা ১৮.৭ শতাংশলৈ হ্ৰাস পালে। সোমবাৰে ক'ভিডৰ ব্যাপক পৰীক্ষণৰ পাছতো আক্ৰান্তৰ ৰোগীৰ সংখ্যা যথেষ্ট অৱনমিত হ'ল। সোমবাৰে চহৰখনত ১৩,৬৪৮ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। মঙলবাৰে মুম্বাইত কৰ'নাৰ দৈনিক আক্ৰান্তৰ সংখ্যা ১১,৬৪৭ জনলৈ হ্ৰাস পায়। এইসমূহ ৰোগীৰ ৯,৬৬৭ জন অৰ্থাৎ ৮৩ শতাংশৰ শৰীৰত ক'ভিডৰ কোনো উপসৰ্গই দেখা দিয়া নাছিল। মঙলবাৰে মুম্বাইত দুজন ক'ভিডৰ ৰোগীৰ পুনৰ মৃত্যু হ'ল। মুম্বাইৰ মেয়ৰ কিশোৰী পেডনেকৰে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, চহৰখনত সম্প্ৰতি অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। পেডনেকৰে লগতে প্ৰকাশ কৰা মতে, ২০২১ৰ ফেব্ৰুৱাৰীৰ পৰা বৰ্তমানলৈকে মুম্বাইত যিমানসংখ্যক লোকৰ ক'ভিড ভাইৰাছৰ সংক্ৰমণত মৃত্যু হ'ল তেওঁলোকৰ ৯৪ শতাংশই ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰা নাছিল। মহাৰাষ্ট্ৰ ক'ভিড টাস্ক ফ'ৰ্চৰ সদস্য ডাঃ সহাংক যোশীয়ে কয় যে মুম্বাইত কৰ'না ৰোগীৰ সংখ্যাই ইতিমধ্যে শীৰ্ষত আৰোহণ কৰিলে আৰু এতিয়া ক'ভিড-১৯ৰ তৃতীয়টো ঢৌ লাহে লাহে স্থিৰ হ'ব।



## পঞ্জাৱত কংগ্ৰেছৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী কোন ঃ সিদ্ধুৱে ক'লে 'হাইকমাণ্ডে নহয়, পঞ্জাৱবাসীয়ে ল'ব সিদ্ধান্ত'

**নিউজ ব্যুৰ', চণ্ডীগড়, ১২ জানুৱাৰী ঃ** বিধানসভাৰ আগন্তুক নিৰ্বাচনত পঞ্জাৱত কংগ্ৰেছৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী কোন হ'ব? এই প্ৰশ্নৰ সন্দৰ্ভত পঞ্জাৱ কংগ্ৰেছৰ মুৰব্বী নৱজ্যোৎ সিং সিদ্ধুৱে স্পষ্টভাৱে কয় যে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী কোন হ'ব সেই সিদ্ধান্ত দলৰ হাইকমাণ্ডে নহয়, পঞ্জাৱবাসীয়েহে নিৰ্ণয় কৰিব। 'আমি পঞ্জাৱ মডেল লৈ আহিছো। এই মডেলৰ আধাৰতে পঞ্জাৱবাসীয়ে বিধায়কক নিৰ্বাচন কৰিব। মুখ্যমন্ত্ৰী কোন হ'ব সেই সিদ্ধান্ত দলৰ হাইকমাণ্ডে নহয়, ৰাইজে গ্ৰহণ কৰিব।' উল্লেখ্য যে কিছুদিন পূৰ্বে সিদ্ধুৱে নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঘোষণা কৰা উচিত বুলি দাবী কৰিছিল।



## আফগান সামৰিক বিমান ওভতাই দিবলৈ তাজিকিস্তান, উজবেকিস্তানক সকীয়নি তালিবানৰ

**নিউজ ব্যুৰ', কাবুল, ১২ জানুৱাৰী ঃ** তালিবানে এইবাৰ তাজিকিস্তান, উজবেকিস্তানক সকীয়নি দিলে। তালিবানৰ কাৰ্যবাহী প্ৰতিৰক্ষা মন্ত্ৰী মাবলবি মহম্মদ য়াকুব মুজাহিদে ঘোষণা কৰা অনুসৰি, তাজিকিস্তান আৰু উজবেকিস্তানে আফগান বিমান ওভতাই দিব লাগিব, অন্যথা বিষম পৰিণতিৰ সন্মুখীন হ'ব লাগিব। মুজাহিদে স্পষ্টভাৱে কয় যে যি সামৰিক বিমান আফগানিস্তানৰ পৰা বিদেশলৈ নিয়া হৈছিল, সেইসমূহ বিমান এতিয়া স্বদেশলৈ ওভতাই অনাৰ সময় উপস্থিত হৈছে। আফগানিস্তানৰ পৰা যিসমূহ দেশে সামৰিক বিমান গ্ৰহণ কৰিছিল, সেইসমূহ বিমান উক্ত দেশসমূহে ওভতাই নিদিলে কঠিন পৰিণতিৰ সন্মুখীন হ'ব লাগিব বুলি মুজাহিদিনে সকীয়াই দিয়ে। 'আমাৰ বিমান তাজিকিস্তান আৰু উজবেকিস্তানত মজুত আছে আৰু এই বিমান আমাক দেশ দুখনে ওভতাই দিব লাগিব। আমি আমাৰ বিমানক বিদেশত ৰখাৰ বা ব্যৱহাৰ কৰাৰ অনুমতি দিব নোৱাৰো।' মুজাহিদে এইদৰে কয়। তালিবানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি, পূৰ্বৰ চৰকাৰৰ পতনৰ পাছত ৪০ খনৰো অধিক হেলিকপ্টাৰ আফগানিস্তানৰ পৰা উজবেকিস্তান আৰু তাজিকিস্তানলৈ নিয়া হৈছিল। এইসমূহ হেলিকপ্টাৰ এতিয়া ওভতাই বিচাৰিলে তালিবানে।




# ইউৰোপত দুমাহৰ ভিতৰতে অৰ্ধেকৰো অধিক লোক হ'ব অ'মিক্ৰনত আক্ৰান্ত ঃ শংকা হুৰ

**নিউজ ব্যুৰ', ট'ৰছাভন, ১২ জানুৱাৰী ঃ** আগন্তুক কে'বা সপ্তাহৰ ভিতৰতে ইউৰোপৰ অৰ্ধেকৰো অধিক জনসংখ্যা কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনত সংক্ৰমিত হ'ব। এই আশংকা প্ৰকাশ কৰিলে বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ ইউৰোপীয় সঞ্চালক ডাঃ হান্স ক্লুগে। 'আগন্তুক ছয়ৰ পৰা আঠ সপ্তাহৰ ভিতৰত ইউৰোপৰ জনসংখ্যাৰ ৫০ শতাংশকো অধিক অ'মিক্ৰনত সংক্ৰমিত হ'ব।' ডাঃ ক্লুগে এইদৰে কয়। ইউৰোপ আৰু মধ্য এছিয়াৰ দেশসমূহ সম্প্ৰতি তীব্ৰ চাপৰ মাজত আছে কিয়নো ক'ভিড ভাইৰাছৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ পশ্চিমৰ দেশৰ পৰা লাহে লাহে ইউৰোপৰ বলকান অঞ্চলত বিয়পি পৰিছে। ডাঃ ক্লুগে প্ৰকাশ কৰা অনুসৰি ইউৰোপত কৰ'নাৰ ডেল্টা প্ৰজাতিৰ সংক্ৰমণ শীৰ্ষত থকাৰ সময়তে অ'মিক্ৰনৰ ঢৌৱে ইউৰোপৰ পূবৰ পৰা পশ্চিমলৈকে বিয়পি পৰিছে। অ'মিক্ৰন অতি সংক্ৰামক হোৱা হেতুকে ক'ভিডৰ এই প্ৰজাতিৰ সংক্ৰমণ এক উদ্বেগৰ কাৰণত পৰিণত হৈছে বুলি ডাঃ ক্লুগে কয়। চলিত বৰ্ষৰ প্ৰথম সপ্তাহতে সমগ্ৰ ইউৰোপত ৭০ লাখৰো অধিক লোক কৰ'নাত আক্ৰান্ত হ'ল। মাত্ৰ দুসপ্তাহৰ ব্যৱধানত সংক্ৰমণৰ সংখ্যা দুগুণৰো অধিক হৈছে। যোৱা সোমবাৰে ব্ৰিটেইনত এক লাখ ৪২ হেজাৰৰো অধিক লোক কৰ'নাত আক্ৰান্ত আৰু ৭৭ জনৰ মৃত্যু হৈছিল।



## আই এম এফৰ পৰা এক বিলিয়ন ডলাৰ ঋণ বিচৰা ইমৰানে ক'লে, 'ভাৰততকৈ পাকিস্তানৰ বিত্তীয় অৱস্থা ভাল'



**নিউজ ব্যুৰ', ইছলামাবাদ, ১২ জানুৱাৰী ঃ** বিগত কে'বা বছৰ ধৰি পাকিস্তানৰ অৰ্থনীতি ব্যাপক প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। দেশখনত মূল্যবৃদ্ধিয়ে সৰ্বকালৰ সৰ্বাধিক ৰূপ ধাৰণ কৰিছে। ইফালে, বিদেশী ঋণৰ পৰিমাণো ইমৰান খানৰ শাসন কালত যথেষ্ট বৃদ্ধি পাইছে। কিন্তু ইমানৰ পাছতো পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰানৰ মতে, তেওঁৰ দেশৰ বিত্তীয় অৱস্থা ভাৰততকৈ উন্নত। মঙলবাৰে ইছলামাবাদত ইণ্টাৰনেচনেল চেম্বাৰ্ছ সন্মিলন ২০২২ মুকলি কৰি পাক প্ৰধানমন্ত্ৰীয়ে কয় যে বিত্তীয় সমস্যাৰ স'তে পাকিস্তানে যুঁজ দিলেও ভাৰতৰ তুলনাত দেশখনৰ বিত্তীয় পৰিস্থিতি ভাল। পাক প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে এতিয়াও পাকিস্তান বিশ্বৰ আন দেশৰ তুলনাত এখন যথেষ্ট সস্তাৰ দেশ হিচাপে পৰিচিত হৈ আহিছে। বিৰোধীক কঠোৰভাৱে সমালোচনা কৰি ইমৰানে কয় যে বিৰোধীয়ে চৰকাৰক বিফল বুলি অভিহিত কৰি আহিছে যদিও প্ৰকৃত সত্যতো হৈছে তেওঁৰ চৰকাৰে দেশখনক সকলো সংকটৰ পৰা উদ্ধাৰ কৰিলে। পাক প্ৰধানমন্ত্ৰীয়ে দাবী কৰি কয় যে আন বহু দেশৰ তুলনাত পাকিস্তানত তেলৰ মূল্য যথেষ্ট কম। উল্লেখ্য যে পাকিস্তানে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আই এম এফ)ৰ পৰা এক বিলিয়ন ডলাৰৰ ঋণ বিচাৰিছে। আই এম এফৰ পৰা এইদৰে এক বিলিয়ন ডলাৰৰ ঋণ বিচৰা পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে নিজ দেশৰ বিত্তীয় অৱস্থা ভাৰততকৈ উন্নত বুলি কৰা দাবীয়ে পাকিস্তানত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## ক'ভিড বিধি ভংগৰে বাসগৃহত পাৰ্টিৰ আয়োজন কৰি অভিযুক্ত ব্ৰিটিছ প্ৰধানমন্ত্ৰী



**নিউজ ব্যুৰ', লণ্ডন, ১২ জানুৱাৰী ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে ২০২০ বৰ্ষৰ ২০ মে'ত দেশজুৰি সৰ্বাত্মক তলাবন্ধ অব্যাহত থকাৰ সময়তে ১০ ডাউনিং ষ্ট্ৰীটত প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসভৱনত সুৰাৰ পাৰ্টি অনুষ্ঠিত কৰা বুলি এক অভিযোগ কিছুদিন পূৰ্বে উত্থাপিত হৈছিল। ব্ৰিটেইনৰ সংবাদ মাধ্যমত অৱশেষত এই সুৰাৰ পাৰ্টিৰ আয়োজনক লৈ অধিক তথ্য প্ৰকাশ পালে। ব্ৰিটেইনৰ এক সংবাদ মাধ্যমে জনছনৰ উক্ত পাৰ্টিৰ নিমন্ত্ৰণ পত্ৰ এখন ফাদিল কৰি প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে উত্থাপিত ক'ভিড বিধি উলংঘনৰ অভিযোগ সত্যত প্ৰমাণিত কৰিলে। সংবাদ মাধ্যমৰ দাবী অনুসৰি, দেশত তলাবন্ধ চলি থকাৰ সময়ত প্ৰধানমন্ত্ৰীৰ বাসভৱনত সুৰাৰ পাৰ্টিত কমেও ১০০ জন আমন্ত্ৰিত উপস্থিত আছিল। উক্ত পাৰ্টিৰ আমন্ত্ৰণ পত্ৰ প্ৰেৰণ কৰিছিল প্ৰধানমন্ত্ৰীৰ মুখ্য ব্যক্তিগত সচিব মাৰ্টিন ৰেনল্ডছে। উক্ত আমন্ত্ৰণ পত্ৰত এইদৰে লিখা হৈছিল, 'সুন্দৰ এই পৰিবেশত শাৰীৰিক দূৰত্ব বিধি পালনৰে পাৰ্টিৰ আয়োজন কৰা হৈছে। অৱশ্যে নিজৰ সুৰা নিজে লৈ আহিব।' ব্ৰিটিছ সংবাদ মাধ্যমত জনছনৰ উক্ত পাৰ্টিৰ নিমন্ত্ৰণী পত্ৰ ফাদিল হোৱাৰ পাছত কৰ'না বিধি উলংঘনৰে তলাবন্ধত চৰকাৰী বাসগৃহত ১০০ ৰো অধিক লোকক লৈ সুৰাৰ পাৰ্টিৰ আয়োজনক লৈ পুনৰ বিতৰ্কৰ সন্মুখীন হ'ল ব্ৰিটিছ প্ৰধানমন্ত্ৰী।

# চিনামৰা মহাবিদ্যালয়ৰ বাৰ্ষিক বঁটা ঘোষণা

**■ দধি মহন্ত ৰাষ্ট্ৰীয় বঁটা ইতিহাসবিদ ড° সুৰেশ কুমাৰলৈ ■ ড° অৰুনী ভাগৱতীলৈ হোমেশ্বৰ দেৱশৰ্মা ৰাজ্যিক শ্ৰেষ্ঠ বঁটা**

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১২ জানুৱাৰী ঃ** যোৰহাট জিলাৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান চিনামৰা মহাবিদ্যালয়ে প্ৰতি বছৰে আগবঢ়াই অহা ৰাষ্ট্ৰীয় বঁটাসমূহ এই বৰ্ষৰ বাবে ঘোষণা কৰিছে। এইবাৰ অষ্টম বৰ্ষৰ বাবে এই ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটাসমূহ প্ৰদান কৰা হ'ব। চিনামৰা মহাবিদ্যালয়ৰ মোহন চন্দ্ৰ মহন্ত অধ্যয়ন গৱেষণা কেন্দ্ৰ আৰু চিনামৰা মহাবিদ্যালয় শাখা সাহিত্য সভা আৰু প্ৰকাশনৰ উদ্যোগত এই বঁটাসমূহ বিগত সাত বছৰে প্ৰদান কৰি অহা হৈছে। মোহন চন্দ্ৰ মহন্ত অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰই এই বৰ্ষৰ বাবে দধি মহন্ত সোঁৱৰণী ৰাষ্ট্ৰীয় বঁটাৰ বাবে নতুন দিল্লীৰ ভাৰতীয় ইতিহাস গৱেষণা কেন্দ্ৰৰ সহকাৰী সঞ্চালক তথা বিশিষ্ট ইতিহাসবিদ অধ্যাপক ড° সুৰেশ কুমাৰক নিৰ্বাচিত কৰিছে। তদুপৰি, অধ্যাপক ভৱানন্দ দত্ত স্মাৰক বঁটাৰ বাবে এইবাৰ ধিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান হাজৰিকা বিবেচিত হৈছে। আনহাতে, হৰিজন বন্ধু মামা কৃষ্ণনাথ শৰ্মা ৰাষ্ট্ৰীয় গৱেষণা বঁটাৰ বাবে এইবৰ্ষত ইন্দিৰা গান্ধী জনজাতীয় কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দেবীন্দ্ৰ কুমাৰ সিঙ বিবেচিত হৈছে। ইফালে, চিনামৰা মহাবিদ্যালয় শাখা সাহিত্য সভা আৰু প্ৰকাশৰ উদ্যোগত হোমেশ্বৰ দেৱশৰ্মা ৰাজ্যিক শ্ৰেষ্ঠ বঁটাৰ বাবে এইবৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰধ্যাপক ড° অৰুনী কুমাৰ ভাগৱতীক প্ৰদান কৰা হ'ব। অনুষ্ঠানত মোহন চন্দ্ৰ মহন্ত অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ তৰফৰ পৰা অসমৰ ১০গৰাকী বিশিষ্ট ব্যক্তিলৈ বিশেষ সন্মান আগবঢ়োৱা হ'ব। অৰুণাচল প্ৰদেশৰ বিশিষ্ট লেখিকা ববিতা শৰ্মা, বিশিষ্ট লোকবাদ্য শিল্পী পিংকুমনি বৰা, লোকশিল্পী মুনিন বৰা, আছাম টকছৰ সাংবাদিক পাপু কলিতা, লাহিঙৰ প্ৰধান শিক্ষক জীৱন বৰা, চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালীন ইংৰাজী শিক্ষক, শিক্ষাবিদ অশোক আচাৰ্য, প্ৰবীণ চিকিৎসাকৰ্মী ছেহিদুৰ ৰহমান, উদীয়মান চিকিৎসক টিংকুমনি বৰা, প্ৰবীণ সমাজকৰ্মী অৰুণ বেৰীয়া, সাংবাদিক দীপক দত্তক এই সন্মান জনোৱা হ'ব। অনুষ্ঠানত কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হ'ব। তদুপৰি মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত বাৰ্তালোচনী যুগবাৰ্তাও এই অনুষ্ঠানত উন্মোচন কৰা হ'ব। অহা ১৭ জানুৱাৰীৰ শিল্পী দিৱসৰ দিনা সম্পূৰ্ণ ক'ভিড বিধি মানি মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি চিনামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই সদৰী কৰিছে। সকলো কাৰ্যসূচীত শুভাকাংক্ষী ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# বৰ্তমান মহামূল্যবান হৈছে অতীত

**■ মুক্তিযোদ্ধা প্ৰয়াত গজেন্দ্ৰ নাথ তহবিলদাৰৰ জন্ম শতবৰ্ষ-২৫ বছৰীয়া মৃত্যুতিথি পালন**

**পাটাছাৰকুছি, ১২ জানুৱাৰী ঃ** 'অতীতক নাযাবা পাহৰি। এই বাক্যশাৰী যেন আজি প্ৰযোজ্য হৈছে। আজি অতীতৰ প্ৰয়োজন হৈছে। বৰ্তমান সময়ত অতীত মহামূল্যবান হৈ পৰিছে। অতীতৰ পৰম্পৰা পুনৰ প্ৰতিফলিত হৈছে। শংকৰদেৱৰ পুৰণি ৰীতি-নীতি প্ৰতিফলিত হ'ব ধৰিছে। সেই সময়ত কৰিবলৈ সম্ভৱ নোহোৱা কামটো আজিৰ আধুনিকতাৰ সা-সুবিধাৰ ফলত সহজসাধ্য হৈ পৰিছে। আজিৰ ক'ভিডৰ সজাগতাৰ বাবে ব্যৱহৃত মাস্ক পূৰ্বতে শংকৰদেৱে প্ৰচলন কৰিছিল ধৰ্মীয় ৰীতি-নীতিৰে। আমি নৱপ্ৰজন্মক এই ক্ষেত্ৰত আগবঢ়াই আনিব লাগিব। আমি জন্মস্থানৰ ধৰ্মহে ল'ব লাগিব। ধৰ্মৰ আমদানি হ'লে বিভাজন আহিব। আমি যিকোনো কাম




কৰোতে আনৰ অসুবিধাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। লগতে আমাৰ সংস্কৃতি আমি ৰক্ষা কৰিব লাগিব।' আজি নিত্যানন্দত প্ৰয়াত মুক্তিযোদ্ধা গজেন্দ্ৰ নাথ তহবিলদাৰৰ জন্ম শতবাৰ্ষিকীৰ লগতে ২৫ বছৰীয়া মৃত্যু তিথি পালনৰ উদ্দেশ্যে অনুষ্ঠিত স্মৃতিচাৰণ সভাত দিয়া ভাষণত 'দৈনিক অসম'ৰ কাকতৰ কাৰ্যবাহী সম্পাদক দিলীপ মহন্তই। উক্ত সভাত অংশগ্ৰহণ কৰি জ্যেষ্ঠ সাংবাদিক অঞ্জন শৰ্মাই কয় যে পিতৃ-মাতৃ, জ্যেষ্ঠজন তথা গুৰুজনক সন্মান কৰে তেতিয়াহে এখন আদৰ্শ সমাজ গঢ়ি উঠে। গজেন্দ্ৰ নাথ তহবিলদাৰে সমাজ তথা দেশৰ মুক্তিৰ কাৰণে ব্ৰিটিছৰ বিৰুদ্ধে যুঁজ কৰিছিল। এনে ভাল কামৰ সদায় স্বীকৃতি আছে। উক্ত সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ কুমাৰ দাসে ক'ভিড সজাগতাৰ বিষয়ে ৰাইজক কয়। বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জগদীশ চৌধুৰীয়ে আঁতধৰা সভাত দামোদৰদেৱ সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীয়ে প্ৰয়াত গজেন্দ্ৰ নাথ তহবিলদাৰৰ জীৱনৰ বিষয়ে আলোকপাত কৰে। সভাত বজালী গোবিন্দ ভৱন গীতা সত্ৰৰ সত্ৰাধিকাৰ কৰুণাকান্ত নাথ, বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ অধিকাৰী, বড়োলেণ্ড টেৰিটোৰিয়েল লেজিচলেটিভ এচেম্বলিৰ অধ্যক্ষ কাতিৰাম বড়ো, টিচিএলচিচি-ৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়েও ভাষণ দিয়ে। ইয়াৰ আগেয়ে পুৱা প্ৰয়াত মুক্তিযোদ্ধা গজেন্দ্ৰ নাথ তহবিলদাৰৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায় তেওঁৰ পত্নী প্ৰজ্ঞা তহবিলদাৰে । উল্লেখ্য যে শিক্ষক তথা আদৰ্শ খেতিয়ক প্ৰয়াত মুক্তি যোদ্ধা গজেন্দ্ৰ নাথ তহবিলদাৰে নিত্যানন্দ প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা, বজালী হাইস্কুলৰ পৰা প্ৰৱেশিকা, কটন কলেজৰ পৰা আই এ আৰু বি এ, কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম এ আৰু এলাহাবাদ আইন মহাবিদ্যালয়ৰ পৰা আইনৰ শিক্ষা লৈছিল; কিন্তু স্বাস্থ্যজনিত কাৰণত আইন শিক্ষা আধাতে এৰি ঘৰলৈ উভতি আহিবলগা হৈছিল। তেওঁ সেই সময়ত নিত্যানন্দ অঞ্চলত একমাত্ৰ আসাম ট্ৰিবিউনৰ পঢুৱৈ তথা গ্ৰাহক আছিল। সভাত কেবাগৰাকীও স্থানীয় ব্যক্তিয়ে তেওঁৰ স্মৃতি ৰোমন্থন কৰি চমু ভাষণ দিয়ে।

# কোচ ৰাজবংশী সংগ্ৰাম সমিতি-বহুভাষিক কবি সন্মিলনৰ ভোগালী বিহুৰ ওলগ

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১২ জানুৱাৰী ঃ** আগন্তুক মাঘ বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে কোচ ৰাজবংশী সংগ্ৰাম সমিতি আৰু অসম বহুভাষিক কবি সন্মিলনে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক শুভেচ্ছা বাৰ্তাৰ জৰিয়তে কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি, সমাজ সংগঠক ৰূপজ্যোতি দত্তই উল্লেখ কৰে যে 'মাঘৰ মেজিৰ জুয়ে সমাজৰ পৰা অপায়-অমংগল নিলগাই জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সমগ্ৰ অসমবাসীলৈ সুখ-সমৃদ্ধি আৰু সাফল্যৰে ভৰা প্ৰতিশ্ৰুতিৰ বতৰা কঢ়িয়াই অনাৰ আশা প্ৰকাশ কৰাৰ লগতে অসমৰ সহজ-সৰল ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে ন্যায্য প্ৰাপ্য মৰ্যাদা লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰিছে। আনহাতে, আন এক শুভেচ্ছা বাৰ্তাযোগে অসম বহুভাষিক কবি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, কবি ৰূপজ্যোতি দত্তই, 'সমগ্ৰ অসমবাসীলৈ ভোগালী বিহু উপলক্ষে প্ৰীতি-শুভেচ্ছা জ্ঞাপন কৰি 'মাঘৰ মেজিৰ অগ্নিৰ উত্তাপে নতুন প্ৰত্যয় জন্মাই জাতি, বৰ্ণ, ধৰ্ম, ভাষা নিৰ্বিশেষে সৰ্বস্তৰৰ জনতাৰ জনাৰ্দনৰ বিপদ-বিঘিনি আঁতৰাই হাঁহি আৰু আনন্দৰে ভৰা শুভদিনৰ সূচনা কৰিব বুলি আশা ব্যক্ত কৰিছে।

# গোৱালপাৰাৰ বদাহপুৰত সমূহীয়া মৎস্য চিকাৰ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ জানুৱাৰী ঃ** ভোগালী বিহুৰ উৰুকা উপলক্ষে গোৱালপাৰা জিলাৰ বদাহপুৰৰ ৰাভাপাৰৰ ৰাইজে আজি পুৱাই সমূহীয়াভাৱে মৎস্য চিকাৰ কৰে। সকলোৱে লগে-ভাগে এসাঁজ তৃপ্তিৰে খোৱাৰ উদ্দেশ্যে গাঁওখনত থকা ৰাজহুৱা পুখুৰীত মাছ ধৰি ৬৬টা পৰিয়ালে সমানে সমানে ভগাই লয়। এই মাছ ধৰা পৰ্বত গাঁওখনৰ পুৰুষ-মহিলাৰ লগতে কণ কণ শিশুৰেও অংশগ্ৰহণ কৰে।

# মোৰাঝাৰৰ গ্ৰামাঞ্চলত অব্যাহত মাতব্বৰৰ ৰাজত্ব

**■ মাতব্বৰৰ বিৰুদ্ধে থানাত গোচৰ দি নিৰাপত্তাহীনতাত**

**■ ন্যায় বিচাৰি আৰক্ষী অধীক্ষকৰ দ্বাৰস্থ দম্পতী**

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১২ জানুৱাৰী ঃ** ৰাজ্যৰ গ্ৰামাঞ্চলৰ একাংশ ঠাইত প্ৰশাসনৰ সমান্তৰালকৈ মাতব্বৰে চলাইছে ৰাজত্ব। সাধাৰণ লোকে মাতব্বৰৰ কথা নুশুনিলে আইন হাতত লৈ 'মৰেল পুলিচ'ৰ দৰে কাণ্ড কৰে মাতব্বৰে। তেনে এক ঘটনা সংঘটিত হৈছে হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত চাৰিং পথাৰৰ পিৰ বজাৰ অঞ্চলত। একাংশ মাতব্বৰে দুৰ্বৃত্তৰ দৰে মাজনিশা নিৰীহৰ ঘৰত প্ৰৱেশ কৰি গুৰুলা-গুৰুলকৈ মাৰপিট কৰি লুটপাট কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ঘটনা সংক্ৰান্তত থানাত গোচৰ দি এতিয়া একপ্ৰকাৰ নিৰাপত্তাহীনতাত ভুগি আতংকিত হৈ দিন পাৰ কৰিবলগীয়া হৈছে ভুক্তভোগী নিৰীহ পৰিয়ালটিয়ে। উপায়হীন হৈ হোজাই আৰক্ষী অধীক্ষকৰ দ্বাৰস্থ হোৱাৰ লগতে ন্যায় বিচাৰি কাতৰ অনুৰোধ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ। অভিযোগ অনুসৰি, ভুক্তভোগী জিয়াউদ্দিন আৰু তেওঁৰ পত্নীৰ স'তে কিছুদিন পূৰ্বে পাৰিবাৰিক কন্দল লাগি সামাজিক আৰু আদালতৰ জৰিয়তে মীমাংসা হৈ সংসাৰ চলাই গৈছিল। বিষয়টো নিষ্পত্তি হ'লেও অজ্ঞাত কাৰণত মাতব্বৰৰ ৰোষত পৰে দম্পতীহাল। একাংশ মাতব্বৰৰ নেতৃত্বত মাজনিশা ঘৰৰ ভিতৰত প্ৰৱেশ কৰি লুটপাট কৰি আক্ৰমণ কৰাৰ অভিযোগ ভুক্তভোগীৰ। বিগত ১৮ ডিচেম্বৰৰ নিশা এই ঘটনা সংঘটিত হয়। দুৰ্বৃত্তৰ দলে চাৰিংপথাৰৰ জিয়াউদ্দিনৰ ঘৰত প্ৰৱেশ কৰি আক্ৰমণ কৰাৰ লগতে লুটপাট চলায়। ফলত, পত্নীসহ জিয়াউদ্দিন গুৰুতৰভাৱে আহত হয়। উক্ত নিশাই আৰক্ষীক খবৰ দিয়াত আৰক্ষী অহাৰ উমান পাই পলায়ন কৰে দুৰ্বৃত্তৰ দলটো। ভুক্তভোগীৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৬৮৭/২১ নম্বৰত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰে। ভুক্তভোগীয়ে অভিযোগ কৰা মতে, পৰিৱাৰিক কন্দলৰ বাবেই সম্পৰ্ক বিচ্ছেদ হৈছিল দুয়ো স্বামী-স্ত্ৰীৰ। দুয়োৰে সম্পৰ্ক বিচ্ছেদ হোৱাত পুনৰ সামাজিক আৰু আইনগতভাৱে স্বামী-স্ত্ৰীৰ সম্পৰ্ক গঢ় লৈ উঠে। কিন্তু দুয়োৰে এই সম্পৰ্ক মানি ল'ব বিচৰা নাই গাঁওখনৰ একাংশ মাতব্বৰে। এই মাতব্বৰে ভুক্তভোগীক গাঁৱৰ পৰা বহিষ্কাৰ কৰাৰ নিৰ্দেশ দিয়ে। কিন্তু এই নিৰ্দেশ মানি নোলোৱাত মাজনিশা ঘৰৰ ভিতৰত প্ৰৱেশ কৰি দুয়োকে শাৰীৰিকভাৱে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন কৰে। সমগ্ৰ ঘটনা সন্দৰ্ভত ভুক্তভোগীয়ে মোৰাঝাৰ থানাত গোচৰ ৰুজু কৰে যদিও আজি পৰ্যন্ত ন্যায় লাভ কৰা নাই। ইফালে, অভিযুক্তসকল মুকলিকৈ ঘূৰি ফুৰি ওলোটাই ভুক্তভোগীক বিভিন্ন ধৰণৰ ভাবুকি প্ৰদান কৰাৰ অভিযোগ উঠিছে। থানাত গোচৰ দিয়াৰ বাবেই চক্ৰটোৱে অধিক ভয়-ভাবুকি দিয়াৰ লগতে ষড়যন্ত্ৰত লিপ্ত হোৱাৰ অভিযোগ কৰিছে দম্পতীহালে। উপায়হীন হৈ অৱশেষত হোজাই আৰক্ষী অধীক্ষকৰ দ্বাৰস্থ হোৱাৰ লগতে পৰিয়ালটিয়ে মুখ্যমন্ত্ৰীক উচিত ন্যায় দিবলৈ কাতৰ আহ্বান জনাইছে। মোৰাঝাৰ আৰক্ষীৰ পৰা ন্যায় লাভ নকৰিলে মানৱ অধিকাৰ আয়োগৰ দ্বাৰস্থ হোৱাৰ হুংকাৰ দিছে জিয়াউদ্দিনে।

# দোমনী আঞ্চলিক নাথ-যোগী ছাত্ৰ সন্থা গঠন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ জানুৱাৰী ঃ** পূব গোৱালপাৰাৰ দোমনী আঞ্চলিক নাথ-যোগী ছাত্ৰ সন্থাৰ এখন নতুন কমিটী গঠন কৰা হৈছে। এই উপলক্ষে হেমেন নাথৰ সঞ্চালনাত তথা জিলা নাথ-যোগী ছাত্ৰ সন্থাৰ সভাপতি হৃদয়নন্দ নাথৰ উপস্থিতিত দোমনী মধ্য ইংৰাজী বিদ্যালয়ত যোৱা সাত জানুৱাৰীত এখন সভা অনুষ্ঠিত হয়। সভাত নাৰায়ণ নাথক সভাপতি আৰু লক্ষীনাৰায়ণ নাথক সম্পাদক হিচাপে লৈ দোমনী আঞ্চলিক নাথ-যোগী ছাত্ৰ সন্থাৰ এখন ২১ জনীয়া সমিতি গঠিত হয়।

# লখিমপুৰৰ বিভিন্ন সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ যুৱ মঞ্চৰ

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১২ জানুৱাৰী ঃ** বিভিন্ন জ্বলন্ত সমস্যাৰে জৰ্জৰিত লখিমপুৰ জিলাৰ সমস্যাসমূহ সমাধানৰ হকে বিভিন্ন দল-সংগঠনে সময়ে সময়ে দাবী জনাই আহিছে। প্ৰতিবাদ, আন্দোলন, স্মাৰকপত্ৰ প্ৰদান কৰি আহিছে যদিও সমস্যাসমূহ সমাধানত চৰকাৰে গুৰুত্ব দিয়া নাই। এই লৈ মুখ্যমন্ত্ৰীলৈ পুনৰ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে অসমীয়া যুৱ মঞ্চই। জিলাখনৰ সীমান্তৱৰ্তী অঞ্চলৰ বিবদমান সীমা সমস্যাৰ সমাধান, সংৰক্ষিত বনাঞ্চলৰ বনজ সম্পদ ৰক্ষা কৰা আদি বিভিন্ন দাবীত অসমীয়া যুৱ মঞ্চই যোৱা ১১ জানুৱাৰীত মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। মঞ্চৰ জিলা সভাপতি চিৰঞ্জীত বৰদলৈ আৰু আঞ্চলিকৰ সভাপতি দিপাংকৰ নাথ স্বাক্ষৰিত আৰু জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰখনত উল্লেখ কৰা হয় যে লখিমপুৰৰ সংৰক্ষিত দুলুং বনাঞ্চলত বনজ সম্পদ ধ্বংস কৰা হৈছে। ঘাইকৈ একাংশ অৰুণাচলী লোকে বেদখল কৰাৰ উপৰি মূল্যবান গছ-বন কাটি ধ্বংস কৰাৰ লগতে বন্য জীৱ-জন্তুৰ চোৰাংচিকাৰ কৰিছে। দুৰ্বৃত্তৰ কবলৰ পৰা এই বনাঞ্চলখন ৰক্ষা কৰাত চৰকাৰে গুৰুত্ব দি ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আনহাতে, জিলাখনৰ সীমান্তৱৰ্তী বহু অঞ্চলত দীৰ্ঘদিন ধৰি সীমা সমস্যা অব্যাহত আছে। যাৰ বাবে এনে বিবদমান অঞ্চলত প্ৰায়েই অশান্তিৰ সূত্ৰপাত ঘটি আহিছে। সেয়ে সীমা সমস্যাটোৰ সমাধানত মুখ্যমন্ত্ৰীয়ে পোনপটীয়াকৈ হস্তক্ষেপ কৰিব লাগে। ইয়াৰ উপৰি যোৱা ১২টা বছৰে নিৰ্মাণ সম্পূৰ্ণ হৈ নুঠিল লখিমপুৰৰ বাইপাছ। বাইপাছ নিৰ্মাণৰ নামত একাংশ দুৰ্নীতিগ্ৰস্তই কোটি কোটি টকা আত্মসাৎ কৰাৰ অভিযোগ তুলি স্মাৰকপত্ৰৰ জৰিয়তে ইয়াৰ ওপৰত এক তদন্তৰো দাবী জনোৱা হৈছে।

# গোসাঁইগাঁৱত ৰাষ্ট্ৰীয় যুৱ দিৱস পালন




**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১২ জানুৱাৰী ঃ** আজি ৰাষ্ট্ৰীয় যুৱ দিৱসত পালন কৰা হয় স্বামী বিবেকানন্দৰ ১৫৯ সংখ্যক জন্মদিন। যুৱ সমাজ যাতে স্বামীজীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ তেওঁ দেখাই দিয়া পথ অনুসৰণ কৰি সেই পথৰ যাত্ৰী হ'ব পাৰে তাৰ বাবেই এই যুৱ দিৱস উদ্‌যাপন কৰা হয়। গোসাঁইগাঁও ৰামকৃষ্ণ সেৱাশ্ৰমত ৰাষ্ট্ৰীয় যুৱ দিৱস পালন কৰা হয়। গোসাঁইগাঁও ৰামকৃষ্ণ সেৱাশ্ৰমৰ সভাপতি দেৱাশীষ দে আৰু সম্পাদক নিতাই মল্লিকে উল্লেখ কৰা মতে কণ কণ ল'ৰা-ছোৱালী তথা যুৱ সমাজক স্বামীজীৰ আদৰ্শৰে গঢ়ি তুলিবলৈ এই উৎসৱৰ আয়োজন কৰা হৈছে। উক্ত উৎসৱৰ স'তে সংগতি ৰাখি সেৱাশ্ৰম প্ৰাংগণত ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়।

# ৰঙাঘৰৰ আলহী ৰাক্ষসিনীৰ পত্নী হত্যাত অভিযুক্ত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ জানুৱাৰী ঃ** নিজৰ পত্নীক বাটামেৰে কোবাই হত্যা কৰি ৰঙাঘৰৰ আলহী হ'বলগীয়া হৈছে গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ৰাক্ষসিনী গাৰোপাৰাৰ মনোৱাৰ হুছেইন। প্ৰাপ্ত অভিযোগ অনুসৰি ৰাক্ষসিনী দ্বিতীয় খণ্ড (গাৰোপাৰা)ৰ আইনাল হকৰ পুত্ৰ মনোৱাৰ হুছেইন (৩০)-এ পত্নী তথা তিনি কন্যা সন্তানৰ মাতৃ আবিদা খাতুন (২৮)ক কাঠৰ বাটামেৰে কোবাই যোৱা দুই জানুৱাৰীৰ পুৱা আঠ বজাত মূৰ ফালি দিয়ে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ অজ্ঞান হৈ পৰা আবিদাক লগে লগে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। কিন্তু প্ৰয়োজনীয় চিকিৎসা নকৰি যোৱা ১০ জানুৱাৰীৰ নিশা দুই বজাত ঘৰলৈ ওভতাই অনাৰ পাছতে আবিদাৰ মৃত্যু হয়। এই সন্দৰ্ভত আবিদাৰ মাতৃ মাজেদা বেগমে মনোৱাৰৰ লগতে তেওঁৰ পিতৃ আৰু দুই ভ্ৰাতৃৰ বিৰুদ্ধে মৰনৈ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি)/৩০২ ধাৰাত ০৫/২০২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি পত্নী হত্যাকাৰী মনোৱাৰক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে।

# জালুকবাৰীৰ গন্ধমৌত নৈশ সান্ধ্য আইন ধোঁৱাচাঙত

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১২ জানুৱাৰী ঃ** ৰাজ্যত ক্ৰমাগতভাৱে বৃদ্ধি পোৱা ক'ভিড আৰু অ'মিক্ৰনৰ প্ৰতিৰোধৰ বাবে নিশা ১০ বজাৰ পৰা পুৱা ছয় বজালৈ সান্ধ্য আইন জাৰি কৰিছে ৰাজ্য চৰকাৰে। লগতে দিনৰ ভাগতো প্ৰতিৰোধৰ বিভিন্ন নীতি-নিৰ্দেশনা বলৱৎ কৰিছে। এই সকলোকে জলাঞ্জলি দি এচাম সমাজ বিৰোধীয়ে উঠি পৰি লাগি পৰিছে আইন ভংগত। তাৰ ভিতৰত জালুকবাৰীৰ গন্ধমৌত পুৱতি নিশাৰ পৰা অগণন লোকে ভিৰ কৰে স্থানীয় এখন মাছ বজাৰত। প্ৰায় এশখনতকৈ অধিক বাহন আৰু শতাধিক লোকৰ সমাগম হয় উক্ত স্থানত। কোনো ধৰণৰ ক'ভিড বিধি মানি নচলি সমাজলৈ কঢ়িয়াই আনিছে সংশয়। পুৱতি নিশাৰ পৰা প্ৰায় সাত বজালৈ চলা উক্ত মাছ বজাৰখনৰ পৰাই বিভিন্ন অঞ্চললৈ ক'ভিড সংক্ৰমণৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। কোনো ধৰণৰ মাস্ক পৰিধান নকৰি নাই কোনো সামাজিক দূৰত্ব। এনে পৰিৱেশে সচেতন মহলক চিন্তিত কৰি তুলিছে। উক্ত সমষ্টিটোত বিৰাজ কৰা এনে পৰিবেশে লজ্জানত কৰিছে সমষ্টিবাসীক। অতি শীঘ্ৰে বজাখনক নীলমৰ আওতাত আনিবলৈ মুখ্যমন্ত্ৰীক দাবী জনাইছে সচেতন ৰাইজে। আনহাতে, নৈশ সান্ধ্য আইনৰ সময়ছোৱাত সমষ্টিটোৰ আজ্ঞাঠুৰীৰ ব্ৰহ্মপুত্ৰৰ বালিচৰৰ পৰা তিনিশতকৈ অধিক ডাম্পাৰে অঞ্চলটোৰ বিভিন্ন অঞ্চললৈ কঢ়িয়াই আছে মাটি। যিটো সময়ত ৰাজ্যত অনাকাংক্ষিত বিপদৰ প্ৰতিৰোধৰ বাবে জাৰি কৰিছে নৈশ সান্ধ্য আইন সেই সময়তে গোটেই নিশা এনেদৰে আইনক আংগুষ্ঠ প্ৰদৰ্শন কৰি ডাম্পাৰে মাটি কঢ়িয়াই থকা কাৰ্যক সহজভাৱে ল'ব পৰা নাই সাধাৰণ ৰাইজে।


**শপতনামা**

মই শ্ৰীসিদ্ধাৰ্থ কুমাৰ বণিয়া, বয়স ৩৭ বছৰ, পিতা-শ্ৰীলাৱণ্য ধৰ বণিয়া, সাং-জটিয়া, উপ-পথ নম্বৰ-৩, ঘৰ নম্বৰ-৭, গুৱাহাটী-৬, কামৰূপ (মহানগৰ), জিলা, অসম একেজনেই হয় যাৰ সোঁৱৰণী নাম শ্ৰীযুগল কিশোৰ দত্ত বণিয়া যিটো চৰকাৰী নোটাৰীয়ে এখন শপতনামা নম্বৰ-১০৮৩-এ তাৰিখ-১২-০১-২০২২ যোগে প্ৰত্যায়িত কৰি দিছে আৰু সকলো যোগাযোগতে মোৰ নাম আৰু ঠিকনা শ্ৰীসিদ্ধাৰ্থ কুমাৰ বণিয়া হিচাপেই বিবেচিত হ'ব।



**স্পষ্টীকৰণ**

যোৱা ৭ জানুৱাৰীত 'দৈনিক অগ্ৰদূত' আৰু ৯ জানুৱাৰীত 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'লক্ষীপুৰত শিক্ষয়িত্ৰীৰ বিৰুদ্ধে ভূমি বেদখলৰ অভিযোগ' শীৰ্ষক বাতৰিটো মোৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটোত উল্লেখ কৰা মতে মই কোনো ধৰণৰ ভূমি বেদখল কৰা নাই। সম্পূৰ্ণ যুক্তিহীন আৰু ভিত্তিহীন কথাৰে সুভাষ চক্ৰৱৰ্তী আৰু অভিদেৱ চক্ৰৱৰ্তীয়ে মোক মানসিক নিৰ্যাতনৰ প্ৰচেষ্টা কৰিছে। বাতৰিটোত উল্লেখ কৰা জমিখিনি লৈ গোৱালপাৰা মুনচিফ আদালতত (case no-14/2021/ic/TS/No-6/2021) আৰু দেৱানী আদালতত (suit/24/201) গোচৰ চলি আছে। সুভাষ চক্ৰৱৰ্তী আৰু অভিদেৱ চক্ৰৱৰ্তী দুয়ো মিলি মোক মোৰ ৪৫ বছৰ ধৰি বসবাস কৰি থকা ঘৰ মাটিৰ পৰা বেদখলৰ ষড়যন্ত্ৰ কৰি মোৰ ওপৰত বিভিন্ন ধৰণৰ নিৰ্যাতন চলাই আহিছে। ফলস্বৰূপে উপায়হীন হৈ ন্যায়ৰ আশাত মই মহামান্য আদালতৰ দ্বাৰস্থ হ'বলৈ বাধ্য হৈছো।

**অঞ্জলি চক্ৰৱৰ্তী,**
**লক্ষীপুৰ, গোৱালপাৰা।**


# আজাৰাত ফেচবুক গ্ৰুপ 'সাহিত্যৰ পৃথিৱী'ৰ প্ৰথম বাৰ্ষিক অধিবেশনৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১১ জানুৱাৰী ঃ** যোৱা ন জানুৱাৰীত আজাৰা ৰাজহুৱা সভা ঘৰ প্ৰাংগণত ফেচবুক গ্ৰুপ 'সাহিত্যৰ পৃথিৱী'ৰ প্ৰথম বাৰ্ষিক অধিবেশন দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। গ্ৰুপৰ স্থায়ী সভাপতি শোভন কুমাৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে সাহিত্য একাডেমী বঁটাপ্ৰাপক বিশিষ্ট সাংবাদিক আৰু ঔপন্যাসিক অনুৰাধা শৰ্মা পূজাৰী প্ৰমুখ্যে পাণ্ডু কলেজৰ ইংৰাজী বিভাগৰ প্ৰবক্তা তথা সমালোচক অভিজ্ঞান অনুৰাগ, বিশিষ্ট কবি-লেখক-সুসংগঠক হৃদয় পাটগিৰি, শিক্ষাবিদ সু-লেখিকা, সমাজকৰ্মী শ্ৰীনঞ্জু দত্ত, সাহিত্যিক বিনীতা দেৱী বৰুৱা দাসে। এই সভাতেই কে'বাখনো গ্ৰন্থও উন্মোচন কৰা হয়। অনুষ্ঠানত অসমৰ বিভিন্ন জিলাৰ কে'বাগৰাকী কবিয়ে স্বৰচিত কবিতা পাঠ কৰাৰ লগতে বহুকেইজন শিল্পীয়ে গীত পৰিৱেশন কৰি পৰিৱেশ জীপাল কৰি তোলে।

# ঢেঁকীৰ চাবত অঞ্চল কঁপাই ভোগালীক আদৰিবলৈ সাজু মৰিগঞা ৰাইজ

**■ মৰিগাঁৱত ক'ভিড পৰিস্থিতিৰ মাজতো ভোগালীৰ উছাহৰ ধল**

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১২ জানুৱাৰী ঃ** অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুলৈ মাজত মাথো কেইঘন্টামান বাকী। ক'ভিডৰ আতংকময় পৰিস্থিতিৰ মাজতো অসমীয়াই হেঁপাহৰ ভোগালী বিহুক আদৰিবলৈ ইতিমধ্যে সাজু হৈ উঠিছে। ৰাজ্য চৰকাৰে জাৰি কৰা ক'ভিড নিৰ্দেশনা মানি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালীক আদৰাৰ প্ৰস্তুতি চলোৱাৰ সমান্তৰালকৈ মৰিগাঁৱটো ভোগৰ ভোগালীক মৰিগঞা ৰাইজে আদৰিবলৈ সাজু হৈ উঠিছে। দুটাকৈ বৰ্ষ ক'ভিডে ত্ৰাসৰ সৃষ্টি কৰি অহা পাছত মৰিগঞা কৃষকে আঘোণতে



সোণগুটি চপাই হেঁপাহৰ ভোগালী বিহুলৈ আনন্দৰে অপেক্ষা কৰি অহা পৰিলক্ষিত হৈছে। জিলাখনৰ বিভিন্ন অঞ্চলত ভোগালী বিহুক লৈ জীয়ৰী-বোৱাৰীসকল এতিয়া প্ৰায় ব্যস্ত। মৰিগঁঞা ৰাইজৰ দিনে নিশাই ঢেঁকীৰ শব্দই চৌদিশে যেন ভোগালীৰ বতৰা কঢ়িয়াই আনিছে। কৃষকে মাছুৰি, জহা, বৰা, ৰঞ্জিত, মাকৰি, আইজং আদি বিভিন্ন ধানেৰে কৃষকৰ সপোনৰ ভঁৰালটো ভৰাইছে। তদুপৰি অসমৰ বিভিন্ন প্ৰান্তৰ গ্ৰামাঞ্চলৰ লগতে মৰিগঞা ৰাইজৰ মাজত ঘৰে ঘৰে আঘোণৰ পৰা ন-খোৱা, চুঙা পিঠা বনাই খোৱা পৰ্ব ইতিমধ্যে শেষ কৰিছে। উল্লেখ্য যে আঘোণ সোমোৱাৰ লগে লগে ধৰাৰ বুকুত শীতৰ আগমন ঘটে। মৰিগাঁও জিলাৰ অন্তৰ্গত মিকিৰভেটা, দলৈচুৱা, দন্দুৱা, ভুৰবন্ধা, বাৰপূজীয়া, চৰাইবাহী, বৰভগীয়া, কাচধৰা, বৰঙাবাৰী, কাঁহিবাৰী, গেৰুৱা, দমাল আদিৰ দৰে বিভিন্ন অঞ্চলসমূহত এতিয়া ডেকাসকল পথাৰত নৰা কাটি ভেলা ঘৰ, মেজি বনোৱাত ব্যস্ত। বহুতো অঞ্চলত ইতিমধ্যে ভেলা ঘৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। পৰম্পৰাগতভাৱে জাকপাতি গঞাঁ জীয়ৰী-বোৱাৰীৰ ঢেঁকীৰ চাবত সান্দহ, কৰাইগুড়ি, বৰা চাউলৰ পিঠাগুড়ি আদি খুন্দি প্ৰায় শেষ কৰিছে। এতিয়া তিল পিঠা, নাৰিকল পিঠা, লাডু আদি পৰম্পৰাগত পিঠা-পনা বনোৱাত ভীষণ ব্যস্ত। উল্লেখনীয় যে বিজ্ঞানৰ অগ্ৰগতিয়ে ঢেঁকীত পিঠাগুড়ি খুন্দা কাৰ্যকমণিকাকে সলনি কৰি পেলালেও গঞাঁ ৰাইজে ইঘৰে-সিঘৰে লগ হৈ ঢেঁকীত পিঠাগুড়ি খুন্দি, পিঠা-পনা,লাডু বনাই এক সামাজিকভাৱে একতাৰ দোলেৰে বান্ধ খাই ভোগালী বিহুক আদৰাৰ প্ৰস্তুতি পৰম্পৰাগতভাৱে চলাই নিছে।


**ASSAM SEEDS CORPORATION LTD.**

**KHANAPARA, GUWAHATI-22**

**E-Procurement Notice**

The Managing Director Assam Seeds Corporation Ltd., Khanapara, Guwahati, Assam invites bids in electronic tendering system from eligible bidders for **empanelment of suppliers for supply of different seeds** as mentioned in the bid document. The bidding document is available online and the bid should be submitted online on website https://assamtenders.gov.in

**Date of release of Invitation for Bids through e-procurement:** 13th January 2022 from 4:00 PM.

**Availability of bid documents and mode of submission:** The bid document is available online from 13th January 2022 from 4:00 PM. and the bid should be submitted online in https://assamtenders.gov.in. The bidder would be required to register in the web-site which is free of cost. For submission of the bids the bidder is required to have digital signature certificate (DSC) from one of the authorized certifying authorities (CA) as indicated in the website: https://assamtenders.gov.in.

Last date/ time for receipt of bids through e-procurement: **27th January 2022 at 4:00 PM**

For further details please log on to **https://assamtenders.gov.in**

SD/-
Managing Director, ASC Ltd.
Khanapara, Guwahati-22

Jansanyog/CF/2847/21

## ■ ধোঁৱাচাঙত চৰকাৰী ক'ভিড বিধি ■ প্ৰশাসনৰ নিৰ্দেশনাকো ভেঙুচালি

# মাস্ক-সামাজিক দূৰত্ব অবিহনেই নিৰ্বাচনৰ প্ৰচাৰ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১২ জানুৱাৰী ঃ** বৰ্তমান সময়ত যেন চৰকাৰী ক'ভিড বিধিক লৈ এনে এক পৰিৱেশেই সূচনা হৈছে ৰাজ্যখনত। এফালে শেহতীয়া চৰকাৰী বিধি-বিধানৰ বাবে ৰাজপথলৈ ওলালেই জৰিমনা ভৰিছে সাধাৰণ ৰাইজে, আনফালে চৰকাৰী আৰু দলীয় সভা পাতিবলৈ গৈ প্ৰতি মুহূৰ্ততে ক'ভিডৰ নীতি-নিৰ্দেশনাসমূহ ব্যাপকহাৰত ভংগ কৰিছে মন্ত্ৰী-বিধায়কসকলে। বিশেষকৈ বৰ্তমান সময়ত ৰাজ্যখনত অব্যাহত থকা ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানত একপ্ৰকাৰ ধোঁৱাচাঙত উঠিছে ক'ভিডৰ চৰকাৰী নীতি-নিৰ্দেশনা। পৰিষদীয় প্ৰতিটো সমষ্টিতে অনুষ্ঠিত নিৰ্বাচনী সভাসমূহত নামমাত্ৰও পালন কৰা হোৱা নাই চৰকাৰে শেহতীয়াকৈ জাৰি কৰা ক'ভিডৰ নীতি-নিৰ্দেশনা। শ শ দলীয় কৰ্মী আৰু সাধাৰণ ৰাইজ সমবেত হোৱা নিৰ্বাচনী সভাসমূহ দেখিলে এনে অনুভৱ হ'ব যে ক'ভিডক লৈ যেন চিন্তিত হোৱাৰ কোনো কাৰণেই নাই। কিয়নো নিৰ্বাচনী সভাসমূহৰ ৯৯ শতাংশ লোকৰ মুখতেই নাই মাস্ক, তিলমানো মানি চলা পৰিলক্ষিত নহয় সামাজিক দূৰত্ব। সাধাৰণ ৰাইজৰ কথাটে বাদেই, মঞ্চৰ ওপৰতো নিৰ্দিষ্ট দুই-এজনৰ বাহিৰে অধিকাংশ দলীয় কৰ্মীয়েও মানি নচলে ক'ভিডৰ নীতি- নিৰ্দেশনাসমূহ। উল্লেখ্য যে শাসকীয় পক্ষৰ মন্ত্ৰী অজন্তা নেওগ, অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ লগতে বিৰোধী কংগ্ৰেছৰ হৈ সাংসদ গৌৰৱ গগৈ আদিয়ে প্ৰতিদিনেই ঠেঙাল কছাৰী পৰিষদীয় সমষ্টিসমূহত মাৰাথন প্ৰচাৰ সভা চলাই আছে। যি সময়ত ক'ভিড নিয়ন্ত্ৰণত স্বাৰ্থত বাপতি সাঁহোন বিহুটো উদ্‌যাপন ক্ষেত্ৰতো কেতবোৰ বাধা আৰোপ কৰা হৈছে, তেনে সময়তে খোদ চৰকাৰী মন্ত্ৰী-বিধায়কৰ এনেবোৰ কৰ্মকাণ্ডই গুৰুত্বহীন কৰি তুলিছে ক'ভিড নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়াটোক।

## শিৱসাগৰত ক'ভিড-১৯ প্ৰতিষেধকৰ সতৰ্কতামূলক পালি প্ৰদান অভিযান

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১২ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগত সোমবাৰৰ পৰা শিৱসাগৰ জিলাতো চিকিৎসক তথা স্বাস্থ্যকৰ্মী, ক'ভিড প্ৰতিৰোধ অভিযানৰ সন্মুখশাৰীৰ কৰ্মী আৰু গুৰুতৰ উপসৰ্গ থকা ৬০ বছৰৰ ওপৰৰ লোকৰ বাবে 'সতৰ্কতামূলক পালি' (তৃতীয় পালি) ক'ভিড প্ৰতিষেধক প্ৰদান আৰম্ভ কৰা হৈছে। উল্লেখ্য যে জিলাখনত ক'ভিড-১৯ প্ৰতিষেধকৰ সতৰ্কতামূলক পালি প্ৰদান অভিযানৰ বাবে বৰ্তমানলৈ ৭৬৩২ গৰাকী চিকিৎসক তথা স্বাস্থ্যকৰ্মী ক'ভিড প্ৰতিৰোধ অভিযানৰ সন্মুখশাৰীৰ কৰ্মী আৰু গুৰুতৰ উপসৰ্গ থকা ৬০ বছৰৰ ওপৰৰ লোকৰ এক লক্ষ্য স্থিৰ কৰা হৈছে। এই অভিযানৰ প্ৰথম দিনাখন জিলাখনৰ বিভিন্ন স্থানৰ ১২ টা প্ৰতিষেধক কেন্দ্ৰত প্ৰতিষেধক প্ৰদান কৰা হয়। ইয়াৰে চাৰিটা কেন্দ্ৰত ক'ভিশ্বিল্ড আৰু ক'ভাক্সিন দুয়োটা প্ৰতিষেধক প্ৰদান কৰা হয়। সেইদৰে আজিও জিলাখনৰ বিভিন্ন খণ্ডৰ ১৯ টা কেন্দ্ৰত সতৰ্কতামূলক তৃতীয় পালি প্ৰতিষেধক প্ৰদান কৰা হৈছে। উল্লেখ্য যে প্ৰথম আৰু দ্বিতীয় পালিত যিটো ক'ভিড প্ৰতিষেধক (ক'ভিশ্বিল্ড বা ক'ভাক্সিন) লৈছিল, সেই একেটা প্ৰতিষেধককেই তৃতীয় পালিত দিয়া হ'ব। এই ক্ষেত্ৰত সালসলনিকৈ কোনেও ল'ব নোৱাৰিব।



নগাঁৱত ভোগালীৰ বাবে পিঠা প্ৰস্তুতত ব্যস্ত মহিলা, বুধবাৰে।

## ক'ভিডৰ সংক্ৰমণ মহাযান বৌদ্ধ স্থানীপা সংঘৰ সন্মিলন মৌন উপবাস উপযোধ অনুষ্ঠান স্থগিত

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১২ জানুৱাৰী ঃ** কৰ'নাৰ দ্ৰুতগতিত সংক্ৰমণ বৃদ্ধি পোৱা পৰিস্থিতিৰ প্ৰতি গুৰুত্ব আৰোপ কৰি অখিল ভাৰতীয় মহাযান বৌদ্ধ স্থানীপা সংঘই ২৯ সংখ্যক বাৰ্ষিক সন্মিলন আৰু মৌন উপবাস উপযোধ অনুষ্ঠান অনিৰ্দিষ্ট সময় লৈ স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা ২৭ জানুৱাৰী লৈ চাৰিদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ভাৰত ভূটান সীমান্তৱৰ্তী সৰলপাৰাত ২৯ সংখ্যক বাৰ্ষিক সন্মিলন আৰু মৌন উপবাস উপযোধ অনুষ্ঠানৰ যো-জা চলোৱা হৈছিল। উল্লেখ্য যে কৰ'নাৰ দ্ৰুত সংক্ৰমণৰ বাবে বিগত আঠ জানুৱাৰীত জিয়াং চুব ছুইলিং গুম্পা বৌদ্ধ মঠ প্ৰাংগণত জৰুৰী বৈঠক অনুষ্ঠিত কৰি মহাগুৰু তথা সংঘৰ অধ্যক্ষৰ নিৰ্দেশ মৰ্মে কৰি সংঘই উক্ত সিদ্ধান্ত গ্ৰহণ কৰে বুলি আয়োজক কমিটীৰ সম্পাদক সন্তোষ পাখৰিনে কালি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিযোগে সদৰী কৰে।

## পিঠা-পনাৰে বিদ্যালয় চৌহদত ভোগালীৰ আনন্দ

**■ তেজপুৰ চন্দ্ৰ নাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাক ভোগালী উৎসৱ**

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১২ জানুৱাৰী ঃ** কৰ'নাই সেৰেঙা কৰা ভোগালীৰ পৰিৱেশক কালি উমাল কৰি তুলিলে তেজপুৰৰ নিকটৱৰ্তী বিহগুৰি চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত প্ৰাক ভোগালী উৎসৱে। আজি পুৱা ৯.৩০ বজাত বিদ্যালয় চৌহদত আয়োজিত এই প্ৰাক ভোগালী উৎসৱত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে বিগত ১০- ১২ দিন ধৰি অধ্যয়নৰ লগতে পথাৰৰ নৰা, বাঁহ কাটি ভেলাঘৰ সাজি আজি ভোগালী উৎসৱ উদ্‌যাপন কৰে। বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলে একেলগে ভোগালী উৎসৱ পালন কৰে এক সুন্দৰ সজীৱ পৰিৱেশত। বিহু, বাগৰুম্বা, নেপালী গীতৰে মুখৰিত হৈ পৰা বিদ্যালয়ৰ বাকৰিত ছাত্ৰ-ছাত্ৰী, শিক্ষকে নাচি বাগি ভোগালীক আদৰে। পুৱা বিদ্যালয় চৌহদৰ ভেলাঘৰৰ পৰা ওলাই অহা পৰম্পৰা সাজপোছাকৰ প্ৰতিযোগিতা আছিল আকৰ্ষণীয়। বিদ্যালয়ৰ অধ্যক্ষ্য মীনাক্ষী গোস্বামীয়ে নেতৃত্ব দিয়া থলুৱা পৰম্পৰাগত সাজপাৰ প্ৰতিযোগিতাত কাৰ্বি, বড়ো, নেপালী আদিৰ লগতে পৰম্পৰাগত অসমীয়া ধুতি-মেখেলা চাদৰ পিন্ধি ছাত্ৰ-ছাত্ৰী, শিক্ষয়িত্ৰীয়ে সাজপাৰ প্ৰতিযোগিতাত অংশ লয়। এই প্ৰতিযোগিতাত ভাৰতী নাৰ্জাৰী প্ৰথম, চিন্ময় দেৱী দ্বিতীয় আৰু তন্ময়ী দেৱীয়ে অৰ্জন কৰে তৃতীয় স্থান। আনহাতে, ছাত্ৰ-ছাত্ৰীসকলে ভেলা ঘৰতে পিঠা-পনা প্ৰস্তুত কৰা দৃশ্যই এক আকৰ্ষণীয় মাত্ৰা প্ৰদান কৰে অনুষ্ঠানটোত। ষষ্ঠৰ পৰা দ্বাদশ মানৰ ছাত্ৰ-ছাত্ৰীসকলে জেং পিঠা, পানী লাড়ু, তিল পিঠা, চুজি লাড়ু, বৰ পিঠা, চুঙা পিঠা, পিঠাগুৰি লাৰু, খোলা পিঠা, ঘিলা পিঠা, নাৰিকল লাড়ু, মহুৰা পিঠা, জোনবিৰি পিঠা আদি ভোগালীৰ পৰম্পৰাগত খাদ্য প্ৰস্তুত কৰা এই পৰিৱেশে স্বাভাৱিকতে উপস্থিত সকলোকে আকৰ্ষণ কৰে। জাতীয় সাজপোছাকৰে নিজ নিজ চৌকাত কেৰাহী, তেৰাত পিঠা পোৱা দৃশ্যই এখন সমৃদ্ধিশালী গ্ৰাম্য সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰে। উল্লেখ্য যে এই পিঠা-পনা প্ৰতিযোগিতাত পূজা দেৱীৰ দল, মানস নাথৰ দল আৰু দেৱজিৎ নাথৰ দলে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। দুয়োটা প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলক নগদ ধন আৰু বটাঁ প্ৰদান কৰা হয়।

## বৰভাগ মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষৰ যোগদান

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১২ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰভাগৰ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান বৰভাগ মহাবিদ্যালয়ত মঙলবাৰে স্থায়ী অধ্যক্ষ হিচাপে ড° বিৰিঞ্চি চৌধুৰীয়ে যোগদান কৰে। উল্লেখ্য যে সুদীৰ্ঘ বছৰ ধৰি মহাবিদ্যালয়খন স্থায়ী অধ্যক্ষ অবিহনেই চলি আহিছিল। মহাবিদ্যালখনত পূৰ্বৰ অধ্যক্ষ ড° সঞ্জয় তালুকদাৰৰ অৱসৰ গ্ৰহণৰ পাছত চাৰিগৰাকীকৈ ভাৰপ্ৰাপ্ত অধ্যক্ষই দায়িত্ব গ্ৰহণ কৰিব লগা হৈছিল। ইপিনে, বৰভাগ মহাবিদ্যালয়ত স্থায়ী অধ্যক্ষ হিচাপে ড° বিৰিঞ্চি চৌধুৰীয়ে যোগদান কৰা উপলক্ষে বৰভাগ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আদৰণি সভা অনুষ্ঠিত হয়। সভাত বৰভাগ মহাবিদ্যালয়ৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বীৰেন্দ্ৰ কুমাৰ ডেকা, অধ্যাপিকা ড° নিবেদিতা গোস্বামী, প্ৰমুখ্যে বৰভাগ মহাবিদ্যালয়ৰ প্ৰৱক্তা, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত মহাবিদ্যালয়ৰ তৰফৰ পৰা এখন ফুলাম গামোচা, ফুলাম জাপিৰে আদৰণি জনোৱা হয়। একেদৰে, বৰভাগ মহাবিদ্যালয় চৌহদৰ পৰা নৱনিযুক্ত অধ্যক্ষ ড° বিৰিঞ্চি চৌধুৰীক আদৰি নিয়া হয়।

## চামতাত আন্তঃৰাষ্ট্ৰীয় বাঁহী বাদক শিল্পী দীপক শৰ্মাৰ সুৰৰ সন্ধিয়া

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১২ জানুৱাৰী ঃ** চামতাত কালি সন্ধিয়া আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বাঁহীবাদক 'শিল্পী দীপক শৰ্মাৰ বাঁহীৰ সুৰৰ সন্ধিয়া' শীৰ্ষক এক মননশীল সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। চামতাৰ সৃষ্টি ড্ৰামা আৰু ডেন্স ফাউণ্ডেছনৰ উদ্যোগত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ মঞ্চসূৰ্য ধৰণী বৰ্মন সোঁৱৰণী প্ৰেক্ষাগৃহত সম্পন্ন অনুষ্ঠানৰ পূৰ্বে নটৰাজৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান মুকলি কৰে প্ৰেছ ক্লাবৰ সভাপতি গণেশ বৰ্মনে। জ্যেষ্ঠ সাংবাদিক, শিক্ষক ৰাজেন বৈশ্য, প্ৰৱক্তা, কবি ৰাজীৱ দত্তই আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰেছ ক্লাবৰ সম্পাদক প্ৰদীপ কুমাৰ বৰ্মনে। অনুষ্ঠানতে বাঁহীবাদক শিল্পী দীপক শৰ্মা, ভ্ৰাম্যমাণৰ বিশিষ্ট অভিনেতা নিৰ্মল দত্ত, নলবাৰী টাউন এমভি স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জিতেন্দ্ৰ নাথ শৰ্মা আৰু বিশিষ্ট বাদ্যশিল্পী অমৰজ্যোতি দত্ত, উৎপল শৰ্মাক সৃষ্টি ড্ৰামা আৰু ডেন্স ফাউণ্ডেছনৰ সঞ্চালক হিৰণ্য ৰাজে ফাউণ্ডেছনৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। মনোজ্ঞ অনুষ্ঠানত ফাউণ্ডেছনৰ শিক্ষাৰ্থীসকলে কে'বাটাও সমূহীয়া নৃত্য পৰিৱেশন কৰে। সুৰৰ সন্ধিয়া অনুষ্ঠানত ভ্ৰাম্যমাণৰ জনপ্ৰিয় অভিনেতা নিৰ্মল দত্তই দীপক শৰ্মাক লৈ ৰচিত নাট্যকাৰ সমৰেন্দ্ৰ বৰ্মনৰ 'তোৰ বাঁহৰ বাঁহীটো, তোৰ বুকুৰ হাঁহিটো' শীৰ্ষক কবিতা আবৃত্তি কৰে। অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন বাঁহীবাদক শিল্পী দীপক শৰ্মাই বাঁহীৰ সুৰেৰে অনুষ্ঠানটো জীপাল কৰি তোলে।

## কঠিয়াতলিত চুলাইৰ ভাটি উৎখাত

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১২ জানুৱাৰী ঃ** কঠিয়াতলি অঞ্চলৰ বহুকেইখন গাঁৱত অবৈধ চুলাই মদৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত থকাৰ সময়তে যোৱা ১০ জানুৱাৰীৰ নিশা কঠিয়াতলি আৰক্ষীয়ে এটা অবৈধ চুলাই ভাটি উৎখাত কৰে। উল্লেখ্য যে কঠিয়াতলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হেম চন্দ্ৰ মহন্তৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে কঠিয়াতলি জুমৰমুৰ গাঁৱত অভিযান চলাই অবৈধ চুলাই মদৰ ভাটিটো উৎখাত কৰে। আৰক্ষীয়ে এই অভিযানত চুলাই তৈয়াৰত ব্যৱহৃত কিছু সামগ্ৰী নষ্ট কৰাৰ লগতে কে'বা লিটাৰ অবৈধ চুলাই নষ্ট কৰে। অৱশ্যে আৰক্ষীৰ এই অভিযান কালত কোনো এজন লোকক আটক কৰিবলৈ সক্ষম নহ'ল।

## সভা সমাবেশ আদিৰ বাবে বঙাইগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিৰ্দেশনা

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১২ জানুৱাৰী ঃ** অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অলপতে দিয়া নিৰ্দেশনা আৰু ক'ভিড-১৯ মহামাৰীৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰাদুৰ্ভাৱ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে বঙাইগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জিলাখনত সভা-সমাৰেশ আদি অনুষ্ঠিত কৰাত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি বন্ধ স্থান বা মুকলি ঠাইত ব্যক্তিগত বা ৰাজহুৱা অনুষ্ঠান পতাত আৰু চৰকাৰী কাৰ্যালয়ৰ লগত জড়িত বা ধৰ্মীয় অনুষ্ঠান পাতিলে তাত বা সভা-সমাৰেশ আদিত (২০০ জন পৰ্যন্ত) সম্পূৰ্ণ টিকা লোৱা লোকসকলেহে উপস্থিত থাকিব পাৰিব। তদুপৰি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ আন আন নিৰ্দেশনাসমূহো জিলাখনত পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত বলৱৎ থাকিব। উক্ত নিৰ্দেশনা উলংঘা কৰিলে অসম ক'ভিড-১৯ নিয়ামক - ২০২০, ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫, মহামাৰী আইন ১৮৯৭ আৰু দেশৰ অন্যান্য প্ৰাসংগিক বিধিৰ অধীনত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বঙাইগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তৰফৰ পৰা জনোৱা হৈছে।

## নিকাছিত মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১২ জানুৱাৰী ঃ** বাগ্‌সা জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে নিকাছি হাইস্কুলত অনুষ্ঠিত হয়। অধিবেশনৰ কাৰ্যসূচী মতে, পুৱা পতাকা উত্তোলন কৰে বাগ্‌সা জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ ব্ৰহ্মই। স্মৃতি তৰ্পণ কৰে সন্থাৰ উপ-সভাপতি বাপুৰাম বড়ো আৰু প্ৰভাত চন্দ্ৰ দাসে। গছপুলি ৰোপণ কৰে নিকাছি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বদ্ৰীনাথ গুৱাগাঞীয়ে। প্ৰতিনিধি সভা মুকলি কৰে মিলন হাইস্কুল নাৰায়ণপুৰৰ প্ৰধান শিক্ষক পানীৰাম ৰামছিয়াৰীয়ে। এই প্ৰতিনিধি সভাতে পুনৰ প্ৰফুল্ল কুমাৰ ব্ৰহ্মক সভাপতি, ভৰেন্দ্ৰ নাথ কলিতা আৰু অধৰ চন্দ্ৰ দেউৰীক উপ-সভাপতি, মৃদুল কলিতাক সম্পাদক, ৰাজ্যিক সদস্য হিচাপে অসীম ডেকা আৰু ফুলচেদ আলী চৌধুৰীক নিৰ্বাচিত কৰে। প্ৰতিনিধি সভাত ৰাজ্যিক নিৰীক্ষক হিচাপে বাপন দাস আৰু হৰ কুমাৰ দেউৰীয়ে অংশ লয়। মুকলি সভা উদ্বোধন কৰে নিকাছি হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰতাপ চন্দ্ৰ ডেকাই। মুখপত্ৰ 'মুকুৰ' উন্মোচন কৰে বাগ্‌সাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৰেন দেউৰীয়ে। সভাত বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক দেওবাৰ ৰামছিয়াৰী, সন্থাৰ বাগ্‌সা জিলাৰ প্ৰাক্তন সভাপতি কুঞ্জ লহকৰে উপস্থিত থাকে। দুয়োগৰাকী বক্তাই মাধ্যমিক স্তৰৰ শিক্ষক কৰ্মচাৰীসকলে ভুগি অহা সমস্যাবোৰ কেন্দ্ৰীয় সমিতিৰ জৰিয়তে চৰকাৰক দৃষ্টিগোচৰ কৰিব লাগে বুলি কয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে নিকাছি হাইস্কুলৰ কৰ্মচাৰী হিতেশ বসুমতাৰীয়ে। মুকলি সভাত কে'বাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনায়।




টিহুত মাঘী উৎসৱ উপলক্ষ্যে শ্ৰীমদ্ভাগৱত লৈ নগৰ পৰিভ্ৰমণ, বুধবাৰে।

## ঘগ্ৰাপাৰ-আল্লিয়াত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিবেশনৰ কাৰ্যসূচী বাতিল

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ জানুৱাৰী ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ নলবাৰী জিলা শাখাৰ অন্তৰ্গত উত্তৰ পশ্চিম তামুলপুৰ আঞ্চলিক শাখাৰ অহা ১৬ আৰু ১৭ জানুৱাৰীত ঘগ্ৰাপাৰৰ আল্লিয়া হৰিমন্দিৰত অনুষ্ঠিত হ'ব লগা ৩০ সংখ্যক বাৰ্ষিক অধিবেশনৰ মুকলি-ধৰ্মালোচনী সভা, ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা, সাংস্কৃতিক সন্ধিয়াকে ধৰি বহু কাৰ্যসূচী বাতিল কৰা হৈছে বুলি আদৰণি সমিতিৰ সম্পাদক অৰ্জুন দাসে এক বিবৃতিযোগে সদৰী কৰিছে। যোৱা ১১ জানুৱাৰীত ঘগ্ৰাপাৰৰ আল্লিয়াৰ স্থানীয় হৰিমন্দিৰ প্ৰাংগণত আঞ্চলিক শাখাৰ সভাপতি হৰমোহন দাসৰ সভাপতিত্বত আঞ্চলিক শাখা প্ৰাথমিক শাখা আৰু আদৰণি সমিতিৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ সিদ্ধান্ত মৰ্মে চৰকাৰে দিয়া এছঅ'পিৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। আঞ্চলিক শাখাৰ সম্পাদক পৱিত্ৰ দাস, আৰু সম্পাদক ৰজনী দাস উপস্থিত থকা জৰুৰী বৈঠকৰ সিদ্ধান্তমৰ্মে অহা ১৭ জানুৱাৰীত আঞ্চলিক শাখাৰ কাৰ্যনিৰ্বাহক সভা আৰু প্ৰতিনিধি সভা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

## কলগাছিয়াত প্ৰৱঞ্চক আটক

**কলগাছিয়া, ১২ জানুৱাৰী ঃ** কলগাছিয়াৰ গুনিয়ালগুৰীত কালি ৰাইজে এজন প্ৰৱঞ্চক আটক কৰি আৰক্ষীক গতাই দিয়ে। গুৱাহাটী পল্টন বজাৰৰ কনকলতা জনসেৱা ছ'চাইটি নামৰ এনজিঅ'ৰ জৰিয়তে মহিলাসকলক এক-দুই লাখ টকাৰ ঋণ দিয়াৰ নামত গাইপতি দুশ টকাকৈ সংগ্ৰহ কৰে। কিন্তু ৰাইজৰ সন্দেহ হোৱাত তথ্য বিচৰাৰ লগতে সোধপোছ কৰাত জোলোঙাৰ মেকুৰী ওলাই পৰে। লগে লগে ৰাইজে আৰক্ষীক খবৰ দিয়াত এজন প্ৰৱঞ্চকে লৈ অহা এ এছ-০১ এ টি-৪৩৯৪ নম্বৰৰ চাৰিচকীয়া বাহনখন লৈ পলায়ন কৰে যদিও ইমৰাজ ছাইফ নামৰ প্ৰৱঞ্চকজনক ৰাইজে কলগাছিয়া আৰক্ষীক গতাই দিয়ে। আৰক্ষীয়ে যুৱকজনৰ পৰা নগদ কে'বা হেজাৰ টকা, ভুৱা নথি, ছীল- মোহৰ, পেড আৰু এটা ম'বাইল জব্দ কৰে। আটকাধীন প্ৰৱঞ্চকজনৰ ঘৰ বৰপেটাৰ ভেল্লাত।

## বিশ্বনাথ জিলা মইনা পাৰিজাতৰ শিশু সমাৰোহ স্থগিত

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ জানুৱাৰী ঃ** বিশ্বনাথ জিলা মইনা পাৰিজাতৰ তৃতীয় দ্বি-বাৰ্ষিক শিশু সমাৰোহ অহা ২৯, ৩০ আৰু ৩১ জানুৱাৰীত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত কৰা হৈছিল যদিও বৰ্তমান ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি উক্ত শিশু সমাৰোহ স্থগিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। যোৱা ১১ জানুৱাৰীত অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি কেশৱ হাজৰিকাৰ সভাপতিত্ব অনুষ্ঠিত সভাই পৰৱৰ্তী সময়ত ক'ভিড পৰিস্থিতি উন্নত হ'লে পুনৰ শিশু সমাৰোহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাত অভ্যৰ্থনা সমিতিৰ সম্পাদক হেমন্ত শইকীয়া, জিলা মইনা পাৰিজাতৰ সভাপতি সূৰ্য বৰা, সম্পাদক দীপাংকৰ পাল, বিত্ত সম্পাদক মনীষ কলিতা, অজয় ফুকন আদি সদস্যসকল উপস্থিত থাকে।

## চৰাইদেউ জিলা প্ৰশাসনৰ উদ্যোগত অনুদান বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১২ জানুৱাৰী ঃ** চৰাইদেউ জিলাৰ মহকুমা কল্যাণ বিষয়াৰ উদ্যোগত কালি চৰাইদেউ জিলাৰ উপায়ুক্ত কাৰ্যালয় সভা কক্ষত উপায়ুক্ত পল বৰুৱাৰ পৌৰোহিত্যত অনুসূচিত জাতি হিতাধিকাৰীসকলৰ মাজত অনুদান বিতৰণ এখন গুৰুত্বপূৰ্ণ বৈঠকত অনুষ্ঠিত হয়। বৈঠকত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে অনুসূচিত জাতি হিতাধিকাৰীসকলৰ মাজত চিলাই মেচিন, স্প্ৰে মেচিন, ফিলটাৰ আদি সামগ্ৰী বিতৰণ কৰে। বৈঠকত মহকুমা কল্যাণ বিষয়া তথা অতিৰিক্ত উপায়ুক্ত মৌচুমী চেতিয়াৰ লগতে অনুসূচিত জাতিৰ সভাপতিকে ধৰি ব'ৰ্ডৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## ঢেকিয়াজুলিত চাৰি জুৱাৰী গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১২ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই ৰাজ্যজুৰি তীৰ-জুৱাৰ বিৰুদ্ধে আৰক্ষী প্ৰশাসনৰ অভিযান অব্যাহত আছে। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত যোৱা নিশা জুৱাৰীৰ বিৰুদ্ধে অভিযান চলায়। ঢেকিয়াজুলিত আৰক্ষীৰ অভিযানত গ্ৰেপ্তাৰ কৰি চাৰি জুৱাৰী ক্ৰমে বাবলু বিশ্বাস, সঞ্জয় আগৰৱালা সন্ধি সাহা আৰু শংকৰ বায়ন। লগতে জব্দ হৈছে তিনিটা ম'বাইল সহ ৩২,২৮০ টকা। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, মনোজুলিৰ বাবলু বিশ্বাসৰ ঘৰত জুৱা বিশেষ সুত্ৰে জুৱা খেলি থকাৰ খবৰ লাভ কৰিছিল। ইয়াৰ পাছতেই জুৱাৰীকেইজনে পলায়ন কৰাৰ সময়তে আৰক্ষী অভিযান চলাই গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত ইতিমধ্যে ঢেকিয়াজুলি আৰক্ষীয়ে গ্ৰেপ্তাৰ হোৱা আটাইকেইজনক জেললৈ প্ৰেৰণ কৰে।

## অসমীয়া সাহিত্যত নৱাগতসকলে নতুন দিগন্তৰ সূচনা কৰিব

**■ বিশিষ্ট সাহিত্যিক ড০ অমল ৰাজখোৱালৈ 'ভোগদৈপৰীয়া সাহিত্য বঁটা-২০২১' প্ৰদান**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১২ জানুৱাৰী ঃ** চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মুকলি মঞ্চত কালি অনুষ্ঠিত ভোগদৈপৰীয়া কবি কণ্ঠৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱসত সাহিত্য প্ৰাণ, বিশিষ্ট লেখক, ভাষাবিদ, অনুবাদক, যোৰহাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, অসম সাহিত্য সভাৰ তিনিটা কাৰ্যকালৰ প্ৰধান সম্পাদক ড° অমল ৰাজখোৱাক ভোগদৈপৰীয়া সাহিত্য বঁটা ২০২১ প্ৰদান কৰা হয়। লাৱণ্য দত্ত হাজৰিকা আৰু বোধেশ্বৰ হাজৰিকাৰ স্মৃতিত বিশিষ্ট যুৱলেখক অৰূপজ্যোতি হাজৰিকাই আগবঢ়োৱা এই বিশেষ বঁটা বিশিষ্ট সাহিত্যিক ড° মাণিক শইকীয়া আৰু ড° এন গোবিন্দ সিঙৰ পৰা গ্ৰহণ কৰে ড° ৰাজখোৱাৰ সহধৰ্মিণী অৰ্চনা ৰাজখোৱাই। উল্লেখ্য যে ড° ৰাজখোৱা বৰ্তমান শাৰীৰিক অসুস্থতাৰ বাবে কালি বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে। এই বঁটাত আছে এটি স্মাৰক, সম্বৰ্ধনা পত্ৰ, অংগবস্ত্ৰ, সঁফুৰা, গ্ৰন্থৰ টোপোলাৰ লগতে নগদ ধনৰ টোপাল। আবৃত্তিকাৰ শান্তিছায়া শইকীয়াৰ নেতৃত্বত যোৰহাট কাব্যকাননৰ আবৃত্তিকাৰসকলে পৰিৱেশন কৰা আবৃত্তিৰ অনুষ্ঠানেৰে আৰম্ভ হোৱা সভাৰ আঁত ধৰে কবি- সাংবাদিক অজন্ত কুমাৰ বৰা আৰু গোটৰ মুখ্য সচেতক ড° জ্যোতিৰেখা হাজৰিকাই। গোটটোৰ দুবছৰীয়া কাৰ্যকালৰ খতিয়ান তথা উদ্দেশ্য আৰু কৰ্মপন্থা সম্পৰ্কে গোটৰ প্ৰশাসক দেৱজিৎ গোস্বামীয়ে বিৱৰি কয়। অনুষ্ঠানত ড° এন গোবিন্দ সিঙে ড° অমল ৰাজখোৱাৰ সাহিত্যৰ এক আলোচনা আগবঢ়োৱাৰ লগতে ব্যক্তিগত সান্নিধ্য স্মৰণ কৰি তেওঁৰ ব্যক্তিত্বৰ বিভিন্ন দিশৰ বিষয়ে বক্তব্য ৰাখে। ড° মাণিক শইকীয়াই অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পুনৰ নিৰ্মাণৰ সময়ত ড° ৰাজখোৱাৰ অহোপুৰুষাৰ্থৰ কথা স্মৰণ কৰে। ড° ৰাজখোৱাৰ সহধৰ্মিণী অৰ্চনা ৰাজখোৱাই ভোগদৈপৰীয়া কবিকণ্ঠক ধন্যবাদ আৰু কৃতজ্ঞতা জনোৱাৰ লগতে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।



## নাজিৰাত দুৰ্ঘটনামুক্ত সমাজ গঢ়াৰ সংকল্প

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১২ জানুৱাৰী ঃ** নাজিৰা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু নাজিৰা মহকুমা প্ৰশাসনৰ সহযোগত মহাবিদ্যালয় প্ৰাংগণত 'ৰাষ্ট্ৰীয় পথ সুৰক্ষা সপ্তাহ'ৰ আজি আৰম্ভণি কৰা হয়। কালিৰে পৰা ১৭ জানুৱাৰীলৈকে অনুষ্ঠিত হ'বলগীয়া এই বিশেষ সপ্তাহৰ সভা সঞ্চালনা কৰে অধ্যাপিকা সৰোজিনী দত্তই। ড° মিনাক্ষী হাজৰিকাই আঁত ধৰা অনুষ্ঠানত উদ্বোধনী ভাষণত উপাধ্যক্ষ যুগল ভড়ালীয়ে আমাৰ দেশ সমগ্ৰ পৃথিৱীৰ দুৰ্ঘটনা যুক্ত দেশৰ শীৰ্ষ স্থানত থকাত দুখ প্ৰকাশ কৰি সেয়া কেনেকৈ নিৰ্মূল কৰিব পাৰি তাৰ কিছু আভাস দিয়ে। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰা শিৱসাগৰ জিলাৰ পৰিবহণ বিষয়া সিদ্ধাৰ্থ কৃষ্ণ শইকীয়াই গাড়ী চলাওঁতে অন্ততঃ সুৰাপান বৰ্জন, হেলমেট পৰিধান, ছীটবেল্ট পৰিধান, ম'বাইল ফোন বৰ্জন, দ্ৰুত বেগ পৰিহাৰ আদিৰ সম্বন্ধে বিতংকৈ আলোচনা কৰে। নাজিৰাৰ সহকাৰী আয়ুক্ত প্ৰীতম গগৈয়ে পথ সুৰক্ষা মানি নিজৰ লগতে দহৰো হিতসাধনত গুৰুত্ব দিয়ে।

# বৰপেটাৰোডত শেষ নম্বৰৰ লটাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান ঃ ১০ জন ধৃত

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ১২ জানুৱাৰী ঃ** একাংশ বিজেপি নেতা-পালিনেতাৰ ছত্ৰছায়াতে বৰপেটাৰোডত শেষ নম্বৰৰ লটাৰীৰ অবাধ বেহা চলি অহাৰ সময়তে পৰহি বৰপেটা আৰক্ষীয়ে এক অভিযান চলাই ১০জনকৈ লটাৰী টিকট বিক্ৰেতাক কৰায়ত্ত কৰে। আনকি ধৃতসকলৰ পৰা নগদ এক লাখ টকাও জব্দ কৰে আৰু অভিযানত বহু লটাৰী টিকট উদ্ধাৰ হয়। আৰক্ষীয়ে কৰায়ত্ত কৰাসকল হ'ল বৰপেটাৰোডৰ বাবুপাড়াৰ প্ৰয়াত জুনু ৰায়ৰ পুত্ৰ কৃষ্ণ ৰায় (২৯), চন্দনপুৰৰ প্ৰয়াত নৃপেন চন্দ্ৰ দে'ৰ পুত্ৰ বিশ্বজিৎ দে (৩৫), অনিল বৰ্মনৰ পুত্ৰ টিংকু বৰ্মন (২৬), অনিল দৈমাৰীৰ পুত্ৰ সোনাৰাম দৈমাৰী (৪৫), কলহভাংগাৰ কমল নাথৰ পুত্ৰ ৰাজীৱ নাথ ( ৩৯), প্ৰয়াত সীমান্ত পণ্ডিতৰ পুত্ৰ পৰেশ পণ্ডিত (৭২), শান্তিনগৰৰ প্ৰয়াত মধু সাহাৰ পুত্ৰ বান্তি সাহা ( ৩১), ব্লক ৰোডৰ উপেন্দ্ৰ পাছোৱানৰ পুত্ৰ দীনেশ কুমাৰ পাছোৱান ( ৩০), হাউলীৰ আমবাৰীৰ ফৰহাদ আলীৰ পুত্ৰ মৰ্তুজ আলী (৩১) আৰু নিচুকাৰ হানিফ আলীৰ পুত্ৰ মিজানুৰ ৰহমান (৪১)। উল্লেখ্য যে বৰপেটা জিলাৰ অন্য প্ৰান্তৰ লগতে বাণিজ্য নগৰী বৰপেটাৰোডতো অসমত নিষিদ্ধ ঘোষিত হোৱা শেষ নম্বৰৰ লটাৰীৰ ব্যাপক প্ৰচলন আৰু বিক্ৰী আছে। মুখ্যতঃ বৰপেটাৰোডত বিজেপিৰ কে'বাজনো পালিনেতাৰ উপৰি আন একাংশ লোকে মূল এজেন্টৰূপে দীৰ্ঘদিন ধৰি এই লটাৰী চলাই আহিছে; কিন্তু এই লটাৰী খেলৰ বিষয়ে সংবাদ পৰিৱেশন হৈ অহাৰ পাছতো প্ৰশাসনৰ ভূমিকা আছিল ৰহস্যজনক। অৱশ্যে ইয়াৰ মাজতে কালি বৰপেটাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (সীমান্ত)ৰ লগতে বৰপেটাৰোড চক্ৰ আৰক্ষী বিষয়া, বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই কালি চহৰখনৰ কে'বাটাও স্থানত একেলগে অভিযান চলায়। আৰক্ষীয়ে এই অভিযান কালত ধৃত বুকী কেইজনৰ পৰা নগদ এক লাখ টকা, ন টা ম'বাইল হেণ্ডছেট আৰু কে'বা হেজাৰ টকা মূল্যৰ শেষ নম্বৰৰ লটাৰী টিকট জব্দ কৰে। পাছত আৰক্ষীয়ে ধৃত আটাইকেইজনকে বৰপেটাৰোড আৰক্ষী থানালৈ লৈ আনে আৰু এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি আটাইকে গ্ৰেপ্তাৰ কৰে।

# লোকগীতৰ ওজা বংশীধৰ দাসৰ বাসগৃহত 'কলম' উন্মোচন

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ১২ জানুৱাৰী ঃ** লোকগীতৰ ওজা তথা দক্ষিণ কামৰূপৰ বৰিহাট মাজকুছি বামুণপাৰা নিৱাসী অশীতিপৰ লোকশিল্পী বংশীধৰ দাসৰ বাসগৃহত কালি উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ উদ্যোগত তিনিমহীয়া আলোচনী 'কলম'ৰ চতুৰ্থ বৰ্ষৰ প্ৰথম সংখ্যা শিল্পীজনৰ হাতেৰে উন্মোচন কৰাৰ লগতে বিশেষ সম্বৰ্ধনা জনোৱা হয়। সাহিত্য, কলা, সংস্কৃতি বিষয়ক তিনিমহীয়া আলোচনীখনৰ এই সংখ্যাটিৰ শিল্পীৰ পৃথিৱীত কিশোৰ কুমাৰ কলিতাই লিখা লোকগীতৰ ওজা বংশীধৰ দাসৰ সৱিশেষ বিস্তৃত আকাৰত প্ৰকাশ পাইছে। সেয়েহে আলোচনীখনৰ মুখ্য সম্পাদক ড° তাৰিণীকান্ত হালৈ, যুটীয়া সম্পাদক দিগন্ত বৰদলৈ আৰু ৰূপক ডেকা তথা লেখক কিশোৰ কুমাৰ কলিতা সহিতে এটা সঁজাতী দল শিল্পীজনৰ বাসগৃহত উপস্থিত হৈ কালি পুৱাৰ ভাগতেই ব্যতিক্ৰমী অনুষ্ঠান সম্পন্ন কৰে। প্ৰথমে শিল্পীজনক গামোচা, জাপি, সম্বৰ্ধনা পত্ৰৰে বিশেষ সম্বৰ্ধনা জনোৱা হয়। তাৰ পাছত শিল্পীজনৰ দুহাতেৰে আলোচনীখন উন্মোচন কৰে। দিগন্ত বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানত ড° হালৈয়ে ভাষণ প্ৰদান কৰি লোকশিল্পী বংশীধৰ দাসৰ দৰে লোকশিল্পীসকলক আলোচনীখনৰ শিল্পীৰ পৃথিৱীৰ শিতানৰ জৰিয়তে জনমানসত চিনাকি কৰি দি অহাৰ প্ৰয়াস সদায় থাকিব বুলি মন্তব্য কৰে। লেখক কলিতাই লোকশিল্পীজনৰ জীৱনৰ হৰ্ষ-বিষাদৰ সকলো কথা প্ৰকাশ কৰাত উপস্থিত লোকসকল আবেগিক হৈ পৰে।

# নগৰবেৰাত কামৰূপ জিলা অধিবিদ্যা পৰিষদৰ তৃতীয় দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন



**আলোপতি, ১২ জানুৱাৰী ঃ** কামৰূপ জিলা অধিবিদ্যা পৰিষদৰ তৃতীয় দ্বি-বাৰ্ষিক অধিবেশন কালি এদিনীয়া কাৰ্যসূচীৰে জিলাখনৰ বকো সমষ্টিৰ নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। এই উপলক্ষে ছহিদ বেদীত বন্তি প্ৰজ্বলন আৰু ছহিদ তৰ্পণ কৰে কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি দীপক কুমাৰ পাঠকে। আৰু বৃক্ষৰোপণ কৰে নগৰবেৰা আঞ্চলিক মৌজা কমিটীৰ সভাপতি উদয় শংকৰ মেধি, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক ৰবিলোচন ঠাকুৰীয়া আৰু ইন্দ্ৰমোহন দাসে। কামৰূপ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা অধিবিদ্যা পৰিষদৰ সভাপতি অপূৰ্ব ঠাকুৰীয়াই পতাকা উত্তোলন কৰে। ইয়াৰ পাছত বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ সঞ্চালনাত 'নতুন শিক্ষা নীতি-২০২২' শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। আলোচনাচক্ৰত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° প্ৰণৱ শইকীয়াই আলোচক হিচাপে বিষয়বস্তুৰ ওপৰত ভাষণ প্ৰদান কৰে। অনুষ্ঠানত নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিভূতি ভূষণ পাণ্ডাই অধিবেশন উপলক্ষে প্ৰকাশ কৰা 'ত্ৰিবেণী' নামৰ এখন স্মৰণিকা উন্মোচন কৰে। নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি মদন পাঠক আৰু মৌজা কমিটীৰ সভাপতি উদয় শংকৰ মেধিয়ে উপস্থিত থাকে। আবেলি অধিবিদ্যা পৰিষদৰ বিষয় বাছনি-মুকলি সভাত সভাপতিত্ব কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই।

# দুনী শাখা সাহিত্য সভাৰ পাঠচক্ৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুনী, ১২ জানুৱাৰী ঃ** দুনী শাখা সাহিত্য সভাৰ এখন পাঠচক্ৰ যোৱা ১০ জানুৱাৰীত গভৰা দলংঘাটৰ ৰজনী বৈশ্যৰ বাসগৃহত অনুষ্ঠিত হয়। শাখাৰ সম্পাদক দিলীপ ডেকাই আঁত ধৰা অনুষ্ঠান সঞ্চালনা কৰে সভাপতি কৰুণা কান্ত ভট্টাচাৰ্যই। পাঠচক্ৰ উদ্বোধন কৰে নগাঁ আঞ্চলিক হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰদান শিক্ষক মহেন্দ্ৰ চলিহাই। ৰজনী বৈশ্যই আদৰণি ভাষণ প্ৰদান কৰা পাঠচক্ৰত হৰেশ্বৰ ডেকা, কৰুণা কান্ত কলিতা, দিলীপ নাথ, কমলা কান্ত কলিতা, দিপ্তী ডেকা, কৰুণা কান্ত শৰ্মা, অনিল বৰা, মহেন্দ্ৰ নাথ শৰ্মা, লোকেশ্বৰ নাথ, কৰুণা কান্ত ভট্টাচাৰ্য, কমল কুমাৰ নাথ, হৰিপ্ৰিয়া ডেকা, দেৱী ৰাম নাথ, ভূষণ চন্দ্ৰ চহৰীয়া, বিজয় শংকৰ নাথকে ধৰি আন বহুকেইগৰাকী লেখকে স্বৰচিত কবিতা, গল্প, প্ৰবন্ধ আদি পাঠ কৰে। পাঠচক্ৰৰ মাজতে অদিতি বৰা আৰু ভাবাৰ্থী কলিতাই পৰিবেশন কৰা ভূপেন্দ্ৰ সংগীতে অনুষ্ঠান জীপাল কৰি তোলে। অনুষ্ঠানত পাঠ কৰা লেখাসমূহৰ পৰ্যালোচনা আগবঢ়াই অসম সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ উপ-সভাপতি কৰুণা কান্ত শৰ্মাই। শলাগৰ শৰাই কাৰ্যসূচী ৰূপায়ণ কৰে সম্পাদক দিলীপ ডেকাই।

## ■ ৩৩ গাঁৱৰ গাঁওবুঢ়াই ভূটানী মুদ্ৰা বৰ্জনেৰে কঠোৰ সিদ্ধান্ত গ্ৰহণ

# চিৰাঙৰ ভূটান সীমান্তত ভূটানী মুদ্ৰাৰ অবাধ প্ৰচলন



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১২ জানুৱাৰী ঃ** দীৰ্ঘদিনৰ পৰাই চিৰাং জিলাৰ ভূটান সীমান্তৱৰ্তী বৃহত্তৰ অঞ্চলত অবাধ হাৰত প্ৰচলন হৈ আহিছে ভূটানী মুদ্ৰাৰ। চৰকাৰে এই ভূটানী মুদ্ৰাৰ প্ৰচলন বন্ধৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগিছিল যদিও চৰকাৰৰ প্ৰশাসনে কোনো পদক্ষেপ নোলোৱাত এইবাৰ ভূটান সীমান্তবাসীয়ে নিজেই ল'বলগীয়া হৈছে ব্যৱস্থা। সীমান্তৰ ৩৩ খন গাঁৱৰ লোকে একত্ৰিত হৈ ভূটানী মুদ্ৰা প্ৰচলন বন্ধৰ ক্ষেত্ৰত গ্ৰহণ কৰিলে কঠোৰ সিদ্ধান্ত। সীমান্তৰ যিসকল লোকৰ হাতত ভূটানী মুদ্ৰা আছে তেওঁলোকে জানুৱাৰীৰ ভিতৰতে সেয়া ভাৰতীয় মুদ্ৰা কৰি ল'ব লাগিব অন্যথা জানুৱাৰীৰ পাছত কোনো লোকে ভূটানী মুদ্ৰা ব্যৱহাৰ কৰিলে তাৰ ওপৰত আইনী ব্যৱস্থা লোৱাৰ হুংকাৰ দিয়ে স্থানীয় গাঁওবুঢ়াসকলে। যাৰ বাবে সজাগতা সৃষ্টিৰ লক্ষ্যৰে মাইকেৰে ঘোষণা কৰি থকাও পৰিলক্ষিত হৈছে সীমান্তৰ বৃহৎ অঞ্চলত। জিলাখনৰ ৰুণিখাটাৰ পৰা আৰম্ভ কৰি শান্তিপুৰ, দেওশ্ৰী, হাতিসাৰ, দাদগিৰি আদি বৃহৎ অঞ্চলক ভূটানী নোটৰ অবাধ প্ৰচলন হোৱাত বিভিন্ন ক্ষেত্ৰত বঙাইগাঁও নাইবা অইন জিলালৈ আহিলে ভূটানী মুদ্ৰা চলাব নোৱাৰাত অসুবিধাত পৰিবলগীয়া হয় সীমান্তবাসী। সেয়ে এনে কঠোৰ সিদ্ধান্ত ল'বলগীয়া হৈছে সীমান্তবাসীয়ে। সীমান্তৰ এই ভূটানী মুদ্ৰাৰ প্ৰচলন বন্ধৰ ক্ষেত্ৰত বিভিন্ন দল-সংগঠনে সহায়ৰ হাত আগবঢ়োৱা পৰিলক্ষিত হৈছে। আগবাঢ়ি আহিছে চিৰাং জিলা সমিতি আমছু, এবিএমছুৰ লগতে অন্যান্য দল-সংগঠন।

# চকলাঘাটত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় 'জ্যোতি দিৱস'ৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১২ জানুৱাৰী ঃ** অসমীয়া সাহিত্য-সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা প্ৰথমখন অসমীয়া বোলছবিৰ নিৰ্মাতা, সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৱিত্ৰ স্মৃতিত অহা ১৭ জানুৱাৰীত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় জ্যোতি দিৱস নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আৰু চকলাঘাট শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত ক্ষেমকান্ত বৰা সমন্বয় ক্ষেত্ৰ (চকলাঘাট ৰাস মন্দিৰ)ত অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। উক্ত দিনা পুৱা ৮-৪৫ বজাত সভাৰ ঐতিহ্যমণ্ডিত পতাকাখন উত্তোলন কৰিব নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই। পতাকা উত্তোলনৰ অন্তত চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, চকলাঘাট ৰাস মন্দিৰৰ সভাপতি ক্ষিতেশ্বৰ বৰা, আদৰণি সমিতিৰ সভাপতি অনন্ত শইকীয়া প্ৰমুখ্যে ১০৫গৰাকী সন্মানীয় ব্যক্তিয়ে অসম সাহিত্য সভাৰ ১০৫ সংখ্যক বৰ্ষপূৰ্তিৰ ক্ষণত বন্তি প্ৰজ্বলন কৰিব। পুৱা ন বজাত জ্যোতিতৰ্পণ আগবঢ়াব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। মাল্যাৰ্পকৰূপে উপস্থিত থাকিব নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথ। পুৱা ৯-৩০ বজাৰ পৰা ১০-৪৫ বজাত সাংস্কৃতিক অনুষ্ঠান স্বাগত স্বাগত সতীৰ্থ' উদ্বোধন কৰিব লোক সংগীতৰ জনপ্ৰিয় শিল্পী জীনা ৰাজকুমাৰীয়ে। পুৱা ১১ বজাত লোকশিল্পী গুণ শইকীয়া সোঁৱৰণী মঞ্চৰ মুকলি সভাত পৌৰোহিত্য কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই। বিশিষ্ট সাহিত্যিক, পদ্মশ্ৰী বঁটাপ্ৰাপক ড° সূৰ্য হাজৰিকাই উদ্বোধন কৰিব লগা মুকলি সভাত বিশিষ্ট অতিথিৰূপে নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ ভাগৱতী আৰু নিৰ্দিষ্ট বক্তাৰূপে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কণ্যা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন কলিতা উপস্থিত থাকিব। সভাত সন্মানীয় অতিথিৰূপে নগাঁও সদৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৱামণি বৰা আৰু ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, আমন্ত্ৰিত অতিথিৰূপে প্ৰাক্তন বিধায়িকা আংগুৰলতা ডেকা আৰু বিশিষ্ট নাট্যকাৰ নেত্ৰকমল বৰঠাকুৰ আদিয়ে অংশগ্ৰহণ কৰিব। মুকলি সভাতে বিশিষ্ট শিল্পী গম্ভীৰ শইকীয়া, সুলেখিকা দিপ্তী সভাপণ্ডিতকে ধৰি কে'বাগৰাকী লেখক-লেখিকাৰ বহুকেইখন গ্ৰন্থ উন্মোচন কৰা হ'ব। সাহিত্য সভাৰ কেন্দ্ৰীয় 'জ্যোতি দিৱস'ৰ সমূহ কাৰ্যসূচীত উপস্থিত থাকি সৰ্বতোপ্ৰকাৰে অনুষ্ঠানটো সাফল্যমণ্ডিত কৰিবলৈ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, আদৰণি সমিতিৰ সম্পাদক উৎপল হাজৰিকা আৰু শাখাৰ সম্পাদক কল্যাণ কুমাৰ বৰাই ৰাইজলৈ অনুৰোধ জনাইছে।

# টেঙাখাত ব্যৱসায় সন্থাৰ নতুন সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ১২ জানুৱাৰী ঃ** টেঙাখাত ব্যৱসায় গঠনৰ উদ্দেশ্যে যোৱা ১০ জানুৱাৰীত টেঙাখাতৰ গান্ধী ভৱনত ব্যৱসায়ীসকলৰ মাজত এখন সভা অনুষ্ঠিত কৰা হয়। ব্যৱসায়ী দীপক গগৈয়ে সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিপুল ৰাভাই। উদ্দেশ্য ব্যাখ্যা কৰি বিপুল ৰাভাই কয় যে টেঙাখাত টাউনৰ ব্যৱসায়ীসকলৰ বিভিন্ন সমস্যা আছে। এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত সমূহীয়া শক্তি প্ৰয়োজন। ব্যৱসায়ীসকলে যাতে সামাজিকভাৱে সুৰক্ষিত হ'ব পাৰে সেই উদ্দেশ্যেৰে এখন সমিতি গঠন কৰি সভা আয়োজন কৰা হৈছে। উদ্দেশ্য ব্যাখ্যাৰ ওপৰত মতামত দাঙি ধৰি সমিতি গঠনৰ সপক্ষত বক্তব্য ৰাখে ব্যৱসায়ী হিৰণ্য সোণোৱাল, খাইৰুল খান, নন্দৰাজ বৰশইকীয়া, ইনাম হুছেইন, ৰুবুল আহমেদ, নিতুল গগৈকে ধৰি কে'বাজনো ব্যৱসায়ীয়ে। উক্ত সভাতে দীপক গগৈক সভাপতি আৰু বিপুল ৰাভাক সম্পাদক হিচাপে লৈ টেঙাখাত ব্যৱসায়ী সন্থা নামেৰে এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়।

# এম্পায়াৰ একাডেমীৰ বাৰ্ষিক সভা সম্পন্ন

**বৰমা, ১২ জানুৱাৰী ঃ** 'সময় অমূল্য ধন'। সময়ৰ সৎ ব্যৱহাৰে জীৱনত সফলতা আনে।' এনে মন্তব্য পটেনটিয়েল কঞ্চেপ ইডুকেচন, গুৱাহাটীৰ মহাপ্ৰবন্ধক অভিজিৎ দত্তৰ। বৰমাৰ আগশাৰীৰ শিক্ষানুষ্ঠান এম্পায়াৰ একাডেমীৰ বাৰ্ষিক অধিবেশনৰ মুকলি সভাত ছাত্ৰ-ছাত্ৰীসকলক সময় অপচয় নকৰি একান্তভাৱে শিক্ষা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এম্পায়াৰ একাডেমীৰ সভাপতি ৰজনী বৰজৌৱাৰীৰ সভাপতিত্বত কালি অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে সমাজকৰ্মী থানেশ্বৰ বড়োৱে। সভাত বৰমা শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য নৰেশ্বৰ ডেকা, বাক্সা প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি আলকাচ আলী, সমাজকৰ্মী বসন্ত বৰ্মনকে ধৰি কে'বাজনো বক্তাই ভাষণ দিয়ে। ইয়াৰ পূৰ্বে পুৱা বাৰেৰহণীয়া সাংস্কৃতিক সভা যাত্ৰা উদ্বোধন কৰে সমাজকৰ্মী বিদ্যুৎ কছাৰীয়ে। সন্ধিয়া অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়া মুকলি কৰে অদালবাৰী সংগীত বিদ্যালয়ৰ প্ৰশিক্ষক খগেন হাৰা নাৰ্জাৰীয়ে।

# পূৰ্ণখুমদুম শ্ৰীশ্ৰী বংশীগোপাল মন্দিৰত বাৰ্ষিক গোন্ধ-সবাহৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১২ জানুৱাৰী ঃ** হাজো সমষ্টিৰ কঞাঁ বৰপূল্লা গাঁও পঞ্চায়তৰ অন্তৰ্গত পূৰ্ণখুমদুম শ্ৰীশ্ৰীবংশী গোপাল মন্দিৰত অহা ১৬ আৰু ১৭ জানুৱাৰীত বাৰ্ষিক গোন্ধ-সবাহৰ আয়োজন কৰিছে। তদুপলক্ষে প্ৰথমদিনা পৰিচালনা সমিতিৰ দ্বাৰা স্বচ্ছ অভিযানৰ পাছতে গাঁও পৰিচালনা সমিতিৰ সভাপতি বসন্ত লহকৰে ধৰ্মীয় পতাকা উত্তোলন কৰিব। ইয়াৰ পাছত কে'বাজনো বিশিষ্ট ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপণ আৰু কঞা বৰপূল্লা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা বৰ্ণালী তালুকদাৰে স্মৃতি তৰ্পণ কৰিব। বন্তি প্ৰজ্বলনৰ অন্তত শ্ৰীশ্ৰীবংশীগোপাল বিগ্ৰহ লৈ নগৰ সংকীৰ্তন। ভাগৱত পাঠৰ অন্তত আবেলি পূৰ্ণখুমদুম নামতি দলৰ দ্বাৰা আয়তীনাম, সন্ধিয়া পূজা মণ্ডপৰ দ্বাৰ উন্মোচন কৰিব কঞা বৰপূল্লা গাঁও পঞ্চায়তৰ সভাপতি দীনেশ ভূঞাই, কেইজনমান বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন, ঢোপধ্বনি, গোসাঁই উলিওৱা পৰ্ব, নাগাৰা নাম প্ৰদৰ্শন। ১৭ জানুৱাৰীত পুৱা হোমযজ্ঞ আৰম্ভ, ভোগদাতা আৰু ২০২১ত গাঁওখনৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীৰ সম্বৰ্ধনা। দুপৰীয়া সমূহীয়া পুষ্পাঞ্জলি, আবেলি প্ৰসাদ বিতৰণ, ভোগ গ্ৰহণৰ অন্তত একক আধুনিক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব এছ বি দেওৰা কলেজৰ অধ্যাপক ড° পুলক তালুকদাৰে। সন্ধিয়া কেইজনমান বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন, ঢোপধ্বনি, আধুনিক নৃত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণৰ অন্তত সাংস্কৃতিক সন্ধিয়া। উল্লেখ্য যে সাম্প্ৰতিক কৰ'না মহামাৰীৰ তৃতীয় লহৰৰ বাবে অসম চৰকাৰে বলৱৎ কৰা ক'ভিড প্ৰতিৰোধী নীতি-নিয়মক মানি উৎসৱ উদ্‌যাপন কৰা হ'ব বুলি গাঁও উন্নয়ন সমিতিয়ে সদৰী কৰিছে।

# কৃষ্ণাইৰ শালপাৰাত দুৰ্ঘটনাত আহত

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১২ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত শালপাৰাত কালি আবেলি সংঘটিত হয় এক পথ দুৰ্ঘটনা। ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন অট' ভান আৰু গেছ চিলিণ্ডাৰ কঢ়িওৱা গাড়ী এখনৰ মাজত হোৱা মুখামুখি সংঘৰ্ষৰ ফলতে সংঘটিত হয় দুৰ্ঘটনাটো। এই দুৰ্ঘটনাৰ ফলত এএছ-০১ জিচি-৮৭৮৯ আৰু এএছ-০১ এমচি-৬২০৭ গাড়ী দুখনৰ বিস্তৰ ক্ষতিসাধন হয়। গুৰুতৰভাৱে আহত অট'ৰ চালকজনক ইতিমধ্যে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে।

# ২০ জানুৱাৰীৰ পৰা অসম নাট্য সন্মিলনৰ অধিবেশন ঃ বিভিন্ন বঁটা ঘোষণা

অগ্ৰদূত বাৰ্তা

**হাউলী, ১২ জানুৱাৰী ঃ** ১৯৫৯ত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নেতৃত্বত গঠিত অসম নাট্য সন্মিলনৰ ৬০ সংখ্যক কেন্দ্ৰীয় অধিবেশন অহা ২০ৰ পৰা ২৪ জানুৱাৰীলৈ নগাঁৱত অনুষ্ঠিত হ'ব। অসম নাট্য সন্মিলনৰ প্ৰধান সম্পাদক গীৰিধৰ ৰায় আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা কাৰ্যসূচী অনুসৰি ২০ জানুৱাৰীত প্ৰতিনিধি শিবিৰ মুকলি আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সভা অনুষ্ঠিত হ'ব। ২১ জানুৱাৰীত ৬০ খন পতাকা উত্তোলনেৰে অধিবেশনৰ কাৰ্যসূচী মুকলি কৰা হ'ব। সেইদিনাই বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰু আজীৱন সদস্যৰ অন্তৰংগ অনুষ্ঠানৰ লগতে সন্ধিয়া পৰম্পৰাগতভাৱে সন্মিলনৰ অন্তৰ্গত চাৰিটা মণ্ডলৰ পৰা নাট মঞ্চস্থ কৰা হ'ব। অধিবেশনৰ প্ৰতিদিনে সংগীত নাটক একাডেমী আৰু ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় পৰ্যায়ৰ চাৰিখনকৈ নাট মঞ্চস্থ কৰা হ'ব। অধিবেশনৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, বস্ত্ৰমেলা অনুষ্ঠিত হোৱাৰ উপৰি নাট পৰ্যালোচনা, বাটৰ নাট সম্পৰ্কীয় আলোচনাচক্ৰ আদি অনুষ্ঠিত হ'ব। অধিবেশনৰ প্ৰতি নিশা বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অসম নাট্য সন্মিলনে প্ৰতিবছৰে প্ৰদান কৰি অহা নাট্য সন্মিলন বঁটা এইবাৰ প্ৰদান কৰা হ'ব অসম নাট্য সন্মিলনৰ প্ৰাক্তন প্ৰধান সম্পাদক জীৱেশ্বৰ গোস্বামীক। মহেন্দ্ৰ বৰঠাকুৰ বঁটা প্ৰদান কৰা হ'ব বিশিষ্ট নাট্যকাৰ প্ৰকাশ মেধিক। এইবাৰৰ পৰা অসম নাট্য সন্মিলনে প্ৰৱৰ্তন কৰা নাট্য প্ৰভাকৰ সত্যপ্ৰসাদ বৰুৱা নাট সমালোচক বঁটা প্ৰদান কৰা হ'ব ড° শৈলেন ভৰালীক। অধিবেশনত নিপন গোস্বামী, বিদ্যা ৰাও, ভগীৰথ বৰ্মন, বলিন বুঢ়াগোহাঁই, বাদল দাস, কানু গোস্বামী আৰু ড° দিলীপ কুমাৰ বৰুৱাক সম্বৰ্ধনা জনোৱা হ'ব। অধিবেশনৰ সকলো কাৰ্যসূচীত ক'ভিড প্ৰট'কল ৰক্ষা কৰি ৰাইজক সহায়-সহযোগ আগবঢ়াবলৈ অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাস আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি বিধায়ক ৰূপক শৰ্মা আৰু মুখ্য সম্পাদক সন্তৰাম দাসে আহ্বান জনাইছে।

# মঙলদৈৰ বৃদ্ধাশ্ৰমত গীত-নৃত্যৰ সমাহাৰ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১২ জানুৱাৰী ঃ** মঙলদৈ ভেবাৰঘাটস্থিত কাৰ্তিক চন্দ্ৰ বৰুৱা সোঁৱৰণী বৃদ্ধাশ্ৰম কালি গীত-নৃত্যৰে মুখৰিত হৈ পৰে। মানৱতাবাদী সংগঠন 'মানুহে মানুহৰ বাবে........, দৰং, অসম'ৰ উদ্যোগত হোৱা এই অনুষ্ঠানত সংগঠনটোৰ সদস্য-সদস্যাসকলে আশ্ৰমৰ ককা-আইতাৰ লগত বিয়া গীত পৰিবেশন কৰাৰ লগতে বিহুগীত জুৰি এপাক নাচি পৰিবেশটো কৰি তোলে মুখৰিত। ২০১৯ৰ পাঁচ ছেপ্টেম্বৰত আৰম্ভ হোৱা এই বৃদ্ধাশ্ৰমত সংগঠনটোৰ সদস্য-সদস্যাসকলে বৃদ্ধাশ্ৰমৰ আৱাসীসকলক চুৰেটাৰ, মোজা, ধূতি, খাদ্য সামগ্ৰী প্ৰদান কৰে।

# ঘগ্ৰাপাৰত শিল্পী দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১২ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চাৰি নম্বৰ নিমুৱা লাটিমা-চিলিং গাঁও স্থিত মাদাৰ টেৰেছা মধ্য ইংৰাজী বিদ্যালয়ৰ বাকৰিত দক্ষিণ ঘগ্ৰাপাৰ আঞ্চলিক যুৱ মঞ্চৰ উদ্যোগত অহা - ১৬ আৰু ১৭ জানুৱাৰীত দুদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে শিল্পী দিৱস উদযাপনৰ ব্যা পক প্ৰস্তুতি চলিছে। এই উপলক্ষে ইতিমধ্যে হাদী হাছান ৰেজাক সভাপতি, সাধাৰণ সম্পাদক জীয়াউল হক আৰু সমন্বয়ক ইন্টাজ হুছেইন (পুতুল)ক লৈ এখন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ১৬ জানুৱাৰীৰ পুৱা পতাকা উত্তোলন কৰিব শিল্পী দিৱস উদ্‌যাপন সমিতিৰ সভাপতি হাদী হাছান ৰেজাকে। ছহিদ তৰ্পণ আৰু মাল্যাৰ্পণ কৰিব ক্ৰমে সাংবাদিক শ্বাহ আলম আহমেদ আৰু ঘগ্ৰাপাৰ প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি তথা শিক্ষক অমূল্য কলিতাই। ইয়াৰ পাছতে ৰাতিপুৱা খেল-ধেমালি, সুকুমাৰ কলা প্ৰতিযোগিতা। সন্ধিয়া ৫:৩০ বজাত নাচ-নাচ প্ৰতিয়োগিতা। অন্তিম দিনা অৰ্থাৎ ১৭ জানুৱাৰীৰ পুৱা জোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, ভেশচন প্ৰতিয়োগিতা, বৃক্ষৰোপণ, সংগীত প্ৰতিয়োগিতা। দুপৰীয়া ১২ বজাত সামুহিক চাফাই। আবেলি চাৰিবজাত মুকলি সভা-বঁটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰিব উদ্‌যাপন সমিতিৰ সভাপতি হাছান ৰেজাকে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব--নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই। নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰিব ক্ৰমে অৱসৰী শিক্ষাবিদ তথা বৰভাগ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাক্ষ ফণীধৰ ডেকা, বিশিষ্ট লেখক সমী ন্দ্ৰ নাথ মহন্ত আৰু প্ৰাক্তন ছাত্ৰ নেতা ভূপেন তালুকদাৰে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব ক্ৰমে নলবাৰীৰ প্ৰাক্তন বিধায়ক মদন কলিতা, ঘগ্ৰাপাৰ শিক্ষা খণ্ডৰ শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষা বিদ ৰমেশ চন্দ্ৰ কলিতা, বিশিষ্ট সাহিত্যিক তথা ৰঙিয়াৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মইনুল হক চৌধুৰীয়ে। সভাত আমন্ত্ৰিত অতিথিৰ আসনত ১৩ গৰাকী বিশিষ্ট ব্যিক্তিয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া ছবজাত সাংস্কৃতিক অনুষ্ঠানত সংগীত পৰিৱেশন কৰিব--শিল্পী ৰিয়াজৰাজৰ লগতে স্থানীয় শিল্পীৰ দ্বাৰা গীত পৰিৱেশন কৰিব।



তেজপুৰৰ নাম দেউৰীগাঁৱৰ ৰাজহুৱা পুখুৰীত ভোগালী উপলক্ষে ধৰিছে মাছ, বুধবাৰে।

# পুথিভঁৰালে কঢ়িয়াই আনে সমন্বয়ৰ বাৰ্তা

## ■ মুগকুছিত শংকৰ আজান পুথিভঁৰালৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১২ জানুৱাৰী ঃ** নলবাৰী জিলাৰ মুগকুছিস্থিত শংকৰ-আজান পুথিভঁৰালৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পৰহি এলেংগীদল মুগকুছি যুৱ সমাজৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা শিক্ষক ফুকন হালৈয়ে পতাকা উত্তোলন কৰি অনুষ্ঠান আৰম্ভ কৰে। পাছত বৃক্ষৰোপণ কৰে সমাজকৰ্মী ৰুস্তম আলী, আজিজুৰ ৰহমান, ৰমজান আলী, ইলাছ আলী, শিক্ষক তাহেৰ আলী, আব্দুল আলীয়ে। অনুষ্ঠানত কুইজ প্ৰতিযোগিতা আৰু আবৃত্তি প্ৰতিযোগিতা পৰিচালনা কৰে শিক্ষক ৰঞ্জিত দাসে। অনুষ্ঠানত সমাজকৰ্মী নলিনীকান্ত শীল উপস্থিত থাকে। আবেলি বিশিষ্ট সমাজকৰ্মী ৰবীন মিশ্ৰৰ সভাপতিত্বত মুকলি অধিৱেশন আৰু বঁটা বিতৰণী সভা, ছাত্ৰ-ছাত্ৰীৰ হাতে লিখা আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰি নলবাৰী নৱোদয় জাতীয় বিদ্যালয়ৰ অধ্যক্ষ অমল ডেকাই ভাষণত কয় যে প্ৰাচীৰ পত্ৰিকাখনে অঞ্চলটোৰ শিক্ষাৰ্থীসকলৰ সাহিত্য চৰ্চা মাধ্যম হৈ পৰাৰ আশা কৰে। ডেকাই ভাষণ প্ৰসংগত পুথিভঁৰালে জ্ঞান বৃদ্ধিত অৰিহণা যোগাই আহিছে; কিন্তু চৰকাৰী স্বীকৃত গ্ৰাম্য পুথিভঁৰালসমূহ মৃত্যুমুখী হৈ পৰিছে। চৰকাৰৰ প্ৰচেষ্টাত পুথিভঁৰালসমূহৰ জৰিয়তে জ্ঞান বৃদ্ধিৰ কাম কৰিব লাগিছিল যদিও স্বাধীনতাৰ পাছৰ পৰাই চৰকাৰে পুথিভঁৰালক আগবঢ়াই নিয়াত ব্যৰ্থ হৈছে বুলি দোহাৰে। অনুষ্ঠানত সমাজকৰ্মী তৌফিকুল হক চৌধুৰী, গাঁওবুঢ়া বীৰেণ হালৈ আদিও বক্তব্য আগবঢ়ায়। অনুষ্ঠানত পুথিভঁৰালৰ পৰিচালক আইনুল হকে সম্পাদনা কৰা ছাত্ৰ-ছাত্ৰীৰ হাতেলিখা আলোচনী 'ৰং'খন উন্মোচন কৰে সভাৰ সভাপতি ৰবীন মিশ্ৰই। উন্মোচনী ভাষণত মিশ্ৰই কয় যে শংকৰ-আজান পুথিভঁৰালে বৃহত্তৰ অঞ্চলটোত সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিছে। তেওঁ লগতে কয় যে সাম্প্ৰতিক সময়ত যুৱক-যুৱতীসকলে অধ্যয়ন আৰু কিতাপ পঢ়াৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব। যাতে সমাজৰ পৰা নানা ব্যভিচাৰ, মাদকদ্ৰব্যৰ পয়োভৰ আদিৰ দৰে সমাজ বিৰোধী বিষয়বোৰ কিতাপ আৰু অধ্যয়নৰ জৰিয়তে আঁতৰাব লাগিব বুলি দোহাৰে। অনুষ্ঠানত সাংবাদিক কামিনী কান্ত মিশ্ৰ, প্ৰাঞ্জল শৰ্মা, আব্দুল কাদেৰ আহমেদক সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া উদ্‌যাপন সমিতিৰ সভাপতি ইয়াচিন আলী, সম্পাদক মোৱাৰক আলী, তনজিবৰ ৰহমানে আঁত ধৰা তথা কণ্ঠশিল্পী মিন্টু দাস আৰু চুমি শৰ্মাৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে আছু নেতা ৰুবুল বৰ্মনে।

■ তথ্য লুকুৱাই কোটি কোটি টকাৰ সৰাধ ঃ সৰৱ ৰাইজৰ দল

# যোৰহাট পৌৰসভাত বৃহৎ পৰিমাণৰ ধন আত্মসাৎ

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১২ জানুৱাৰী ঃ** যোৰহাট পৌৰসভাত দুৰ্নীতি-কেলেংকাৰিয়ে চূড়ান্ত ৰূপ ধাৰণ কৰিছে। এটা বছৰে তথ্য বিচাৰি কৰা আবেদনক চূড়ান্ত ভেঙুচালি কৰাই নহয়, তথ্য আয়ুক্তই দিয়া নিৰ্দেশকো অৱমাননা কৰিছে বুলি অভিযোগ উঠিছে। উল্লেখ্য যে তথ্য জনাৰ অধিকাৰ আইন, ২০০৫ৰ অধীনত ৰাইজৰ দলৰ তৰফৰ পৰা ২০২১ৰ ২০ ফেব্ৰুৱাৰীত পৌৰসভাখনৰ বিভিন্ন তথ্য বিচাৰি আবেদন কৰা হৈছিল। বিশেষতঃ পৌৰসভাৰ উপাৰ্জন আৰু ব্যয়ৰ লগতে প্ৰতিটো কামৰ বিপৰীতে হোৱা নিবিদাৰ তথ্য বিচৰা হৈছিল। সেই তথ্যসমূহ বিগত এটা বছৰে নিদিয়াকৈ ৰখাত অসমৰ তথ্য আয়ুক্তৰ ওচৰত আপীল কৰা হৈছিল, সেই আপীলৰ শুনানি যোৱা পহিলা ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হয়। শুনানিত দলৰ তদানীন্তন জিলা সভাপতি দিব্যজ্যোতি শৰ্মা আৰু সম্পাদক মঞ্জিত বৰুৱা উপস্থিত থকাৰ লগতে পৌৰসভাৰো তথ্য বিষয়া উপস্থিত আছিল। তথ্য আয়ুক্তই ২১ দিনৰ ভিতৰত সম্পূৰ্ণ তথ্য আবেদনকাৰীক দিবলৈ পৌৰসভাৰ তথ্য বিষয়াক নিৰ্দেশ দিছিল যদিও আজি ৪২ দিন পাৰ হৈ যোৱাৰ পাছতো পৌৰসভাৰ গা লৰা নাই। আজি দুদিনৰ আগতে মাত্ৰ ১০০ পৃষ্ঠাৰ সামান্য তথ্য দি পৌৰসভাখনে সম্পূৰ্ণ দুৰ্নীতি গাপ দিয়াৰ চেষ্টা কৰিছে। বিচৰা ২০১৮-১৯ আৰু ২০১৯-২০ বিত্তীয় বৰ্ষৰ কেছ বুকৰ জেৰক্স কপিৰ বিপৰীতে ২০১৮ৰ এপ্ৰিল-মে' মাত্ৰ দুটা মাহৰ কেছ বুক দি দায়িত্ব সামৰিছে কৰ্তৃপক্ষই। এই সন্দৰ্ভত ৰাইজৰ দলৰ জিলা সমিতিয়ে সদৰী কৰা মতে, কেছ বুকৰ পৃষ্ঠা নম্বৰ তিনিত 'হোৱাইট ইনাৰ' মাৰিছে। যিটো এটা নীতি বহিৰ্ভূত কথা। প্ৰতিটো পৃষ্ঠাতে খেলি-মেলি আছে যদিও তাৰ ভিতৰত কেছ বুকৰ ১১ নম্বৰ পৃষ্ঠাত উল্লেখ কৰা ১২,০০০ টকা, ৪,৩০০ টকা, ১,১২,৪১০ টকাৰ চেক প্ৰদান কৰিছে অথচ চেক নম্বৰ উল্লেখ নাই। পৃষ্ঠা নম্বৰ ১৫ ত ৭/৫/২০১৮ তাৰিখে যি টকা দিয়া দেখুৱাইছে সেই নামটো স্পষ্ট নহয় আৰু তাত ভাউচাৰ নম্বৰো উল্লেখ নাই, মুঠ টকা দিছে ৩১,২১৪ টকা। ১৩ পৃষ্ঠাত চাওক



*শিৱসাগৰৰ বনমুখত ভোগালী বিহু উপলক্ষে মেজি প্ৰস্তুত ৰাইজৰ, বুধবাৰে।*

## দৈয়াঙৰ সোণাপুৰত সমন্বয়ক নৌকা যাত্ৰাৰে ভোগালীক আদৰিব

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১২ জানুৱাৰী ঃ** ২০২০-২১ৰ দুটা বৰ্ষ ঘাতক কৰ'নাই অসমৰ জাতীয় সংস্কৃতি বাপতি সাহোন বিহু পালনৰ ক্ষেত্ৰত বাধাৰ প্ৰাচীৰৰূপে থিয় দিয়াত অসমৰ ৰাইজ বিহু পালনৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। সম্প্ৰতি পুনৰ কৰ'নাই তথা নতুন প্ৰজাতিৰ ৰোগ-ব্যাধিৰ সৃষ্টি হৈ অসমীয়া জাতিৰ আপুৰুগীয়া সংস্কৃতি বিহু উদ্‌যাপন পৰিপ্ৰেক্ষিতত ব্যাঘাত জন্মায়। কিন্তু অসমীয়া জাতীয় সংস্কৃতি জীয়াই ৰখাৰ প্ৰয়াসেৰে চৰকাৰৰ ক'ভিড নিয়ম মানি গোলাঘাট জিলাৰ বৃহত্তৰ দৈয়াং অঞ্চলৰ সোণাপুৰ আৰু নাৰায়ণপুৰ গাঁৱৰ সমূহ যুৱক-যুৱতী তথা বিহুপ্ৰেমী ৰাইজৰ সহযোগত সোণাপুৰ নামঘৰৰ সমীপৰ সোণোৱালী পথাৰত অষ্টম বাৰ্ষিক ভোগালী বিহু উৎসৱ উদ্‌যাপনৰ পূৰ্ণ প্ৰস্তুতি চলিছে। সেই উপলক্ষে এটা সপ্তাহ ধৰি যুৱক-যুৱতীসকলে সোণোৱালী পথাৰত নৰাৰ ভেলাঘৰ ২০ ফুট উচ্চতাৰ মেজি শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱ গুৰু দুজনাৰ সৃষ্টি সমন্বয়ৰ নৌকা আদি নিৰ্মাণ কৰিছে স্থানীয় ভাস্কৰ্য শিল্পী যাদৱ হাজৰিকা আৰু তেওঁৰ সংগীবৃন্দই। প্ৰস্তাৱিত কাৰ্যসূচী অনুসৰি, মাঘৰ বিহুৰ উৰুকা দিনা ভেলাঘৰত চাফাই অভিযান, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আদি কাৰ্যসূচী ৰূপায়িত হ'ব। বিয়লি ভাগত শিশু আৰু পুৰুষ-মহিলাসকলৰ মাজত সংগীত বল, ৰছী টনা, মিউজিক চেয়াৰ আৰু পাৰপানী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ৰাইজে মাছ-মাংসৰে সম্প্ৰীতিৰ এসাঁজ গ্ৰহণ কৰিব আৰু জনপ্ৰিয় কণ্ঠশিল্পী মনালিছা বৰাৰ গীতৰ শৰাই অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদযাপন সমিতিৰ বিষয়ববীয়া মিলন গগৈ, যাদৱ হাজৰিকা আৰু পিংকু বৰাই জানিবলৈ দিছে।

## টোলগেটৰ মাচুলৰ পৰা সাংবাদিকক ৰেহাই দিয়াৰ দাবী জাফাৰ

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১২ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় ঘাইপথত যান-বাহনসমূহৰ পৰা কৰ সংগ্ৰহৰ বাবে স্থাপন কৰা টোলগেটৰ মাচুলৰ পৰা সাংবাদিক-সংবাদ প্ৰতিষ্ঠানৰ যান-বাহনক ৰেহাই দিয়াৰ বাবে দাবী জনাইছে জাৰ্ণেলিষ্ট এছ'চিয়েছন ফৰ আছাম চমুকৈ জাফাই। এক বিবৃতিত জাফাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতিৰ অভিদ্বীপ চৌধুৰী, কাৰ্যকৰী সভাপতি পংকজ ডেকা আৰু সম্পাদক প্ৰধান কুঞ্জ মোহন ৰায়ে কয় যে মাজিথিয়া আয়োগে ধাৰ্য কৰি দিয়া পাৰিতোষিক অবিহনে অসমৰ গৰিষ্ঠসংখ্যক সাংবাদিকে সংবাদসেৱাৰ পৱিত্ৰ দায়িত্বত নিয়োজিত হৈ সমাজসেৱাৰ নিজৰ দায়িত্ব-কৰ্তব্য কোনো ধৰণৰ অৱহেলা নকৰাকৈ পালন কৰি আহিছে। আৰ্থিক অৱস্থা শোচনীয় হ'লেও দায়িত্বৰ খাতিৰত সংবাদ সংগ্ৰহৰ বাবে সাংবাদিকসকলে বিভিন্ন ঠাইলৈ গৈ বাতৰি সংগ্ৰহ কৰি আহিছে। তেনে ক্ষেত্ৰত সাংবাদিকে ব্যৱহাৰ কৰা যানবাহনেও টোলগেটত মাচুল আদায় দিব লগা হোৱাত অসমৰ সাংবাদিক সমাজ আৰ্থিকভাৱে সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। এই সমস্যাৰ পৰা অসমৰ সাংবাদিক সমাজক শীঘ্ৰে পৰিত্ৰাণ দিবলৈ জাফাৰ নেতৃবৃন্দই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে তথ্য আৰু জনসংযোগ মন্ত্ৰীক আহ্বান জনায়। উক্ত বিবৃতিটোত জাফাৰ নেতৃবৃন্দই লগতে উল্লেখ কৰে যে টোলগেটৰ মাচুলৰ পৰা সকলো সাংবাদিকক ৰেহাই দিয়াত অসুবিধা থাকিলেও আৰম্ভণিতে চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিক আৰু চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সংবাদ মাধ্যম, সংবাদ প্ৰতিষ্ঠানৰ যানবাহনক মাচুল ৰেহাই ঘোষণা কৰি অসম চৰকাৰে সাংবাদিক সমাজৰ প্ৰতি থকা নিজৰ সদিচ্ছা আৰু সদ্ভাৱৰ পৰিচয় দিয়া উচিত।

## মাঘ বিহুৰ ঐতিহ্য-পৰম্পৰা ৰক্ষা কৰিব লাগিব ঃ মহাসংঘ

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১২ জানুৱাৰী ঃ** অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ জাতীয় উৎসৱ মাঘ বিহু পালনৰ জৰিয়তে ঐতিহ্য আৰু পৰম্পৰা যথাযথভাৱে ৰক্ষা কৰিব লৈ অসমৰ জাতি সংঘ-অসম সন্মিলিত মহাসংঘই মুকলি আহ্বান জনাইছে। উৰুকাৰ নিশা বয়স অনুপাতে লগ ভাত খাই পাছদিনা পুৱা মেজি জ্বলায় সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰিবলৈ আহ্বান জনোৱাৰ লগতে মহ যুঁজ, কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ অনুষ্ঠিত কৰিবলৈ আহ্বান জনাইছে। কোনেও যাতে মেজি জ্বলোৱাৰ নামত ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, শিৱদৌল আদিৰ আৰ্হিত ভেলাঘৰ নিৰ্মাণ কৰি দাহ নকৰে তাৰ বাবে সকলোকে সতৰ্কতা অৱলম্বন কৰিবলৈ খিলঞ্জীয়া ৰাইজক অনুৰোধ জনাইছে অসম সন্মিলিত মহাসংঘৰ সভাপতি পেৰং চিৰি, কাৰ্যকৰী সভাপতি মতিউৰ ৰহমান আৰু মহা সচিব পূৰ্ণানন্দ ৰাভাই।

**■ ৰংঘৰ-কাৰেংঘৰৰ আৰ্হিত ভেলাঘৰ জ্বলাই দিয়া বন্ধ কৰিবলৈ সকীয়নি**

ভেলাঘৰ জ্বলাই দিয়াটো অপসংস্কৃতি আৰু সভ্যতাৰ কলংক বুলি অভিহিত কৰে মহাসংঘই। লগতে মাঘ বিহু পালনৰ ক্ষেত্ৰত কাৰো নিৰ্দেশ দিয়াৰ অধিকাৰ নাই বুলিও মহাসংঘই স্পষ্ট কৰি দিয়ে। মংগলীয় সংস্কৃতি প্ৰধান বিহুৰ গাত নানা ৰং সানি মূল পৰম্পৰা আৰু ঐতিহ্য বিনষ্ট কৰিবলৈ চেষ্টা কৰি থকা মহলক কঠোৰভাৱে সকীয়াই দিয়ে।

## আলোচনী প্ৰতিযোগিতাত শিৱসাগৰ মহকুমা শ্ৰেষ্ঠ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১২ জানুৱাৰী ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত সদ্য অনুষ্ঠিত বঙাইগাঁও অধিবেশনৰ লগত সংগতি ৰাখি আয়োজিত আলোচনী প্ৰতিযোগিতাৰ ফলাফল ঘোষণাৰ লগতে বঁটা বিতৰণ কৰা হয়। সন্মিলনীৰ উদ্যোগত পোন প্ৰথমবাৰৰ বাবে আয়োজিত প্ৰতিযোগিতাত শ্ৰেষ্ঠ আলোচনী হিচাপে বিবেচিত হয় হৰেন শৰ্মা আৰু নৱনীত হাজৰিকাৰ দ্বাৰা সম্পাদিত শিৱসাগৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ আলোচনী 'অভ্ৰভেদী'। ৰাষ্ট্ৰীয় শিক্ষা নীতি-শিক্ষা সম্পৰ্কীয় বিভিন্ন প্ৰবন্ধৰে সমৃদ্ধ আলোচনীখন শ্ৰেষ্ঠ বিবেচিত হোৱাত শিৱসাগৰৰ শিক্ষক সমাজে আনন্দ প্ৰকাশ কৰিছে। প্ৰতিযোগিতাত ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে উদয়ন্তী হাজৰিকা সম্পাদিত ডিব্ৰুগড় মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ 'গুৰুবন্তি' আৰু নিকু ভাগৱতী সম্পাদিত কলিয়াবৰ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ আলোচনী 'জ্ঞান কিৰীতি'য়ে।

## নগাঁও চহৰত মটৰ চাইকেল চুৰি

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ জানুৱাৰী ঃ** নগাঁও চহৰৰ পানীগাঁও চাৰিআলিৰ কালীবাড়ীৰ দেৱাশীষ দাস নামৰ ব্যৱসায়ীজনৰ এ এছ-০২ এম- ১১০৩ নম্বৰৰ মটৰ চাইকেলখন আজি দিনৰ প্ৰায় ১১-১৫ বজাত চুৰি হয়। ইটাচালি আৰক্ষী চকীৰ পৰা মাত্ৰ ৩০০ মিটাৰ নিলগৰ তথা ভি মাৰ্ট নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ সন্মুখৰ পৰা দিনদুপৰতে চোৰে মটৰ চাইকেলখন লৈ উধাও হয়। পাছত আৰক্ষীয়ে ঘটনাৰ খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

## দৰঙত ২৪ ক'ভিড আক্ৰান্ত চিনাক্ত

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১২ জানুৱাৰী ঃ** দৰং জিলাত দ্ৰুতগতিত বৃদ্ধি পাইছে ক'ভিড আক্ৰান্ত ৰোগী। জিলাখনত কালি ২৪ জন ৰোগী চিনাক্ত হৈছে। ইয়াৰে দুজনক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ বিপৰীতে ২২ জন হোম আইছ'লেছনত আছে। কালি চিনাক্ত হৈছিল ১৩ গৰাকী ক'ভিড ৰোগী।

## অৱসৰপ্ৰাপ্ত অভিযন্তাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১২ জানুৱাৰী ঃ** গৌৰীসাগৰ মিটিং নকটানি গাঁৱৰ নিবাসী তথা গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা সুৰেশ শইকীয়া (৮০)ৰ কালি ডিব্ৰুগড়স্থিত এখন বেচৰকাৰী চিকিৎসালয়ত মৃত্যু হয়। শিৱসাগৰ যুৱ দল, শিৱসাগৰ শংকৰ মন্দিৰ নামঘৰৰ আজীৱন সদস্য শইকীয়াৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত শইকীয়াই পত্নীসহ দুজন পুত্ৰ আৰু দুগৰাকী কন্যাৰ উপৰি ভগ্নী-জোঁৱাই, নাতি-নাতিনীসহ বহুতো আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে।

## তিতাৰাম বৰদলৈৰ মহাৰজত জয়ন্তীত আইফেল টাৱাৰ



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১২ জানুৱাৰী ঃ** তিতাৰাম বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ স'তে সংগতি ৰাখি অনুষ্ঠিত এখন বিভিন্ন আৰ্হি আৰু চিত্ৰৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়। বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত কৰা প্ৰদৰ্শনীত দৰ্শকৰ মূল আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছিল আইফেল টাৱাৰ আৰু এখন বিদ্যালয়ৰ আৰ্হি। সম্পূৰ্ণ বাঁহৰ কাঠীৰে নিৰ্মিত আইফেল টাৱাৰটোৰ আৰ্হি সাজি উলিয়াইছিল ডাঃ নবীন বৰদলৈ মহাবিদালয়ৰ ইতিহাস বিভাগৰ তৃতীয় ষাণ্মাষিকৰ ছাত্ৰ তুষাৰ বৰুৱাৰ ছবি (পেঞ্চিল শ্বেডিং) অংকনে সমাদৰ লাভ কৰে। তদুপৰি ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া সমাজ জীৱনৰ লাগতিয়াল কৃষি, তাঁতশালত বোৱা-কটা সামগ্ৰী, ঢেঁকী, কুলা, চালনী ভাৰপাচি আদিকে প্ৰস্তুত কৰে।

## যোৰহাটত প্ৰশিক্ষণ কৰ্মশালা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১২ জানুৱাৰী ঃ** আন্তঃৰাষ্ট্ৰীয় সামাজিক সংস্থা 'ছেভ দি চিলড্ৰেন'ৰ উদ্যোগত আৰু জিলা শিশু সুৰক্ষা কোষ, যোৰহাটৰ সহযোগত ডিষ্ট্ৰিক্ট চাইল্ড প্ৰটেকচন ৱৰ্কৰ ফ'ৰ্চৰ এক প্ৰশিক্ষণ তথা কৰ্মশালা 'দ্য মেনৰ'ত অনুষ্ঠিত হয়। অনুষ্ঠান মুকলি কৰে জিলা সমাজ কল্যাণ বিষয়া ৰাজকুমাৰ কেডিয়াই। 'ছেভ দি চিলড্ৰেন' অসমৰ সহকাৰী প্ৰৱন্ধক কৃতাঞ্জলি কাশ্যপে বাল্য বিবাহ আইন, কাৰক আদিৰ বিষয়ে আলোকপাত কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰৱক্তা কৃষ্ণা বৰদলৈয়ে এডপ্টছন আইন, ব্যৱস্থা আদিৰ বিষয়ে কয়। এডপ্টছনৰ ব্যৱহাৰিক দিশ আৰু কৰ্তব্য পালনত দেখা দিয়া সমস্যাসমূহৰ প্ৰতিকাৰৰ বিষয়ে কয়।

## যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১২ জানুৱাৰী ঃ** যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত আৰু বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ সহযোগত যোৱা ১১ ডিচেম্বৰত যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হয়। যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দুলেন শইকীয়াই উদ্বোধন কৰা আলোচনাচক্ৰত অংশগ্ৰহণ কৰে বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জ্যোতিপ্ৰসাদ শইকীয়াই। ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, মাজুলী আদি জিলাৰ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী ড° ৰাজেন বৰাই আদৰণি ভাষণ প্ৰদান কৰে।

## এলেঙীত কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ১২ জানুৱাৰী ঃ** ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন অহা ২০ জানুৱাৰীত অনুষ্ঠিত হ'ব। ইতিমধ্যে বিজেপি আৰু কংগ্ৰেছ প্ৰাৰ্থীৰ সমৰ্থনত দুই দলৰে নেতাসকলে নিৰ্বাচনী প্ৰচাৰ ব্যাপক কৰি তুলিছে। পৰিষদৰ মুঠ ২২ সমষ্টিৰ ভিতৰত সৰ্বাধিক ১০ টা সমষ্টি তিতাবৰতে আছে। শাসকীয় দল বিজেপিয়ে মন্ত্ৰী, সাংসদ আৰু বিধায়কসকলক প্ৰতিটো সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰক নিয়োগ কৰিছে। আনহাতে, বিৰোধী কংগ্ৰেছৰ নেতা কলিয়াবৰ সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু তিতাবৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই কংগ্ৰেছৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত ব্যাপক নিৰ্বাচনী প্ৰচাৰত অৱতীৰ্ণ হৈছে। ইয়াৰ মেলামাটি গাঁও পঞ্চায়ত অঞ্চলৰ এলেঙী চাৰিআলিত তামোলবাৰী সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী লক্ষেশ্বৰ হাজৰিকাৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। মেলামাটি মণ্ডল কংগ্ৰেছ কমিটীৰ সভাপতি অশ্বিনী বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত কংগ্ৰেছ প্ৰাৰ্থী লক্ষেশ্বৰ হাজৰিকাই ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদত পৰিষদৰ অঞ্চলাধীন সকলো জাতি-জনগোষ্ঠীৰ সমান সুযোগ-সুবিধা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰিছে।

## তিনিচুকীয়া, মাকুম-ডুমডুমা পৌৰসভাৰ পৰিপূৰক ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১২ জানুৱাৰী ঃ** আজি অসম পৌৰ আইন ১৯৫৬(১৯৯৫ৰ সংশোধনী সহ)ৰ অধীনত পৌৰসভাৰ আয়ুক্তসকলৰ নিৰ্বাচন সম্পৰ্কীয় বিধি অনুসৰি তিনিচুকীয়া, মাকুম আৰু ডুমডুমা পৌৰসভাৰ ফটো সম্বলিত পৰিপূৰক ভোটাৰ তালিকাৰ খচৰা প্ৰকাশ কৰা হৈছে। তিনিওখন পৌৰসভাৰ ফটোযুক্ত পৰিপূৰক ভোটাৰ তালিকাৰ খচৰাৰ প্ৰতিলিপি তিনিচুকীয়া জিলা উপায়ুক্তৰ কাৰ্যালয়, তিনিচুকীয়া মহকুমা দণ্ডাধীশৰ কাৰ্যালয়, তিনিচুকীয়া আৰু ডুমডুমা চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লগতে তিনিচুকীয়া সদৰ আৰক্ষী থানা, মাকুম আৰক্ষী চকী, ডুমডুমা আৰক্ষী চকী তথা মাকুম, তিনিচুকীয়া আৰু ডুমডুমাৰ পৌৰসভাৰ কাৰ্যালয়ত উপলব্ধ হৈছে। ভোটাৰ তালিকা প্ৰস্তুতকৰণৰ বাবে পহিলা জানুৱাৰী উপযুক্ততাৰ সীমা বুলি গণ্য কৰা হৈছে। উপযুক্ততাৰ বাবে নিৰ্ধাৰিত তাৰিখৰ ভিতৰত ভোটাৰ তালিকাত নাম অন্তৰ্ভূক্তিকৰণৰ বাবে আবেদন তথা লিপিবদ্ধ তালিকাৰ যিকোনো খুঁটি-নাটি সম্পৰ্কীয় অভিযোগ অহা ২১ জানুৱাৰীৰ ভিতৰত দাখিল কৰিব লাগিব। ইয়াৰ বাবে অসম পৌৰ আইন ১৯৫৬(১৯৯৫ৰ সংশোধনীসহ)ৰ পৌৰসভাসমূহৰ আয়ুক্তসকলৰ নিৰ্বাচন সম্পৰ্কীয় বিধিৰ অধীনত দুই নম্বৰ আৰু তিনি নম্বৰ প্ৰ-পত্ৰ পূৰণ কৰিবলগীয়া। এনে ধৰণৰ যিকোনো দাবী অথবা আপত্তিৰ বাবে পোনপটীয়াকৈ পৌৰসভাৰ কাৰ্যালয়ত উল্লিখিত তাৰিখৰ ভিতৰত যোগাযোগ কৰিব লাগিব। তদুপৰি ভোটাৰসকলে তেওঁলোকৰ নিৰ্দিষ্ট পৌৰসভাৰ কাৰ্যালয়ত ২১ জানুৱাৰীৰ ভিতৰত পোৱাকৈ ডাকযোগে নামৰ অন্তৰ্ভুক্তিৰ বাবে অথবা যিকোনো সংশোধনীৰ বাবে আবেদন প্ৰেৰণ কৰিব পাৰিব।

## ছহিদ পিয়লী ফুকন মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় যুৱ দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**নামতি, ১২ জানুৱাৰী ঃ** ছহিদ পিয়লী ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত ২৫ সংখ্যক ৰাষ্ট্ৰীয় যুৱ দিৱস উদ্‌যাপন কৰা হয়। স্বামী বিবেকানন্দৰ জন্ম জয়ন্তীৰ দিনা সমগ্ৰ ভাৰতবৰ্ষৰ এই দিৱস উদ্‌যাপন কৰে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাষ্ট্ৰীয় যুৱ মহোৎসৱৰ আৰম্ভণি ভাষণ লাইভৰ জৰিয়তে উপভোগ কৰে। তাৰ পাছত এক বিশেষ বক্তৃতা অনুষ্ঠান আয়োজন কৰে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে। 'একবিংশ শতিকাৰ যুৱ সমাজলৈ স্বামী বিবেকানন্দৰ বাৰ্তা' শীৰ্ষক বক্তৃতা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথ আৰু অধ্যাপকদ্বয় ড° বিমান চন্দ্ৰ বৰা, ড° উমাকান্ত হাজৰিকা, ড° শ্বাহিউজ জামান আহমেদে বক্তব্য ৰাখে। তেওঁলোকৰ বক্তৃতাত ভাৰতীয় দৰ্শন, শিক্ষা, বিজ্ঞান মানসিকতাৰ ওপৰত বক্তব্য আগবঢ়ায়। শলাগৰ শৰাই আগবঢ়ায় মৌচুমী খনিকৰে। সভাৰ আঁত ধৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া পাপু কুমাৰ ঙাটৈই।

## পানবাৰীত মটৰ চাইকেল চোৰ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১২ জানুৱাৰী ঃ** চিৰাঙৰ পানবাৰীত বিগত কিছুদিনৰ পৰা মটৰ চাইকেল চোৰ চক্ৰ গা কৰি উঠাত অঞ্চলটোত কে'বাখনো বাহন চুৰি হৈছে। শেহতীয়াকৈ যোৱা মাহত পানবাৰী থানাৰ অন্তৰ্গত আলুখুন্দাত থিয়েটাৰ চাবলৈ যোৱা এজন লোকৰ বাহন চুৰি হোৱাত লোকজনৰ এজাহাৰৰ ভিত্তিত পানবাৰী আৰক্ষীয়ে অভিযান চলাই বিশেষ তথ্যৰ ভিত্তিত বঙাইগাঁও জিলাৰ গৰাইমাৰীৰ দুজন চোৰক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰ দুজন ক্ৰমে গৰাইমাৰীৰ ছামছুল আলম (২২) আৰু মোকছেদুল আলী (২১)। পানবাৰী চক্ৰ আৰক্ষী বিষয়া পৱিত্ৰ খনিকৰৰ নেতৃত্বত চলা অভিযানত গ্ৰেপ্তাৰ হোৱা চোৰ দুজনৰ স্বীকাৰোক্তিৰ ভিত্তিত মানকাচৰৰ পৰা উদ্ধাৰ কৰে চুৰি হোৱা মটৰ চাইকেল। আৰক্ষীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি চুৰি চক্ৰটোৰ স'তে মানকাচৰ হাটশিঙিমাৰীৰ লোক জড়িত হৈ আছে আৰু অসমৰ বিভিন্ন ঠাইৰ পৰা চুৰি হোৱা বাহনসমূহ মানকাচৰ হৈ বাংলাদেশলৈ প্ৰেৰণ কৰে।

## নগাঁৱত কৃষি বিভাগৰ ক্ৰেতা-বিক্ৰেতাৰ মিলন সমাৰোহ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ জানুৱাৰী ঃ** কৃষিৰ গতি ত্বৰান্বিত কৰাৰ স্বাৰ্থত আৰু কৃষিজাত সামগ্ৰীৰ সঠিক বিপণন নিৰ্বাচন আৰু নিৰ্ধাৰণৰ মহৎ উদ্দেশ্য আগত ৰাখি নগাঁও জিলা কৃষি বিভাগৰ তত্ত্বাৱধানত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তকৰণ প্ৰকল্পৰ অধীনত আটমা নগাঁৱৰ উদ্যোগত কালি 'ক্ৰেতা-বিক্ৰেতাৰ মিলন সমাৰোহ' শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত হয়। এই উদ্দেশ্যে অনুষ্ঠিত সভাত উপস্থিত থাকে নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰূপ শৰ্মা, সহকাৰী জিলা উপায়ুক্ত (কৃষি) শান্তনা বৰা, কৃষি গৱেষণা কেন্দ্ৰ চিলঙনীৰ মুখ্য বিজ্ঞানী ড° অমল শৰ্মাকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি। নগাঁও জিলা কৃষি বিভাগৰ সভাগৃহত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে অৰূপ শৰ্মাই। জিলা কৃষি বিষয়া অৰুণ চন্দ্ৰ হাজৰিকাই আঁত ধৰা সভাত জিলাখনৰ অধীনত থকা বিভিন্ন উন্নয়ন খণ্ডৰ পৰা আমন্ত্ৰিত কৃষক গোট, এগ্ৰ' প্ৰডিউচাৰ কোম্পানী, কৃষক, আমন্ত্ৰিত ভিন্ন কোম্পানী, তৈল মিল, ধান বনা মিল, শাক-পাচলিৰ ক্ৰেতাৰ মাজত কৃষিজাত সামগ্ৰীৰ বিক্ৰী অথবা ক্ৰয়ৰ বাবে আলোচনা হোৱাৰ লগতে চুক্তি স্বাক্ষৰ হয়।

## বিশিষ্ট ব্যৱসায়ী মানিক ৰয়ৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ জানুৱাৰী ঃ** নগাঁও চহৰৰ ৰামকৃষ্ণ পথ নিবাসী তথা ইটাচালী শিৱা ইলেকট্ৰিকেল নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰ মাণিক ৰয় (৬২)ৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিগত ১৮ দিন ধৰি উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। ব্যৱসায়ীজনৰ মৃত্যুত নগাঁৱৰ ইটাচালীৰ সকলোবোৰ ব্যৱসায়িক প্ৰতিষ্ঠানে স্বতঃস্ফূৰ্তভাৱে দিনটোৰ বাবে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহে বন্ধ পালন কৰি শ্ৰদ্ধা নিবেদন কৰে। ব্যৱসায়ীজনৰ মৃতদেহ গুৱাহাটীৰ পৰা নগাঁৱৰ নিজা বাসভৱনলৈ অনাৰ পাছত বহুসংখ্যক লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিয়লি তেওঁৰ নশ্বৰ দেহ গুণমুগ্ধৰ উপস্থিতিত আমোলাপট্টি শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই কন্যা আৰু এজন পুত্ৰক ইহসংসাৰত এৰি যায়।

## ডিগবৈ পৌৰসভা আইঅ'চিৰ অঁৰিয়া-অঁৰিত যমৰ যাতনা ভুগিছে ডিগবৈবাসীয়ে

### ■ ডিগবৈত কৃত্ৰিম বানপানী

**ডিগবৈ, ১২ জানুৱাৰী ঃ** ডিগবৈ যশোদা হ'ল তিনিআলি পথছোৱাৰ বিধস্তৰূপে ডিগবৈবাসীক বাৰুকৈয়ে জ্বলাকলা খুৱাইছে। পথটোৰ বিধস্ত ৰূপত বিগত বহু বছৰৰ পৰা অতিষ্ঠ হৈ আহিছে ডিগবৈবাসী। তাতকৈ পৰিতাপৰ বিষয় এজাক সাধাৰণ বৰষুণতে উক্ত পথছোৱাত কৃত্ৰিম বানপানীৰ সৃষ্টিয়ে বিপদত পেলাইছে সাধাৰণ ৰাইজক। সদা ব্যস্ত পথটোৰ অগণন লোকৰ আহ-যাহ আছে যদিও ডিগবৈ পৌৰসভা আৰু আইঅ'চি দুই পক্ষৰ অৰিয়াঅৰিত সাধাৰণ ৰাইজে যমৰ যাতনা ভুগিব লগাত পৰিছে। স্থানীয় ভুক্তভোগীয়ে বহু সময়ত পথচোৱা নিৰ্মাণৰ অৰ্থে ডিগবৈ পৌৰসভাক আবেদন-নিবেদন কৰি আহিছে যদিও পৌৰসভাৰ দায়িত্বত থকা বিষয়াই আইঅ'চি অধীনস্থৰ পথ হোৱাৰ হেতুকে নিৰ্মাণ নকৰাৰ গা এৰা মন্তব্যৰে বিগত বহু বছৰৰ পৰাই অনীহা দেখুৱাই অহা পৰিলক্ষিত হৈ আহিছে। এজাক সাধাৰণ কিনকিনিয়া বৰষুণ দিলেই পথটোৰ যাতায়াত ব্যৱস্থা অচল হোৱাৰ লগতে ব্যৱসায়-বাণিজ্য চলাই নিয়াত সমস্যাৰ সন্মুখীন হ'ব লগাত পৰিছে সাধাৰণ ৰাইজে। উল্লেখনীয় বিষয় যে উক্ত পথটো নিৰ্মাণৰ সন্দৰ্ভত ডিগবৈৰ স্থানীয় বিধায়ক সুৰেন ফুকনকো কে'বাবাৰো অৱগত কৰি অহাৰ পাছতো কোনো গুৰুত্ব আৰোপ নকৰাত ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ডিগবৈ পৌৰসভা আৰু আইঅ'চিৰ বিবেকহীন কৰ্মকাণ্ডত অতিষ্ঠ স্থানীয় ৰাইজে দুয়োপক্ষক এই সন্দৰ্ভত মীমাংসা কৰি অনতিপলমে পথটো মেৰামতি কৰি কৃত্ৰিম বানপানীৰ পৰা পৰিত্ৰাণ দিবলৈ দাবী জনাইছে। অন্যথা ডিগবৈ পৌৰসভা আৰু আইঅ'চিৰ বিৰুদ্ধে আন্দোলন কাৰ্যসূচী ৰূপায়ণৰ হুংকাৰ প্ৰদান কৰিছে স্থানীয় ৰাইজে।



## যুগল উচ্চ মাধ্যমিক বিদ্যালয়ত বিশেষ অনুষ্ঠানত চাৰিখন প্ৰাচীৰ পত্ৰিকা উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১২ জানুৱাৰী ঃ** সাহিত্য, প্ৰকৃতি সংৰক্ষণ আৰু ৰাজ্যৰ বহুৰঙী সাংস্কৃতিক কাৰ্যসূচীৰে এক অনন্য পৰিৱেশৰ সৃষ্টি হ'ল তেজপুৰৰ নিকটৱৰ্তী যুগল উচ্চ মাধ্যমিক বিদ্যালয়ত। বিগত সময়ছোৱাত শৈক্ষিক তথা ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ লগতে কৃষি আৰু ভিন্ন ক্ষেত্ৰত উপকাৰ সাধন হোৱাকৈ ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰি অহা বিদ্যালয়খনত এইবাৰ বিশ্বৰ জৈৱ বৈচিত্ৰ্যৰ ক্ৰমশঃ হৈ থকা ধ্বংসযজ্ঞ আৰু ইয়াৰ সমান্তৰালভাৱে জীৱকুলৰ প্ৰতি অহা ক্ৰমবৰ্ধিত ভাবুকিয়ে সকলোকে সন্ত্ৰস্ত কৰি তোলাৰ সময়তে ইয়াৰ সংৰক্ষণ আৰু সচেতনতাৰ বাৰ্তাৰে স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলক সজাগ-সচেতন কৰি তোলাৰ প্ৰয়াস কৰা হয়। কালি এই কাৰ্যসূচীৰ অংশৰূপে শিক্ষয়িত্ৰী নিংকুনিশা নেওগৰ ৰচনা আৰু পৰিচালনাত মঞ্চস্থ কৰা একাংকিকা নাটক 'পৃথিৱীৰ অসুখ' আৰু সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি অভিভাৱক ৰাইজ আপ্লুত হৈ পৰে। পুৱাতেই চাৰিখন প্ৰাচীৰ পত্ৰিকা উন্মোচনৰে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চা তথা বৌদ্ধিক উত্তৰণৰ আন এক পদক্ষেপ বাস্তৱায়িত কৰা হয়। বিদ্যালয়খনৰ সাহিত্য বিভাগৰ তত্ত্বাৱধানত বছৰত দুবাৰকৈ প্ৰস্তুত কৰা ১৩ পৃষ্ঠাত চাওক

## ■ অধিক সংখ্যক লোকৰ মুখত নাই মাস্ক ঃ মুঠেই সচেতন নহয় ৰাইজ

# ওদালগুৰি বজাৰত ধোঁৱাচাঙত ক'ভিডৰ নিৰ্দেশনা



**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১২ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে অসমতো ক'ভিডত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে জাৰি কৰিছে কেতবোৰ কঠোৰ নিৰ্দেশনা। সমান্তৰালভাৱে সকলো ৰাজহুৱা স্থানতে মাস্ক পৰিধান আৰু সামাজিক ব্যৱধানৰ লগতে আন ক'ভিড নিৰ্দেশনাসমূহ কঠোৰভাৱে বলৱৎ কৰাৰ বাবে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিছে। কিন্তু ইয়াৰ পাছতো ওদালগুৰি জিলা প্ৰশাসনৰ নিৰ্লিপ্ত ভূমিকাৰ বাবে ওদালগুৰিত ধোঁৱাচাঙত উঠিল ক'ভিড নিৰ্দেশনা। সামাজিক ব্যৱধানতো দূৰৰে কথা, বিহু উপলক্ষে আজি কণ কণ শিশুৰ পৰা বৃদ্ধলৈকে সমৱেত হোৱা ওদালগুৰি সাপ্তাহিক বজাৰত অভাৱনীয় ভিৰ হোৱা সত্ত্বেও অধিকাংশ বিক্ৰেতা আৰু গ্ৰাহকৰ মুখত দেখা নগ'ল মাস্ক। ফলত, বজাৰখনত সমৱেত হোৱা বিক্ৰেতা-গ্ৰাহকসকলৰ দ্বাৰাই চহৰখনৰ ভিন্ন প্ৰান্তলৈ ক'ভিডৰ সংক্ৰমণ হোৱাৰ আশংকাই দেখা দিছে। এইবোৰ দেখি-শুনিও নেদেখাৰ ভাও জুৰিছে ওদালগুৰি জিলা প্ৰশাসনে। কিয়নো আগন্তুক ভোগালী বিহু উপলক্ষে আজি অভাৱনীয় ভিৰ হোৱা ওদালগুৰি সাপ্তাহিক বজাৰৰ মাজেৰে জিলাখনৰ প্ৰশাসনীয় বিষয়াসকল কে'বাবাৰো অহা-যোৱা কৰি আছে যদিও বিষয়টো সন্দৰ্ভত দৃষ্টিগোচৰ নহ'ল তেওঁলোকৰ। যাৰ বাবে জিলা প্ৰশাসনৰ নিৰ্লিপ্ত ভূমিকাৰ বাবে আজি অভাৱনীয় ভিৰ পৰিলক্ষিত হোৱা ওদালগুৰি সাপ্তাহিক বজাৰত ধোঁৱাচাঙত উঠিল চৰকাৰৰ ক'ভিড নিৰ্দেশনা।

## বনৰজাৰ আক্ৰমণত আহত এক

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১২ জানুৱাৰী ঃ** বাঘ-মানুহ আৰু গৰু-ছাগলী একেলগে দেখা গ'ল শোণিতপুৰৰ বৰছলাত। বৰছলাৰ নিজ বৰছলা পথাৰত দিন দুপৰতে ঢেঁকীয়াপতীয়া বাঘ, মানুহ, গৰু একেলগে দেখা গ'ল। অৱশ্যে বাঘৰ আক্ৰমণত এজন লোক আহত হয়। বাঘৰ আক্ৰমণত আঘাতপ্ৰাপ্ত প্ৰেম কোচ নামৰ ব্যক্তিজনক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। শোণিতপুৰ জিলাৰ বৰছলাত বিগত ১৭ দিন ধৰি এটা ঢেঁকীয়াপতীয়া বাঘে সন্ত্ৰাস চলাই থকাত স্থানীয় ৰাইজ শংকিত হৈছে। খাদ্যৰ সন্ধানত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা জনাঞ্চললৈ ওলাই অহা প্ৰকাণ্ড ঢেঁকীয়াপতীয়া বাঘটোৱে উদ্যানখনৰ কাষৰীয়া নিচলামাৰী গাঁওখনত প্ৰৱেশ কৰি গৰু-ছাগলী নিধন কৰি আহিছে। আজি বাঘৰ আক্ৰমণত এজন লোক আঘাতপ্ৰাপ্ত হ'বলগীয়া হয়। পথাৰত গৰু আনিবলৈ যোৱা প্ৰেম কোচ নামৰ এজন ব্যক্তিক হঠাৎ ঢেঁকীয়াপতীয়া বাঘটোৱে আক্ৰমণ কৰে।

# নলবাৰীৰ কৰ্দৈতোলাত শিল্পী দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১২ জানুৱাৰী ঃ** নলবাৰী জিলাৰ কৰ্দৈতোলা-তিলানা সূৰুয সংঘৰ উদ্যোগত অহা ১৭, ১৮ জানুৱাৰীত জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত শিল্পী দিৱসৰ আয়োজন কৰা হৈছে। প্ৰথমদিনা পতাকা উত্তোলন, জ্যোতিপ্ৰসাদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, ছহিদ তৰ্পণ, গছপুলি ৰোপণ, আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন খেল-ধেমালি,আবৃত্তি, কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছত জিলাভিত্তিক অনুষ্ঠিত হ'ব লগা নৃত্য প্ৰতিযোগিতাৰ পাছত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নলবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লিণ্টু বৰাই। ১৮ জানুৱাৰীত ভেশচন আৰু খেল-ধেমালি প্ৰতিযোগিতাৰ পাছত আবেলি প্ৰাক্তন ছাত্ৰনেতা তথা শিক্ষক ৰঞ্জিত দাসৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকিব জনীয়া সমষ্টিৰ বিধায়ক ড° হাফিজ ৰফিকুল ইছলাম, নৰ্থ-ইষ্ট কেঞ্চাৰ হাস্পতালৰ অধ্যক্ষ গণেশ তামুলী, সাংবাদিক মেৰাজুল হুছেইন, কাজি, নলবাৰীৰ সু-চিকিৎসক ইফতিকাৰ আহমেদ, হাইলাকান্দি জিলা সাহিত্য সভাৰ সভাপতি খাইৰুদ্দিন আহমেদ আৰু নলবাৰী সদৰ আৰক্ষী পৰিদৰ্শক ভগৱান তালুকদাৰে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব আলোচনা পন্থী আলফা নেতা ৰাজু বৰুৱাই। সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী নেকিব, প্ৰিয়ংকা কলিতা আৰু আব্দুল আলীয়ে গীত পৰিৱেশন কৰিব। শিল্পী দিৱস সূচাৰুৰূপে পৰিচালনাৰ বাবে আতোৱাৰ ৰহমানক সভাপতি, আতিকুৰ ৰহমানক কাৰ্যকৰী সভাপতি, ফিৰোজ আহমেদক মুখ্য সম্পাদক, নুৰুল আলীক যুটীয়া সম্পাদক আৰু মিৰ হুছেইনক সম্পাদকৰূপে লৈ এখন ৫১জনীয়া উদ্‌যাপন সমিতি গঠন কৰা হৈছে।

# বিশ্বনাথ আৰক্ষীৰ ভয়ত নিচা মুক্তি কেন্দ্ৰত ভৰ্তি হৈছে ড্ৰাগছ আসক্তই

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ জানুৱাৰী ঃ** বিশ্বনাথত ড্ৰাগছ মুক্ত কৰাৰ ক্ষেত্ৰত যেন বিশ্বনাথ জিলা আৰক্ষীয়ে ক্ৰমান্বয়ে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। জিলা আৰক্ষীয়ে জিলাখনত ধাৰাবাহিকভাৱে নিষিদ্ধ ড্ৰাগছ সৰবৰাহ সেৱনকাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। জিলাখনৰ অন্তৰ্গত বিভিন্ন স্থানত গোপনে গঢ় লৈ উঠা অবৈধ ড্ৰাগছ, গাঞ্জা, মদ জুৱাৰ ঘাটি উচ্ছেদ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে বিশ্বনাথ জিলা আৰক্ষীয়ে অনৈতিক কাৰ্যকলাপ তথা ড্ৰাগছ মাফিয়াৰ বিৰুদ্ধে অভিযান চলাই তিনিজনকৈ লোকক এনকাউণ্টাৰ কৰিছে। কিন্তু তাৰ মাজতে বিশ্বনাথত এক ড্ৰাগছ মুক্তি কেন্দ্ৰই জিলাখনৰ ড্ৰাগছ আসক্ত যুৱকৰ বাবে সুখবৰ কঢ়িয়াই আনিছে। বিশ্বনাথ জিলা আৰক্ষীৰ সহযোগিতাত আজি এসপ্তাহমান আগত গঢ় লৈ উঠা 'এৱাকেনিং ফাউণ্ডেছন' নামৰ নিচা মুক্তি কেন্দ্ৰত এতিয়া ড্ৰাগছ আসক্ত যুৱকৰ সোঁত বৈছে। নিজে নিজে এতিয়া বিশ্বনাথৰ ড্ৰাগছ আসক্ত যুৱকে এই নিচা মুক্তি কেন্দ্ৰটোলৈ ঢাপলি মেলিবলৈ লৈছে। বিশ্বনাথ জিলা আৰক্ষীও বহু ড্ৰাগছ আসক্ত যুৱকক ধৰি নিজকে সংশোধন কৰিবলৈ এই নিচামুক্তি কেন্দ্ৰটোলৈ গতাই দিছে। তাযপৰ্যপূৰ্ণ বিষয় যে বিশ্বনাথ জিলা আৰক্ষীৰ ভয়ত এতিয়া জিলাখনৰ বহু ড্ৰাগছ আসক্ত যুৱক নিজে নিজে নিচা মুক্তি কেন্দ্ৰলৈ আহি নিজকে সংশোধন কৰাৰ চেষ্টা চলাইছে। বহু ড্ৰাছ আসক্ত পিতৃ-মাতৃয়েও এতিয়া নিজ সন্তানক বিশ্বনাথ আৰক্ষীৰ পৰা বচাবলৈ নিচামুক্তি কেন্দ্ৰলৈ লৈ আহিছে।

# বিশিষ্ট কবি, সাহিত্যিক তপন হাজৰিকাৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**ৰহা, ১২ জানুৱাৰী ঃ** ৰহাৰ কলংপৰীয়া সাহিত্য চ'ৰা, ৰহা ৰহদৈ কবি মঞ্চৰ প্ৰতিষ্ঠাপক সম্পাদক, অকণিৰ ছবিঘৰৰ প্ৰতিষ্ঠাপক সভাপতি, ৰহা প্ৰেছ ক্লাবৰ জন্মদাতা তপন হাজৰিকাৰ কালি সন্ধিয়া নিজা বাসভৱনত মৃত্যু হয়। ১৯৫৩ৰ ৩১ মাৰ্চত ৰহাৰ মেটেকাত জন্ম গ্ৰহণ কৰা হাজৰিকাই দুৰ্গাজান প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা সমাপ্ত কৰি ১৯৭৫ত ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক আৰু ১৯৮৮ত নগাঁও মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিয়েই সমাজ কল্যাণ বিভাগত কৰ্মজীৱন আৰম্ভ কৰে। ছাত্ৰ অৱস্থাতে সাহিত্যৰ জগতত বিচৰণ কৰি গল্প, কবিতা লিখিবলৈ আৰম্ভ কৰা হাজৰিকাই নিজৰ জন্মস্থান দুৰ্গাজান কলঙৰ পাৰৰ বহুলোকক একত্ৰিত কৰি জন্ম দিছিল 'কলংপৰীয়া সাহিত্য চ'ৰা'। মৃত্যুৰ সময়লৈকে সুদীৰ্ঘদিন প্ৰধান সম্পাদকৰ দায়িত্ব বহন কৰা হাজৰিকাই ৰহাৰ বৌদ্ধিক মহলৰ স'তে কবিসকলক একত্ৰিত কৰি জন্ম দিছিল 'ৰহা ৰহদৈ কবি মঞ্চ' আৰু ইয়াৰো সম্পাদকৰ দায়িত্ব লৈ নৱ প্ৰজন্মৰ কবিসকলৰ উত্তৰণত উদ্‌গনি দিছিল। কণ কণ শিশুৰ ছবিৰ প্ৰতি আগ্ৰহ জন্মাবলৈ অকণিৰ ছবিঘৰ জন্ম দি নিজে সভাপতিৰ দায়িত্ব লৈ কাম কৰাৰ লগতে ৰহাত প্ৰথম প্ৰেছ ক্লাব গঠন কৰিছিল। সততে সাহিত্য, কবিতাৰ লগত জড়িত থকা হাজৰিকাই কিছুদিনৰ পৰা শাৰীৰিক অসুস্থতাৰ বাবে ঘৰত থাকিবলৈ লৈছিল। তেওঁৰ মৃত্যুৰ বাতৰি পোৱাৰ আগতে আজি পুৱা শ্ৰদ্ধা জনাবলৈ বহু লোকৰ আগমন হয়। মৃত্যুৰ সময়ত শিক্ষয়িত্ৰী পত্নীসহ দুই কন্যা আৰু একমাত্ৰ পুত্ৰৰ লগতে বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে।

# চিজুছাক পৰ্যটন ক্ষেত্ৰৰূপে উন্নয়নত গুৰুত্ব বিশ্বনাথ জিলা উন্নয়ন সমিতিৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ জানুৱাৰী ঃ** গতানুগতিক সভাতকৈ কিছু ব্যতিক্ৰমী চিন্তাৰে বিশ্বনাথ জিলা উন্নয়ন সমিতিৰ সভাখন প্ৰশাসনে কালি অনুষ্ঠিত কৰিলে অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ চিজুছাত। অৰুণাচল প্ৰদেশৰ সুউচ্চ পাহাৰৰ পৰা কুলু কুলু সুৰেৰে বৈ অহা বৰদিকৰাই নদীৰ পাৰৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত বিশ্বনাথ জিলাৰ অন্তৰ্গত চিজুছাত অনুষ্ঠিত হোৱা এই উন্নয়ন পৰ্যালোচনা সভাতে সৰ্বজনবিদিত, প্ৰকৃতিৰ লাস্যময়ী অপৰূপা চিজুছাক এখন জাকত জিলিকা পৰ্যটন ক্ষেত্ৰৰূপে গঢ়ি তুলিবৰ বাবেও কালিৰ পৰ্যালোচনা সভাত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। বিশ্বনাথ জিলাৰ উপায়ুক্ত দেব কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা জিলা উন্নয়ন পৰ্যালোচনা সভাত চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, বিশ্বনাথৰ অতিৰিক্ত উপায়ুক্ত ড° সূৰ্য কমল বৰা, লিজা তালুকদাৰ, বিশ্বনাথৰ সদৰ মহকুমাধিপতি বিশ্বজিৎ শইকীয়া প্ৰমুখ্যে জিলা প্ৰশাসনৰ বিষয়াসকলৰ লগতে জিলাখনৰ স্বাস্থ্য, চিকিৎসা, লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, পশুপালন আৰু পশু চিকিৎসা, জলসিঞ্চন, জলসম্পদ আদি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া, অভিযন্তাসকল উপস্থিত থাকে। সভাত উপস্থিত থকা বিভাগীয় মূৰব্বীসকলে নিজ নিজ বিভাগৰ আঁচনি আৰু প্ৰকল্পসমূহৰ ৰূপায়ণৰ খতিয়ান দাঙি ধৰে। উপায়ুক্ত গৰাকীয়ে বিভাগীয় মূৰব্বীসকলক আঁচনি আৰু প্ৰকল্পসমূহৰ ৰূপায়ণৰ গতি ত্বৰান্বিত কৰিবলৈ আহ্বান জনায়। সভাত প্ৰতিটো বিভাগৰ মুৰব্বী বিষয়াৰ নিজ নিজ বিভাগৰ বিগত বছৰৰ পৰিকল্পনা আৰু কৰ্মৰাজিৰ খতিয়ান দাঙি ধৰাৰ লগতে চলিত বৰ্ষৰ পৰিকল্পনাসমূহ উপস্থাপন কৰে। সভাত উপায়ুক্তজনে যি বিভাগে যোৱা বছৰৰ সম্পূৰ্ণ কৰিবলগীয়া কাম তথা পৰিকল্পনা সম্পূৰ্ণ কৰিব নোৱাৰিলে তাৰো খতিয়ান বিচাৰিলে। বিধায়ক পদ্ম হাজৰিকাই বিভাগসমূহে চলিত বৰ্ষত চৰকাৰী পৰিকল্পনাসমূহ ভাল দৰে ৰূপায়ণ কৰি বিশ্বনাথক এখন আদৰ্শ জিলাৰূপে গঢ়ি তোলাৰ সংকল্প ল'বলৈ, অসম-ৰুণাচল সীমান্তৱৰ্তী চিজুছাক অহা বছৰৰ ভোগালী বিহুৰ পুৰ্বে পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে গঢ়ি তোলাৰ বাবে আহ্বান জনায়। এই ক্ষেত্ৰত তেওঁ পূৰ্ণ সহযোগিতা আগবঢ়াব বুলিও সদৰী কৰে। বিধায়কজনে আন্তঃৰাজ্যিক সীমান্ত সম্প্ৰীতি আৰু সীমান্ত বজাৰৰ বিকাশৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। সভাত ক্ষেত্ৰ পৰ্যায়ত সকলো বিভাগক একত্ৰিত কৰি বিকাশ ত্বৰান্বিত কৰা আৰু সকলো গ্ৰাম্য পৰিয়ালক জীৱিকা প্ৰদানৰ জৰিয়তে আত্মনিৰ্ভৰ বিশ্বনাথ কৰাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা হয়।

# যোৰহাট পৌৰসভাত বৃহৎ পৰিমাণৰ ধন

*১২ পৃষ্ঠাৰ পৰা* আনহাতে, ১৭ নম্বৰ পৃষ্ঠাত ৩,১৮,১২৩.৭০ টকা অফিচ এণ্ড একাউণ্টছ বুলি দেখুওৱা খৰচো সন্দেহজনক। ইয়াৰ ভাউচাৰ পালেহে প্ৰকৃত তথ্য পোৱা যাব। কিন্তু ৰাইজৰ দলে পোৱা খবৰ মতে, এইসমূহৰ ভাউচাৰ পৌৰসভাত নাই। পৃষ্ঠা নম্বৰ ১৯ত মাষ্টাৰৰোলৰ বিলসমূহত ধনৰ অপপ্ৰয়োগ হৈছে। কাৰণ ২০১৮ৰ এপ্ৰিলত কেছ বুকত মাষ্টাৰৰোলৰ কৰ্মচাৰীৰ বাবে মুঠ ধন দিছে ২৩,৯৪,৮৩৯ টকা, কিন্তু মাষ্টাৰৰোলৰ কিমান জন কৰ্মচাৰীক সেই ধন দিয়া হৈছে তাৰ কোনো তথ্য নাই। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যি তাৰিখত দৰমহা দিয়া হৈছে সেই তাৰিখ বা মাহৰ কেচবুকৰ পৃষ্ঠাবোৰহে দিয়া হৈছে। যাৰ জৰিয়তে বাকীবোৰত যে দুৰ্নীতিৰ ভয়ংকৰ তথ্যবোৰ যে ওলাব সেই কথা নিশ্চিত। বৰ্তমান যিগৰাকী কাৰ্যবাহী বিষয়া তেওঁ তথ্যসমূহ লুকুৱাই আচলতে দুৰ্নীতিক চূড়ান্ত প্ৰশ্ৰয় দিছে বুলি ৰাইজৰ দলে অভিযোগ কৰে। সকলোৱে জানে এই গৰাকী আকাশী দুৱৰাই ৰাকেশ পালৰ দিনত চাকৰি লৈছে আৰু এনে এগৰাকী বিষয়াৰ পৰা যোৰহাট পৌৰসভাৰ নাগৰিকে কি সুবিচাৰ পাব বুলি প্ৰশ্ন উত্থাপন কৰি কয় যে অসম লোকসেৱা আয়োগৰ খলনায়ক ৰাকেশ পালৰ যি মহাদুৰ্নীতি, সেই দুৰ্নীতিত আকাশী দুৱৰাৰ নামো জড়িত হোৱাত এতিয়া তদন্তৰ আওঁতাত আছে। এনে এগৰাকী বিষয়াক পৌৰসভাৰ দায়িত্বৰ পৰা শীঘ্ৰে আঁতৰাবলৈ অসম চৰকাৰক দাবী জনায় দলটোৱে। ইফালে, কেছ বুকৰ ২৩ নম্বৰ পৃষ্ঠাত 'Office establishment' বুলি লিখি ভোজ-ভাত খোৱাৰ নামত ৩১,২৫০ টকা খৰচ কৰিছে। ব'হাগ বিহুৰ দুদিনৰ আগত এই ভোজ-ভাত কিয় খোৱা হৈছিল, সেই কথাৰ কিন্তু উত্তৰ নাই। সেই একে দিনাই পুনৰ একেটা শিতানতে ১১,৬৩৮ টকা খৰচ কৰিছে। এইবাৰ কি খালে, ক'ত খালে, কোনে খালে তাৰ উত্তৰ যোৰহাটৰ নাগৰিকক দিবই লাগিব বুলি উল্লেখ কৰি কয় যে যোৰহাট পৌৰসভাই ষ্ট্ৰীট লাইট মেৰামতিৰ নামত লাখ লাখ টকা খৰচ কৰিছে। এমাহতে এবাৰ ৬৫,৮৩১ টকা, আকৌ ১,১৫,৯২৫ টকা। এইবোৰ কাম চাই ৰাজীৱ হাতীবৰুৱা নামৰ দুৰ্নীতিগ্ৰস্ত আৰু অবৈধভাৱে যোৰহাটত থকা কনিষ্ঠ অভিযন্তাজনে বিহুৰ আগে আগে উলিওৱা এই ধন কাৰ জেপত সোমাল তাৰ তথ্য ৰাইজক দিবই লাগিব বুলি হুংকাৰ দিয়ে। একেদৰে সেই একে মাহতে ১১ এপ্ৰিলত অৰ্থাৎ বিহুৰ আগে আগে বাহন ভাড়াৰ নামত উলিয়াইছে ১,৮৩,০০০ টকা। এই বাহন ভাড়া কোনে হজম কৰিলে, তাৰ উত্তৰ আকাশী দুৱৰা তথা প্ৰাক্তন সভাপতিসকলে দিবই লাগিব বুলি তেওঁলোকে হুংকাৰ দিয়ে। ইপিনে, সেই তাৰিখেই দুটা হিচাপত হোৱাইট ইনাৰ মাৰি (পৃষ্ঠা ২৩ত) ধৰিব নোৱাৰা কৰি থৈছে। ১১ এপ্ৰিলৰ বাহন ভাড়াৰ নামত এই বৃহৎ পৰিমাণ ধন উলিওৱাৰ পাছদিনাই ভ্ৰমণ বোনাছৰ নামত ২০ হেজাৰৰো অধিক টকা উলিয়াই নিয়ে। এইদৰে প্ৰতি মাহত ভ্ৰমণ বোনাছ, বাহন বোনাছৰ নামত হেজাৰ হেজাৰ টকা উলিয়াই নি পৌৰসভাখন একাংশ বিষয়া-কৰ্মচাৰীৰ খীৰতী গাইত পৰিণত কৰিছে। আনহাতে, কেছ বুকৰ আখৰবোৰ যাতে পৃথিৱীৰ আন কোনো নৰমনিচে পঢ়িব নোৱাৰে তাৰ বাবে সৰু সৰুকৈ আৰু অস্পষ্ট ৰূপত লিখে। ১৮ মে'ৰ ২০১৮ত হাত খৰচৰ বাবে থকা ধনৰ কনিষ্ঠ অভিযন্তা ৰাজীৱ হাতীবৰুৱাক একেদিনাই এবাৰ ১,৭৫০ টকা আন এবাৰ ১১,৮৪৭ টকা দিয়া দেখুৱাইছে। কথা হ'ল হাত খৰচৰ বাবে থকা টকা এনেদৰে ব্যৱহাৰ কৰাটো এক নীতি বহিৰ্ভূত কথা। পৌৰসভাখনত অধিক দুৰ্নীতি সংঘটিত হৈছে ভ্ৰমণ বোনাছ, বাহন বোনাছ, ষ্ট্ৰীট লাইট মেৰামতি, বিদ্যুতৰ মেৰামতি, কাৰ্যলায়ত ভোজ-ভাত খোৱা, চাহ খোৱা আদিত। এই দুৰ্নীতি সম্পৰ্কত বিহুৰ পাছতেই গোচৰ তৰিব বুলি আজি ৰাইজৰ দলৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত ৰাইজৰ দলৰ উপসভাপতি তথা কেন্দ্ৰীয় মুখপাত্ৰ দিব্যজ্যোতি শৰ্মাই জানিবলৈ দিয়ে।

# যুগল উচ্চ মাধ্যমিক বিদ্যালয়ত বিশেষ

*১২ পৃষ্ঠাৰ পৰা* এখন বৃহৎ আকাৰৰ প্ৰাচীৰ পত্ৰিকা 'যুগলজ্যোতি' লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীয়ে উন্মোচন কৰাৰ সমান্তৰালভাৱে প্ৰজাপতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পৰাগ কুমাৰ নাথে উন্মোচন কৰে প্ৰত্যেক দুই মাহৰ মূৰে মূৰে যুগল উচ্চ মাধ্যমিকে প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা 'আলোক'। সেইদৰে শোণিতপুৰৰ জ্যেষ্ঠ সাংবাদিক পুলক কুমাৰ ডেকাই বিদ্যালয়খনৰ ইক' ক্লাব আৰু যুথ ক্লাবৰ উদ্যোগত, গ্ৰীণ ক্লাব আৰু প্ৰহৰী ক্লাবৰ সহযোগত তথা ছাত্ৰ সংসদৰ পৰিচালনাত প্ৰস্তুত কৰি উলিওৱা 'বিজ্ঞানজ্যোতি' উন্মোচন কৰাৰ পাছতেই বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিশ্বজিৎ বড়োৱে উন্মোচন কৰে 'গণিতজ্যোতি' নামৰ প্ৰাচীৰ পত্ৰিকাখন। ইয়াৰ পাছতে আৰম্ভ হোৱা মূল সভাত উন্মোচনী বক্তব্য প্ৰদান কৰে ড° শুকদেৱ অধিকাৰীয়ে। বক্তব্যত তেওঁ যুগল উচ্চ মাধ্যমিক বিদ্যালয়ে বিগত সময়ছোৱাত কৰি অহা ইতিবাচক আৰু গঠনমূলক কামৰ বাবে প্ৰশংসা কৰি ছাত্ৰ-ছাত্ৰীৰ সৰ্বতো প্ৰকাৰৰ উন্নয়নত বিদ্যালয়খনে বিশেষ গুৰুত্ব প্ৰদান কৰাত শলাগ লয়। প্ৰধান শিক্ষক বড়োৱে আদৰণি ভাষণত বিদ্যালয়খনৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে যাতে আগন্তুক দিনত সফল ব্যক্তিৰূপে সমাজত প্ৰতিষ্ঠা লাভ কৰিব পাৰে, তাৰ বাবে প্ৰয়োজনীয় সকলো বিষয়ত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে কৰা প্ৰয়াস অব্যাহত ৰাখিছে বুলি উল্লেখ কৰে। কৰ্মসংস্কৃতি ছাত্ৰ-ছাত্ৰীৰ মনত জগাই তুলিবৰ বাবে আনুষ্ঠানিক শিক্ষাৰ লগতে কৃষি কৰ্মকো সামৰি লোৱা হৈছে বুলি মন্তব্য কৰি বিদ্যালয়খনত শাল, চেগুন, তিতাচপা, মেকুৰিডিমা, বনচোম, ৰঙা আৰু বগা চন্দন, আগৰ, নাৰকিল, তামোল-পাণ আদিৰ লগতে আমলখি, জলফাই, খিলিশা, ডালিম আদি বিভিন্ন প্ৰজাতিৰ মূল্যবান গছ আৰু ফলমূল বৰ্তমান উপলব্ধ বুলিও তেওঁ কয়। এই প্ৰসংগতে তেওঁ বিদ্যালয়খনৰ নিজা নেমু খেতিৰ বাগিচা থকাৰ কথা উল্লেখ কৰি বৰ্তমান আলু, ৰঙালাও আদি খেতি কৰা বুলি উল্লেখ কৰে। ইয়াৰ পাছতেই জ্যেষ্ঠ সাংবাদিক পুলক কুমাৰ ডেকাই 'পৃথিৱীৰ অসুখ' নাটকখন উদ্বোধন কৰি শিল্পী জয়ন্ত হাজৰিকাৰ 'আকৌ নতুন প্ৰভাত হ'ব....' শীৰ্ষক গীতেৰে বক্তব্যৰ পাতনি মেলি নাট্য সংস্কৃতিৰ দিশত ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় কৰ্তৃপক্ষই আৰু সাহিত্য বিভাগে উদ্বুদ্ধ কৰিব বিচৰা কাৰ্যৰ স্বাভাৱিকতে শলাগ ল'বলগীয়া আৰু প্ৰশংসনীয় বুলি মন্তব্য কৰে। আনহাতে, এই সভাতে সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি পংকজ কুমাৰ নাথে বক্তব্য প্ৰদান কৰি বিদ্যালয়খনে প্ৰধান শিক্ষকৰ জৰিয়তে আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সহযোগত কৰা পৰিকল্পনা আৰু ইয়াক বস্তৱ ৰূপ দি ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰাৰ লগতে অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক পৰিৱৰ্তনত বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি এই কাৰ্য সকলোৰে বাবে শুভলক্ষণ বুলি প্ৰকাশ কৰে। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী নিংকুনিশা নেওগে আঁত ধৰা আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি পংকজকান্তি দেৱৰয়ে সঞ্চালনা কৰা সভাখনত বক্তব্য প্ৰদান কৰি প্ৰজাপতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পৰাগ কুমাৰ নাথে বিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত একোখন বিদ্যালয়ে কিমান প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হয়, তাৰ ব্যাখ্যা কৰে। উদ্দীপনা নাথৰ সত্ৰীয়া নৃত্য, পূজা বড়োৰ কথক নৃত্যৰ লগেত বিহু নৃত্য, বাগৰুম্বা, ঝুমুইৰ, চাওতালী, নেপালী আদি নৃত্য-গীতেৰে মুখৰিত হৈ পৰা দুদিনীয়া অনুষ্ঠানৰ পৰহিৰ দিনটোত বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ নেতৃত্বত আৰু ছাত্ৰ সংসদ, ইয়ুথ ক্লাব আৰু ইক' ক্লাবৰ সহযোগত আয়োজন কৰা 'জৈৱ বৈচিত্ৰ্য, ইয়াৰ উপকাৰিতা আৰু সংৰক্ষণ' শীৰ্ষক সভাত অংশগ্ৰহণ কৰি দৰং মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° বিধান বৰাই ফিনলেণ্ডৰ শিক্ষা ব্যৱস্থা আৰু শিক্ষক-ছাত্ৰৰ বিষয় অৱতাৰণা কৰি কয় যে বৰ্তমান পৃথিৱীৰ প্ৰতি ভাবুকি আহিছে। পৃথিৱীত জীৱৰ অৱস্থিতি কেতিয়া শেষ হ'ব ক'ব নোৱাৰি যদিও ইয়াৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। বিশুদ্ধ অক্সিজেন মানুহে পৰ্যাপ্ত পৰিমাণত পাব লাগিব বুলি উল্লেখ কৰি প্ৰাকৃতিক বিপৰ্যয়ৰ প্ৰসংগত তেওঁ ইতিমধ্যে বিলুপ্ত হোৱা ডাইন'ছৰাছৰ উদাহৰণ দি ছাত্ৰ-ছাত্ৰীসকলক দুষ্প্ৰাপ্য গছ-বন-লতা-উদ্ভিদ আৰু জীৱৰ বিষয়েও কয়। ড° বৰাই কাৰ্বিআংলঙত ২০ বিধ বিভিন্ন প্ৰজাতিৰ বাঁহ উপলব্ধ বুলিও কয়। নাতিদীৰ্ঘ ভাষণত অধ্যাপক ড° বৰাই জৈৱ বৈচিত্ৰ্য ৰক্ষাত সকলোকে আগবাঢ়ি আহি ছাত্ৰ-ছাত্ৰীসকলক এই দিশত সচেতন কৰিলেহে আগন্তুক দিনবোৰ সকলোৰে বাবে সুন্দৰ হ'ব বুলি মন্তব্য কৰে। আন গৰাকী আলোচক জিলা আঁচনি বিষয়া কৃষ্ণকান্ত ডেকাই ইক' ক্লাব আৰু য়ুথ ক্লাবৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে উল্লেখ কৰি যুগল উচ্চ মাধ্যমিক বিদ্যালয়ে ইতিমধ্যে এইবোৰ কাম কৰা বুলি মন্তব্য কৰে। কালিৰ সামৰণি অনুষ্ঠানত বিগত কৰ'না মহামাৰীৰ সময়ত বিদ্যালয় বন্ধ হোৱা সময়ছোৱাত অনলাইন ব্যৱস্থাৰে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাত শ্ৰেষ্ঠতা অৰ্জন কৰা আৰু জিলা ভিত্তিত পুৰস্কৃত হোৱা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। সভাৰ অন্তত স্থানীয় সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেণ বৰা আৰু লীলাকান্ত নাথে সকলোকে শলাগ জ্ঞাপন কৰে।

## বৰপথাৰত ঠেঙাল কছাৰীৰ নিৰ্বাচনী প্ৰচাৰ বিজেপিৰ

**বৰপথাৰ, ১২ জানুৱাৰী ঃ** তুংগত উঠিছে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন। প্ৰতিটো দলেই নিজা নিজা প্ৰাৰ্থীৰ হৈ চলাইছে নিৰ্বাচনী প্ৰচাৰ। সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত বৰপথাৰৰ গেলাবিলতো তুংগত উঠিছে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰেক্ষাপট। ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ১২ নম্বৰ পৰিষদীয় সমষ্টি হৈছে গেলাবিল। এই পৰিষদীয় সমষ্টিত বিজেপি মিত্ৰজোঁটে প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰিছে মৃণালিনী হাজৰিকা শইকীয়াক। বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থীগৰাকীৰ হৈ ভোটাৰ ৰাইজৰ মাজত নিৰ্বাচনী প্ৰচাৰ চলায় বিধায়কজনে। সমষ্টি উন্নয়নৰ স্বাৰ্থত শইকীয়াক ভোট দিবলৈ আহ্বান জনায় বিধায়কে। নাহৰবাৰী আৰু ৰেংমা গ্ৰান্তৰ দুখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি বিধায়কজনে চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। ৩১৪১গৰাকী ভোটাৰ থকা সমষ্টিটোত অন্য দলসমূহৰ তুলনাত শাসকীয় বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ প্ৰচাৰ চলিছে তীব্ৰ গতিত। আজিৰ নিৰ্বাচনী প্ৰচাৰ সভাত বিধায়কৰ উপৰি ৰাজ্যিক কিষাণ মৰ্চাৰ সভাপতি দেৱজিৎ বৰা, কিষাণ মৰ্চাৰ ৰাজ্যিক সদস্য সঞ্জীৱ বৰুৱাৰ উপৰি বিজেপি-অগপৰ বহু নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে।

## অসম কৃষি বিশ্ববিদ্যালয়ত 'পানী' বিষয়ক আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১২ জানুৱাৰী ঃ** অসম কৃষি বিশ্ববিদ্যালয় আৰু নাটিংহাম বিশ্ববিদ্যালয়ৰ যুটীয়া উদ্যোগত 'সকলোৰে বাবে পানী' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন কৰ্মশালা কালিৰে পৰা আৰম্ভ হৈছে। ভাৰত চৰকাৰৰ বিজ্ঞান আৰু কাৰিকৰী বিভাগ আৰু ইউনাটেড কিংডমৰ শিক্ষা আৰু গৱেষণা পদক্ষেপৰ জৰিয়তে গ্ৰহণ কৰা আঁচনিৰ অধীনত অনুষ্ঠিত হৈছে এই তিনিদিনীয়া কৰ্মশালা। ১৩ জানুৱাৰীলৈ হ'বলগীয়া কৰ্মশালা কলকাতাস্থ ব্ৰিটিছ ডেপুটী হাই কমিছনাৰ নিকল'ই আৰম্ভণি অনুষ্ঠানত বক্তব্য ৰাখি কয় যে প্ৰযুক্তিৰ দিশত ভাৰত আৰু ব্ৰিটেইন উভয়েই কাৰিকৰীভাৱে এনেবোৰ পদক্ষেপেৰে শিক্ষা আৰু গৱেষণা দিশত গ্ৰহণ কৰা সহযোগিতামূলক কাৰ্যসূচীয়ে শিক্ষা আৰু গৱেষণাৰ দিশত যথেষ্ট উপকৃত কৰিব। মুখ্য সমন্বয়ক অসম কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক বিজ্ঞানী ড° মধুমিতা বৰুৱাই আদৰণি বক্তব্য ৰখা কৰ্মশালাত ব্ৰিটিছ কাউন্সিলৰ উত্তৰ-পূব শাখাৰ সঞ্চালক ড° ডেবাঞ্জন চক্ৰৱৰ্তীয়েও বক্তব্য আগবঢ়ায়।

অসম চৰকাৰ

## ৰাজহুৱা জাননী

### নিজকে আৰু আপোনাৰ প্ৰিয়জনক সুৰক্ষিত ৰাখক

### ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজত সহযোগিতা কৰক

- যিহেতু টিকাকৰণ নকৰা লোকসকলৰ আক্ৰান্তৰ হাৰ অধিক আৰু আনকো সংক্ৰমিত কৰাৰ আশংকা অব্যাহত আছে গতিকে কোনো টিকাকৰণ নোহোৱা ব্যক্তিক বৈধ টিকাকৰণ প্ৰমাণপত্ৰ অবিহনে ১৫ জানুৱাৰী, ২০২২ তাৰিখৰ পৰা জাননী নং এএচডিএমএ ২৮/২০২১/৩৪৭ দিনাংক ৭ জানুৱাৰী, ২০২২ অনুসৰি চিকিৎসালয়ৰ বাহিৰে আন কোনো ৰাজহুৱা স্থানত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া নহ'ব।
- একেদৰে হোটেল, মল আৰু অন্যান্য ব্যক্তিগত প্ৰতিষ্ঠানত, টিকাকৰণ নকৰা ব্যক্তিসকলক প্ৰৱেশৰ অনুমতি দিয়া নহ'ব। ব্যৱসায়িক প্ৰতিষ্ঠানবোৰে এয়া সুনিশ্চিত কৰিব আৰু ইয়াক উলংঘন কৰা ব্যক্তি চিনাক্ত হ'লে বৃহৎ জৰিমনা বিহা হ'ব।
- যিসকল লোকৰ টিকাকৰণ কৰা হোৱা নাই বা যিসকলে সময় হোৱা স্বত্বেও দ্বিতীয় পালি গ্ৰহণ কৰা নাই তেওঁলোকক চৰকাৰী চিকিৎসালয়/চিচিহ্নিত খাদ্য ৰয়কে আদি কৰি আন বিনামূলীয়া চিকিৎসাৰ সুবিধা প্ৰদান কৰা নহ'ব।
- সকলো চৰকাৰী কৰ্মচাৰী (ঠিকাভিত্তিক আৰু দৰমহা ভিত্তিক) যিসকলে টিকাগ্ৰহণ কৰা নাই বা সময় হোৱা স্বত্বেও দ্বিতীয় পালি গ্ৰহণ কৰা নাই, তেওঁলোকক সম্পূৰ্ণ টিকাকৰণ নোহোৱালৈকে কাৰ্যালয়ত উপস্থিত থাকিবলৈ অনুমতি দিয়া নহ'ব আৰু সেইখিনি সময়ৰ বাবে কোনো দৰমহা/মজুৰিৰ বাবে যোগ্য নহ'ব।
- যিসকল এইচচিডব্লিউ/এফএলডব্লিউয়ে যোগ্য হোৱা স্বত্বেও তেওঁলোকৰ সুৰক্ষাসূচক পালি গ্ৰহণ নকৰে, তেওঁলোকক সেৱা/দাবী মজুৰি/দৰমহা প্ৰদান কৰিবলৈ অনুমতি দিয়া নহ'ব।

স্বাক্ষৰ/-
প্ৰধান সচিব - স্বাস্থ্য আৰু পৰিয়াল কল্যাণ,
অসম চৰকাৰ
দিচপুৰ, গুৱাহাটী- ৭৮১০০৬

NHM/D/2021-22/270

# পহিলা মাঘত অনুষ্ঠিত নহয় আঁহতগুৰিৰ ম'হযুঁজ

## উকা হৈ ৰ'ব আঁহতগুৰিৰ বেজবৰুৱা ক্ষেত্ৰ



**বিশেষ সংবাদদাতা**/অগ্ৰদূত বাৰ্তা

**নগাঁও/ৰহা, ১২ জানুৱাৰী ঃ** এইবাৰ পহিলা মাঘৰ দিনটোত অনুষ্ঠিত নহয় আঁহতগুৰিৰ ঐতিহাসিক ম'হযুঁজ। সুদীৰ্ঘ ৭০ বছৰৰ মূৰত এইবাৰ পহিলা মাঘৰ দিনটোত উকা হৈ ৰ'ব আঁহতগুৰিৰ বেজবৰুৱা ক্ষেত্ৰ নামৰ পথাৰখন। এই কথা সদৰী কৰিছে আঁহতগুৰি ম'হযুঁজ সমিতিয়ে। ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়ে ভোগালীৰ পৰম্পৰা ৰক্ষা কৰিব পৰা নগ'ল বুলি সমিতিয়ে জনাইছে।

সমিতিৰ বিষয়ববীয়াসকলে সংবাদ মাধ্যমৰ আগত কয় যে শেহতীয়াকৈ ৰাজ্যখনত ক'ভিড পৰিস্থিতি পুনৰ ভয়াবহ হৈ পৰাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে আঁহতগুৰিত এইবাৰ ম'হযুঁজ অনুষ্ঠিত নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁলোকে সকলো ম'হৰ গৰাকী আৰু গোৱালক পহিলা মাঘৰ দিনটোত আঁহতগুৰিৰ বেজবৰুৱা ক্ষেত্ৰলৈ ম'হ যুঁজাবৰ বাবে নানিবলৈ সবিনয়ে আহ্বান জনায়। সমিতিৰ বিষয়ববীয়াসকলে কয়, 'এইবাৰ কোনো কাৰণতে আঁহতগুৰিৰ ম'হযুঁজ অনুষ্ঠিত নহয়। আমাৰ দুখ লাগিছে। কিয়নো ইয়াত অনানুষ্ঠানিকভাৱে ৭০ বছৰ ধৰি আৰু আনুষ্ঠানিকভাৱে ৫০ বছৰ ধৰি ম'হযুঁজ অনুষ্ঠিত হৈ আহিছে। এইবাৰ আঁহতগুৰিৰ ম'হযুজৰ সোণালী জয়ন্তী আছিল; কিন্তু ক'ভিড পৰিস্থিতিৰ বাবে ম'হযুঁজৰ সকলো কাৰ্যসূচী বাতিল কৰা হৈছে।'

স্মৰ্তব্য যে আঁহতগুৰিৰ ম'হযুঁজ উপলক্ষে প্ৰতি বছৰে পহিলা মাঘৰ দিনটোৰ উপৰি ২৬ জানুৱাৰীত বেজবৰুৱা ক্ষেত্ৰখন লোকে লোকাৰণ্য হৈ পৰিছিল। বিভিন্ন ধৰ্ম, জাতি, সম্প্ৰদায়ৰ লোকৰ অংশগ্ৰহণেৰে আঁহতগুৰিৰ ম'হযুঁজথলীখন সম্প্ৰীতিৰ লীলাভূমিত পৰিণত হৈছিল। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লোকৰ লগতে দেশী-বিদেশী পৰ্যটকৰ বাবেও অন্যতম আকৰ্ষণ হৈ পৰিছিল আঁহতগুৰিৰ ম'হযুঁজ। বিগত কেইটামান বছৰ ন্যায়ালয়ৰ কঠোৰ নিষেধাজ্ঞা হেতুকে আঁহতগুৰিৰ ম'হযুঁজখন ম'হযুঁজ সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা নাছিল। ইয়াৰ বিপৰীতে স্থানীয় ম'হৰ গৰাকী আৰু গোৱালসকলৰ উদ্যোগতহে ম'হযুঁজ অনুষ্ঠিত কৰা হৈছিল। এইবাৰো তেওঁলোকৰ উদ্যোগতেই ইতিহাস প্ৰসিদ্ধ আঁহতগুৰিৰ ম'হযুঁজৰ সোণালী জয়ন্তী আয়োজন কৰা হৈছিল যদিও ক'ভিড পৰিস্থিতিয়ে হেঙাৰ হৈ ঠিয় দিলে।

অৱশ্যে আঁহতগুৰিৰ ৰাইজ আৰু ম'হযুঁজ সমিতিয়ে এইবাৰ আঁহতগুৰিৰ ম'হযুঁজ অনুষ্ঠিত নহয় বুলি ঘোষণা কৰিলেও ম'হৰ গৰাকী আৰু গোৱালসকলে এই সন্দৰ্ভত কি সিদ্ধান্ত গ্ৰহণ কৰে, সেয়া এতিয়াও জানিব পৰা হোৱা নাই।

উল্লেখ্য যে এই আঁহতগুৰিৰ ম'হযুঁজক বিষয়ৰূপে লৈয়েই প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক হেমেন দাসে নিৰ্মাণ কৰিছিল 'যুঁজ' নামৰ অসমীয়া ছবিখন। যিখন চলচ্চিত্ৰই ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল।

## নৰ্থ-ইষ্ট এটৰেনেলত প্ৰথম ৰাণাৰ্ছ-আপ

# সৌন্দৰ্যৰ লয়লাসেৰে খিতাপ লাভ প্ৰিয়া বাল্মিকীৰ



**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১২ জানুৱাৰী ঃ** অধ্যয়নৰ সমানে বিভিন্ন সৌন্দৰ্যৰ প্ৰতিযোগিতাত এটাৰ পাছত আনটোকৈ খিতাপ দখল কৰিছে প্ৰিয়া বাল্মিকীয়ে। শেহতীয়াকৈ নৰ্থ-ইষ্ট এটৰনেল ২০২২ সৌন্দৰ্য প্ৰতিযোগিতাত প্ৰিয়া বাল্মিকীয়ে প্ৰথম ৰাণাৰ্ছ-আপ খিতাপ দখল কৰিছে। তেজপুৰত অলপতে অনুষ্ঠিত হোৱা এই সৌন্দৰ্য প্ৰতিযোগিতাত উত্তৰ-পূবৰ বহু প্ৰতিযোগীক চেৰ পেলাই প্ৰিয়াই এই খিতাপ দখল কৰে। কৰ্মসূত্ৰে লখিমপুৰত থকা কানু বাল্মিকী আৰু আৰতি বাল্মিকীৰ কন্যা তথা অসম জাতীয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰী প্ৰিয়াৰ এই সাফল্যত সকলোৱে অভিনন্দন জনাইছে। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে গুৱাহাটীত আয়োজিত 'গেলেক্সী নৰ্থ-ইষ্ট' সৌন্দৰ্য প্ৰতিযোগিতাতো প্ৰিয়াই চতুৰ্থ স্থানৰ খিতাপ দখল কৰিছিল। সংস্কৃতিবান এটি পৰিয়ালৰ সন্তান প্ৰিয়াই অধ্যয়নৰ সমানে সৌন্দৰ্যক্ষেত্ৰখনত লয়লাসেৰে উপৰ্যুপৰি খিতাপ লাভ কৰাত সকলোৱে শুভেচ্ছাৰে ওপচাই দিছে।

# জামুগুৰিহাটত তামোল গছৰ পৰা পৰি এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১২ জানুৱাৰী ঃ** জামুগুৰিহাটৰ কুসুমটোলাত আজি বিয়লিৰ ভাগত তামোল গছৰ ওপৰৰ পৰা পৰি এজন লোকৰ মৃত্যু হয়। মৃত্যু হোৱা লোকজনৰ নাম বাপু পুৰাণ (৪৫)। চতিয়াৰ নাগশংকৰৰ তামোল ব্যৱসায়ী বাপু পুৰাণে বিয়লিৰ ভাগত কুসুমটোলাৰ এজন লোকৰ ঘৰৰ চৌহদত থকা তামোল গছৰ পৰা তামোল পাৰিবলৈ যাওঁতে হঠাৎ গছৰ পৰা পিছলি পৰি থিতাতে মৃত্যু হয়। পাছত ঘটনাস্থলীত জামুগুৰি আৰক্ষী উপস্থিত হৈ মৃত লোকজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰে।

# ঠেঙাল কছাৰী পৰিষদৰ নিৰ্বাচনৰ প্ৰাকক্ষণত কংগ্ৰেছত খহনীয়া



**বিশেষ সংবাদদাতা**

**নগাবাট, ১২ জানুৱাৰী ঃ** সমাগত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন। নিৰ্বাচনৰ প্ৰাকক্ষণত তিতাবৰ সমষ্টিত কংগ্ৰেছৰ ব্যাপক খহনীয়াই শেহতীয়াকৈ দলটোৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে ঠেঙাল কছাৰী পৰিষদৰ এক নম্বৰ নগাবাট সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিপুল কছাৰীৰ নেতৃত্বত আজি বেঁকাজান পঞ্চায়তৰ ১০ নম্বৰ ৱাৰ্ডৰ সদস্য লোহিত শইকীয়াই বহুকেইজন সতীৰ্থসহ মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত বিজেপিত যোগদান কৰে। নিৰ্বাচনলৈ মাত্ৰ কেইদিনমান থকাৰ সময়ত এনেদৰে সমষ্টিটোৰ প্ৰান্তে প্ৰান্তে একাংশ পুৰণি কংগ্ৰেছ কৰ্মীৰ কংগ্ৰেছ ত্যাগৰ জোৱাৰ উঠা কাৰ্যত চিন্তিত হৈ পৰিছে তিতাবৰৰ কংগ্ৰেছ নেতা-কৰ্মীসকল। একমাত্ৰ উন্নয়নৰ স্বাৰ্থতে ৱাৰ্ড সদস্য লোহিত শইকীয়াই বিজেপিত জড়িত হোৱা বুলি সদৰী কৰিছে।

# লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণি বঁটা বিতৰণি সভা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১২ জানুৱাৰী ঃ** 'নৱাগতা সকলৰ মাজত সুন্দৰ ভৱিষ্যৎ এটা নিহিত হৈ থাকে আৰু নৱাগত মানেই আশা-প্ৰত্যাশা।' এই মন্তব্য অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ ৰুক্ম গোহাঁই বৰুৱাৰ। আজি লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত মুখ্য অতিথিৰ ভাষণত তেওঁ এইদৰে কয়। অনুষ্ঠানটো উদ্বোধন কৰে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ ভূএগ্রাই। অনুষ্ঠানটোৰ মাজতে মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণো কৰা হয়। উল্লেখ্য যে অনুষ্ঠানটোত 'প্ৰতিধ্বনি' শীৰ্ষক এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়।

# ভোগালীৰ উৰুকাৰ নিশা অৱসৰপ্ৰাপ্ত মণ্ডলৰ আখলত নজ্বলে জুই

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ১২ জানুৱাৰী ঃ** অসম চৰকাৰৰ এক বিসংগতিপূৰ্ণ নিৰ্দেশনাই আউল লগাইছে অসমৰ অৱসৰপ্ৰাপ্ত মণ্ডল- কাননগোসকলক। অসম চৰকাৰৰ বিসংগতিপূৰ্ণ নিৰ্দেশনাৰ বাবেই ৰাজ্যৰ অৱসৰপ্ৰাপ্ত মণ্ডল-কাননগোসকলৰ ভোগালী বিহুৰ উৰুকাৰ নিশা একাংশৰ আখলত জুই নজ্বলাৰ সম্ভাৱনাই বিৰাজ কৰিছে। ফলত ভোগালী আনন্দৰ পৰা বঞ্চিত হোৱাটো প্ৰকট হৈ পৰিছে। এই ক্ষেত্ৰত সদৌ অসম মণ্ডল-কাননগো সন্মিলনীৰ সভাপতি লোকনাথ সন্দিকৈ আৰু সাধাৰণ সম্পাদক ভৱানন্দ বৰাই এক বিবৃতিত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে অসম চৰকাৰৰ বিত্ত বিভাগৰ বিসংগতিপূৰ্ণ এখন নিৰ্দেশনাৰ বাবে ইতিমধ্যে অৱসৰপ্ৰাপ্ত মণ্ডলসকলে পেঞ্চন পাবলৈ সক্ষম হোৱা নাই। এই নিৰ্দেশনা মতে, মণ্ডল আৰু কাননগোসকলে অতিৰিক্ত বৃদ্ধি তিনি বছৰলৈ আছিল যদিও অৱসৰৰ লগে লগে এই ধন ওভতাই দিবলৈ আদেশ জাৰি কৰিছে। এই ধনৰাশি ওভতাই নিদিয়াৰ বাবে জ্যেষ্ঠ একাউনটেন্ট জেনেৰেলৰ কাৰ্যালয়ৰ পৰা সকলো মণ্ডলৰ পেঞ্চনৰ ফাইল ওভতাই পঠিয়াইছে। ইফালে, এই নিৰ্দেশনা সংশোধনৰ বাবে ২০১৭ৰ পৰা সচিবালয়ৰ বিত্ত বিভাগত সদৌ অসম মণ্ডল-কাননগো সন্মিলনীয়ে আবেদন জনাই আহিছে যদিও বিশেষ একো ফল লাভ হোৱা নাই। সচিবালয়ৰ টেবুলে টেবুলে ঘূৰি সন্মিলনীৰ সভাপতি, সাধাৰণ সম্পাদক আৰু অৱসৰপ্ৰাপ্ত মণ্ডলসকল ভাগৰি পৰিছে।

# মৰাণত মাঘ বিহুৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১২ জানুৱাৰী ঃ** কাইলৈ মাঘ বিহুৰ উৰুকা উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে চলিছে হেঁপাহৰ ভোগালী বিহুৰ উদ্‌যাপনৰ ব্যাপক আয়োজন। মৰাণতো বিভিন্ন প্ৰান্তৰত মাঘ বিহু পাতিবলৈ লোৱাৰ লগতে মাজপথাৰ গাঁৱৰ ৰাইজৰ সহযোগত চুতীয়া যুৱ সন্মিলনে আয়োজন কৰিছে মাঘী মেলা। সংগঠনটোৰ চৰাইদেউ জিলা সমিতি আৰু মৰাণ আঞ্চলিক সমিতিৰ উদ্যোগত অহা ১৫-১৬ জানুৱাৰীত পঞ্চম বাৰ্ষিক মাঘীমেলা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে পৰম্পৰা অনুসৰি উৰুকাৰ ভোজ-ভাত আৰু মেজি প্ৰজ্বলনো কৰা হ'ব। এইলৈ অঞ্চলটোৰ সকলো শ্ৰেণীৰ ৰাইজৰ মাজত দেখা গৈছে ব্যাপক উৎসাহ। দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা মাঘীমেলাৰ বিভিন্ন কামত ব্যস্ত হৈ পৰিছে গাঁৱৰ ডেকাসকল। আটক ধুনীয়াকৈ ৰাৱে ভেলাঘৰ, তোৰণ সজাৰ লগতে মেজিও সাজি উলিয়াইছে ডেকাহঁতে। সকলো কামতে সহযোগ কৰিছেহি গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে। মাঘীমেলাৰ বাবে সমূহীয়াকৈ ঢেঁকীত পিঠা গুড়ি খুন্দি বিবিধ পিঠা-পনা তৈয়াৰ কৰিছে জীয়ৰী-বোৱাৰীসকলে।

# বুধবৰীয়া বজাৰত সমাগম নাই সামাজিক ব্যৱধান



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১২ জানুৱাৰী ঃ** উত্তৰ লখিমপুৰ লীলাবাৰীস্থিত বুধবৰীয়া বজাৰত ভোগালী বিহুৰ বাবে আজি ক্ৰেতা-বিক্ৰেতাৰ ব্যাপক সমাগম হয়। উল্লেখ্য যে ভোগালী বিহুৰ বাবে বুধবৰীয়া বজাৰখনত ক্ৰেতা-বিক্ৰেতাই আজি হিলদল ভাঙি আহে। সোণাৰীগাঁও, ন-পাম ৰংপুৰীয়া, উজ্জ্বলপুৰ, চতকপুৰ, জনকপুৰ, নলকটা, চাবতি, বগলীজান গোঁহাই গাঁও, বড়ো গাঁও, বৰিমুৰি আদি গাঁৱৰ পৰা আলু, কচু, শাক-পাচলি, জা-জলপান মাছ-মঙহ কিনিবলৈ আৰু বেচিবলৈ ৰাইজৰ ব্যাপক সমাগম হয়। এছ অ'পি সত্ত্বেও ৰাইজে মনা নাই সামাজিক ব্যৱধান।

# ৰঙাগড়াত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ আৰ্হিত ভেলাঘৰ

**খুমটাই, ১২ জানুৱাৰী ঃ** ভোগালী বিহুক আদৰিবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কমাৰগাঁও সমীপৰ তামুলীপথাৰ আৰু ৰঙাগড়া ঘাটবাসীও সাজু হৈছে। গোলাঘাট জিলাৰ তামুলীপথাৰত যুৱকসকলে সাজি উলিয়াইছে ৫০ ফুট দীঘল, ২০ ফুট বহল ৰংঘৰ আৰ্হিত এটা ভেলাঘৰ। ৰঙাগড়াঘাটত নৱজ্যোতি যুৱক সংঘৰ উদ্যোগত অঞ্চলটোৰ যুৱকসকলে সাজি উলিয়াইছে মন্দিৰ আৰ্হিত ভেলাঘৰৰ লগত প্ৰতীকীভাৱে এখন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। চৰকাৰী বান্ধি দিয়া এছ অ' পি মানি লৈ ৰাইজে ভোগালী উদ্‌যাপন কৰিব।

## উৰুকাৰ নিশা আততায়ীৰ গুলিত নিহত হৈছিল ১৭ জনকৈ লোক


# ২৩ বছৰে ভোগালী উদ্‌যাপন নকৰা তামুলপুৰৰ এখন বিশেষ গাঁও





**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১২ জানুৱাৰী ঃ** যি সময়ত ৰাজ্যব্যাপী ভোগালীক আদৰাৰ ব্যাপক প্ৰস্তুতি চলিছে তেনে সময়তে বিগত ২৩ বছৰে ভোগালী বিহু পালন নকৰা এখন গাঁও হৈছে তামুলপুৰ মহকুমাৰ কেকেৰীকুছি। গাঁওখনত নাই ভোগালীৰ আয়োজন। পথাৰত সজা নাই মেজি কিম্বা ভেলাঘৰ। কেকেৰীকুছিৰ ৰাইজৰ বাবে ভোগালীৰ উৰুকা মানে আতংক। বিগত দুই দশক ধৰি ভোগালীৰ উৎসাহ, আনন্দ আৰু মেজিৰ জুইৰ উত্তাপক বিসৰ্জন দি আহিছে কেকেৰিকুছি গাঁৱৰ ৰাইজে। কিয়নো ১৯৯৮ৰ ১৩ জানুৱাৰীৰ উৰুকাৰ নিশা ভোজ ভাতৰ আয়োজন চলি থকাৰ মাজতে এদল অচিনাক্ত বন্দুকধাৰী আততায়ীৰ নিৰ্বিচাৰ গুলিবৰ্ষণত কেকেৰীকুছি গাঁওৰ চাৰিটাকৈ পৰিয়ালৰ শিশু, মহিলা, বৃদ্ধাসহ ১৭ জন নিৰপৰাধী লোকে প্ৰাণ হেৰুৱাইছিল। একেটি পৰিয়ালতে মৃত্যু হৈছিল ছগৰাকী সদস্যৰ। অতি নিৰ্মম, নিষ্ঠুৰ কাহানিও ভাবিব নোৱাৰা এই ঘটনাই আজিও আতংকিত কৰি তোলে কেকেৰীকুছিবাসীক। ২৪ বছৰত ভৰি দিয়া এই হত্যাকাণ্ড এক ক'লা অধ্যায়ৰূপে চিহ্নিত হৈছে কেকেৰিকুছিবাসীৰ বাবে। বিগত ২৩ বছৰে গাঁওখনৰ নৱ প্ৰজন্মই উদ্‌যাপন কৰি পোৱা নাই ভোগালী। খায় পোৱা নাই ভোগালীৰ ভোজ লাৰু, পিঠা, চিৰা-দৈ। আজিও উৰুকাৰ নিশা কেকেৰীকুছিৰ ৰাইজে নিহতসকলৰ সমাধি ক্ষেত্ৰত চাকি বন্তি জ্বলাই নাম কীৰ্তন কৰি উপবাসে থাকি মৃতকৰ সদগতি কামনা কৰি উজাগৰে নিশা কটায়। আজিও দুই দশক পূৰ্বৰ আতংকই খেদি ফুৰা কেকুৰীকুছি গাঁওবাসীৰ বাবে এতিয়া ভোগালীৰ উৰুকা এক অমাৱস্যাৰ এন্ধাৰবসনা ক'লা ছবি মাথো। উল্লেখ্য যে ১৯৯৮ৰ ১৩ জানুৱাৰী উৰুকাৰ অভিশপ্ত নিশাটিত অজ্ঞাত আততায়ীৰ গুলিত কেকেৰীকুছিত নিহত হৈছিল ক্ৰমে হেমচন্দ্ৰ কলিতা, জয়মতী কলিতা, দ্বীপেন কলিতা, প্ৰতিমা কলিতা, হিৰণ কলিতা, নৱজিত কলিতা, কুঞ্জপ্ৰভা কলিতা, গীতাৰাণী কলিতা, ববিতা কলিতা, প্ৰমোদ কলিতা, ফেলেনী ভূএগ্রা, গজেন ভূএগ্রা, বীণা ভূএগ্রা, লিপিকা কলিতা, গীতাঞ্জলি কলিতা, ধনেশ্বৰ কলিতা আৰু মহেশ্বৰ হালৈ নামৰ নিৰীহ লোক কেইজনৰ।




ইণ্ডিয়া অপেনত ছাইনা নেহৱাল।

### যশপ্ৰীত বুমৰাহৰ অনবদ্য বলিং ঃ ২১০ ৰাণতে প্ৰথম ইনিংছ সামৰিলে দক্ষিণ আফ্ৰিকাই

# অগ্ৰগতি লৈয়ো বিপদত ভাৰত

**কেপটাউন, ১২ জানুৱাৰী ঃ** পেচ বলাৰ যশপ্ৰীত বুমৰাহৰ অনন্য বলিঙৰ বাবে ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টেষ্ট শৃংখলাৰ অন্তিমখন মেচৰ প্ৰথম ইনিংছত 13 ৰাণৰ অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য কেপটাউনত অনুষ্ঠিত হোৱা গান্ধী-মেণ্ডেলা শৃংখলাৰ অন্তিমখন টেষ্ট মেচৰ প্ৰথমদিনা বেটিং ব্যৰ্থতাৰ সন্মুখীন হৈছিল ভাৰত। টছত জয়ী হৈ পোনতে বেটিং কৰা ভাৰতে প্ৰথম দিনাই 223 ৰাণতে সকলো উইকেট হেৰুৱায় দুৰ্বল আৰম্ভণি কৰি প্ৰথম ইনিংছ সামৰে। কিন্তু আজি ভাৰতক মেচলৈ প্ৰত্যাৱৰ্তন কৰায় পেচ বলাৰ যশপ্ৰীত বুমৰাহে। 42 ৰাণত পাঁচটা উইকেট দখল কৰা বুমৰাহে আত্মসমৰ্পন কৰিবলৈ বাধ্য কৰায় দক্ষিণ আফ্ৰিকাক। 210 ৰাণত প্ৰথম ইনিংছ সামৰে দক্ষিণ আফ্ৰিকাই। দলৰ হৈ সৰ্বাধিক 72 ৰাণ কৰে পীটাৰছেনে। আনহাতে, বাভুমাই 28 আৰু মেহৰাজে 25 ৰাণ কৰে। বুমৰাহৰ লগতে ভাৰতৰ হৈ উমেশ যাদব আৰু মহম্মদ ছামিয়ে দুটাকৈ উইকেট পায়। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া শৃংখলাৰ এয়া নিৰ্ণায়ক তৃতীয় টেষ্ট। ইয়াৰপূৰ্বে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত টীম ইণ্ডিয়াই দক্ষিণ আফ্ৰিকাক 113 ৰাণৰ ব্যৱধানত পৰাস্ত কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছিল। কিন্তু দক্ষিণ আফ্ৰিকাই দ্বিতীয় টেষ্টখনত সাত উইকেটত জয়লাভ কৰি শক্তিশালী প্ৰত্যাৱৰ্তনৰে তিনিখনীয়া শৃংখলাটোত 1-1 ত সমতা স্থাপন কৰিছে। এতিয়া চলিত তৃতীয় টেষ্টৰ ফলাফলে নিৰ্ণয় কৰিব শৃংখলা কাৰ দখললৈ যায়। ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ হ'ব দ্বিতীয় ইনিংছৰ বেটিং। প্ৰথম ইনিংছৰ ব্যৰ্থতা পাহৰি দক্ষিণ আফ্ৰিকাৰ সন্মুখত অতি কমেও তিনিশৰ ওপৰত বিজয়লক্ষ্য দিব লাগিব ভাৰতে। কিন্তু আজি দ্বিতীয় ইনিংছ আৰম্ভ কৰি ভাৰতে পুনৰ বেটিং ব্যৰ্থতাৰ সন্মুখীন হয়। দ্বিতীয় দিনাৰ খেলৰ অন্তত দুই অপেনাৰ ৰাহুল (10] আৰু মায়াংকৰ (7] উইকেট হেৰুৱাই ভাৰতে 57 ৰাণ কৰে।



## জাজৰিৰ এন এম এছ ইলেভেন কোৱাৰ্টাৰত

অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ১২ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত জাজৰিৰ এন.এম.এছ.ইলেভেনে ধৰমতুল ক্ৰিকেট ক্লাবক তিনি ৰাণত হৰুৱাই কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দ্বিতীয় ৰাউণ্ডৰ খেলখনত জাজৰিৰ এন.এম.এছ. ইলেভেনে টছত জিকি পোনতে বেট ধৰি 15 অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত 133 ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ধৰমতুল ক্ৰিকেট ক্লাবে বেট ধৰি 15 অভাৰত নটা উইকেট হেৰুৱাই 130 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। খেলখনত মফিজুৰ ৰহমান খান আৰু আব্দুল জলিল আম্পায়াৰৰূপে আছিল। খেলৰ অন্তত বিশিষ্ট সমাজকৰ্মী হবিবুৰ ৰহমান ছিদ্দিকী আৰু মোজাহিৰুল ইছলামে জাজৰিৰ এন.এম.এছ. ইলেভেনৰ মানিক ডেকাক মেন অব দ্যা মেচৰ বঁটা প্ৰদান কৰে। বৃহস্পতিবাৰৰ খেলত বৰচুকাবাহা ন-জোৱান যুৱক সংঘই ভূৰবন্ধাৰ টুটু এন.আৰ.এছ.দলৰ বিৰুদ্ধে প্ৰতিদণ্ডিতা কৰিব বুলি আয়োজক সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক নেকিবুৰ ৰহমান ছিদ্দিকীয়ে জনাইছে।

## খুমটাইত স্বৰ্ণ কাপ ফুটবল আৰম্ভ

অগ্ৰদূত বাৰ্তা
**খুমটাই, ১২ জানুৱাৰী ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি চাইমন সিং হৰ সম্পাদক সন্তোষ কুমাৰ তপ্নৰ সোঁৱৰণত ৰাজ্যৰ বিভিন্ন খেলপথাৰত অনুষ্ঠিত হৈ অহা চলন্ত স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাখনি আজি খুমটাই চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত হয় । নগাঁও আৰু যোৰহাট দলৰ মাজত হোৱা উদ্বোধনী খেলখনত যোৰহাট দলে নগাঁও দলক 2-0 গলৰ ব্যবধানত পৰাজিত কৰি পৰবৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে।

## সোৱনশিৰি ভলীবল দলৰ খিতাপ লাভ

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ১২ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় যুৱ দিৱস উপলক্ষ্যে আজি ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ দ্বাৰা আয়োজিত ভলীবল খেলখনিত সোৱনশিৰি ভলীবল দলে বৰলুইত ভলীবল দলক 2-1 ছেটৰ ব্যৱধানত পৰাস্ত কৰে। খেলৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় যুৱ দিৱসৰ তাৎপৰ্যৰ বিষয়ে আলোকপাত কৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক ড0 খঞ্জন কুমাৰ দাসে। অৰ্থনীতি বিভাগৰ মূৰব্বী অধ্যাপক ড0 জিতু তামুলীয়ে আঁতধৰা আৰম্ভণী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড0 অজিত হাজৰিকাৰ হৈ উপস্থিত থাকে উপাধ্যক্ষ অৰুণ শৰ্মা। উপস্থিত খেলুৱৈ তথা ক্ৰীড়ানুৰাগী সকলক উদ্দেশ্যি মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ সমন্বয়ক সহযোগী অধ্যাপক সুমন্ত ৰাজবংশীয়েও শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মূৰব্বী অধ্যাপক ড0 অমল শইকীয়াই চাৰ্ভিছ কৰি শুভাৰম্ভ কৰা খেলখনি পৰিচালনা কৰে অজিত ভূঞা আৰু মানস প্ৰতীম বৰাই । ভলীবল খেলখনিৰ দুয়ো দলৰ টিম মেনেজাৰ উপস্থিত থাকে অম্লান জ্যোতি কলিতা আৰু বেদান্ত হাজৰিকা। স্কৰ বৰ্ড নিয়ন্ত্ৰণ কৰে পল্লৱ কুমাৰ শইকীয়া আৰু ভগৎ তাঁতীয়ে।




## সমৰকলাত পঞ্চীৰ ১৫ টা সোণৰ পদক

অগ্ৰদূত বাৰ্তা
**আমগুৰি, ১২ জানুৱাৰী ঃ** আমগুৰিৰ এগৰাকী কিশোৰীয়ে নিৰৱ সাধনাৰে আগবাঢ়ি গৈ আজুৰি আনিছে 15 টাকৈ সোণৰ পদক। শিৱসাগৰ জিলাৰ আমগুৰিৰ এইগৰাকী 11 বছৰীয়া কিশোৰীয়ে সমৰ কলাত বিশেষ পাৰদৰ্শিকতাৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ত সমৰকলাত সোণৰ পদক লাভ কৰা লগতে বৰ্তমানলৈ মুঠ 15 টাকৈ সোণৰ পদক লাভ কৰি আমগুৰিলৈ সুনাম কঢ়িয়াই আনিছে। আমগুৰি নিবাসী ইন্দেশ্বৰ পায়েঙৰ কন্যা তথা ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী পঞ্চী পায়েঙে ছবছৰ বয়সৰ পৰাই সমৰ কলাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। ভৱিষ্যতে অলিম্পিকত খেলি সোনৰ পদক জয়ী কৰাৰ সপোন পুহি ৰখা পঞ্চী পায়েঙে 2021 বৰ্ষতে মুঠ 10 টাকৈ সোণৰ লাভ কৰিবলৈ সক্ষম হৈছিল। আমগুৰি টাইকোৱান-ডো একাডেমিত ৰাজু কোঁৱৰৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা পঞ্চী পায়েঙে 2018-19 বৰ্ষত পঞ্চম ৰাষ্ট্ৰীয় অলিম্পিক ষ্টুডেন্টছ গেমছত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। 2018 ত গুডউইল অপেন নেচনেল টাইকোৱান-ডো চেম্পিয়নশ্বিপত সোণৰ পদককে ধৰি 11 বছৰতে সৰ্বমুঠ 15 টাকৈ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হোৱা পঞ্চী পায়েঙে উপযুক্ত প্ৰশিক্ষণ লাভ কৰিলে অধিক আগবাঢ়ি যোৱাত সহায়ক হ'ব।



## কিকবক্সিংত দৰং শ্ৰেষ্ঠ দল

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ১২ জানুৱাৰী ঃ** দৰং জিলা কিক বক্সিং সন্থাই কটন বিশ্ববিদ্যালয়ৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দ্বাদশ বাৰ্ষিক সদৌ অসম জিৎ কুনে-ডু প্ৰতিযোগিতাত সৰ্বমুঠÂ 34 টা পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছে। সন্থাৰ মঙলদৈ আৰু বেছিমাৰী গোটৰ খেলুৱৈয়ে উন্নত ক্ৰীড়াশৈলী প্ৰদৰ্শন কৰি 17 টা সোণ, 10 টা ৰূপ আৰু সাতটা ব্ৰঞ্জৰ পদক ৰাভ কৰিছে। ইয়াৰে মঙলদৈ গোটৰ জিয়ান আমজাদ, সুমিত ঘোষ, চৈয়দ মেহবুব ফাহিম, চৈয়দা মেহেক আমন, তনবীৰ ৱাছিম শইকীয়া, অন্তৰা য়াচমিন আৰু ইফতিকাৰ জামানে সোনৰ পদক, আলমিনা চুলতানা, নেকিবুৰ ৰহমান, আৰিয়ান আফ্ৰিডি, মাৰুফ ৰৌহানি, শ্বেখ আৰমান আহমেদ আৰু প্ৰাচুৰ্য প্ৰাপ্তি বৰাই ৰূপৰ পদক, মাছুদ আলম, অংশু এ চাংমা, অৰ্পন দাস, মিনহাজুল আলম আৰু আঞ্জফা জান্নাতে ব্ৰঞ্জ ৰ পদক লাভ কৰিছে। আনহাতে বেছিমাৰী গোটৰ চেলিমা পাৰবিন, ৰিয়া সাহা, শিল্পীনা বেগম, আলেপ আলি, ছেহেনাজ আখতাৰা, জান্নাতুল জান্নাত, ৰচিম আৰা বেগম, নাজিমা বেগম, মিৰজিনা বেগম আৰু নাজমুজ চাকাবে সোনৰ পদক, আমিৰ ফাইচল, অবিৰ মেহতাব আলম, মেহফুজ আলম আৰু লুটফুৰ আৰ মিৰধাই ৰূপৰ পদক, গোলাপ মণ্ডল আৰু ৰুণা লাইলাই ব্ৰঞ্জৰ পদক লাভ কৰে। খেলুৱৈ সকলৰ প্ৰশিক্ষক আছিল মঙলদৈৰ শ্বেখ আলাউদ্দিন আহমেদ আৰু দলগাঁৱৰ ৰহমান আলি।

## কৰ'নাৰ বাবে এদিন পূৰ্বেই সমাপ্ত হ'ল জুনিয়ৰ আন্তঃজিলা বক্সিং প্ৰতিযোগিতা

বিশেষ সংবাদদাতা
**বৰপেটা, ১২ জানুৱাৰী ঃ** সদৌ অসম এমেচাৰ বক্সিং এছ'চিয়েচনৰ উদ্যোগত তথা বৰপেটা জিলা এমেচাৰ বক্সিং এছ'চিয়েচন আৰু ক্লাব ৰাইনো'ৰ উদ্যোগত বৰপেটা জিলা পুথিভঁৰাল প্ৰাংগনত অনুষ্ঠিত হোৱা আন্ত: জিলা জুনিয়ৰ ল'ৰা ছোৱালীৰ বক্সিং প্ৰতিযোগিতাত ল'ৰাৰ শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰে দেৰগাঁও দলে। দ্বিতীয় স্থানত থাকে মৰাণ। আনহাতে, ছোৱালীৰ শ্ৰেষ্ঠ দলীয় খিতাপৰ সন্মান অৰ্জন কৰে মাজুলী দলে। দ্বিতীয় হয় ওদালগুৰি দল। উল্লেখ্য যে তিনিদিনীয়াকৈ আয়োজিত প্ৰতিযোগিতাৰ ল'ৰাৰ শ্ৰেষ্ঠ বক্সাৰৰূপে পৰিগণিত হয় দেৰগাঁওৰ ওহিদুৰ ৰহমান। আনহাতে, ছোৱালীৰ শ্ৰেষ্ঠ বক্সাৰ হিচাপে বিবেচিত হয় দেৰগাঁওৰে প্ৰান্তিকা গগৈ। ইফালে, ল'ৰা আৰু ছোৱালীৰ দ্বিতীয় শ্ৰেষ্ঠ বক্সাৰৰ বঁটা লাভ কৰে ক্ৰমে ডিব্ৰুগড়ৰ মানস প্ৰতিম বৰুৱা আৰু কামৰূপৰ জয়শ্ৰী হালৈয়ে। প্ৰতিযোগিতাত ল'ৰাৰ পদক প্ৰাপ্ত খেলুৱৈ সকল হৈছে- তিনিচুকীয়াৰ আয়ুষ নেৱাৰ, দেৰগাঁওৰ ৰাজীৱ আলী, ওহিদুৰ ৰহমান, ডিব্ৰুগড়ৰ মানস প্ৰতিম বৰুৱা, মৰানৰ ঈৰাণ জ্যোতি গগৈ, ওদালগুৰিৰ শ্বাৰংগছৰ বসুমতাৰী, ডিব্ৰুগড়ৰ আৰিহান কাংকান মেচ, শিৱসাগৰৰ সমুজ্জল গগৈ, চৰাইদেউৰ সূৰ্য নেৱাৰ, কামৰূপৰ অৰিনাশ শইকীয়া, মৰাণৰ জুনেইড আন্নান, ওদালগুৰিৰ ভৃংগৰাজ ৰাভা, কোকৰাঝাৰৰ এম ৰাঘটাং নাৰ্জাৰী, দেৰগাঁওৰ বিবেক থাপা , বিশ্বনাথৰ জীৱন প্ৰধান , দেৰগাঁওৰ প্ৰীতম গগৈ, অভিনৱ গগৈ, গোলাঘাটৰ য়ামন বৰুৱা, কোকৰাঝাৰৰ গংগা ৰাভা, দেৰগাঁওৰ ৰক্তিম শৰ্মা আৰু গুৱাহাটীৰ আকাশ কছাৰী তথা কামৰূপৰ ধনৰাজ লহকৰ। আনহাতে, ছোৱালীৰ শাখাত পদক লাভ কৰে ক্ৰমে মাজুলীৰ ইলা জ্যোতি পেগু, গোলাঘাটৰ কৃতিমালা হাজৰিকাই, দেৰগাঁওৰ প্ৰান্তিকা গগৈ, ছাইৰ ভাৰতী কুমাৰী, আইশ্ৰী হাজৰিকা, কামৰূপৰ জয়শ্ৰী হালৈ, নগাঁৱৰ মনিকা চুৰবা, তেজপুৰৰ প্ৰিয়া বড়ো, ওদালগুৰিৰ সুস্মিতা বসুমতাৰী, গুৱাহাটীৰ প্ৰিয়া বসুমতাৰী, বিশ্বনাথৰ নলশ্ৰী নাৰ্জাৰী, ওদালগুৰিৰ ডালিমী বড়ো, কাৰ্বি আংলংৰ মনাকা বসুমতাৰী, কোকৰাঝাৰৰ সোনালী বসুমতাৰী, এনইচিৰ জুমণ দত্ত তথা শিৱসাগৰৰ ৰাইমা মল্লিক। ফাইনেল খেলৰ অন্ততঃ বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে প্ৰাক্তন বিধায়ক গুনীন্দ্ৰ নাথ দাস, অভ্যৰ্থনা সমিতিৰ সভাপতি দীপক কুমাৰ দাস, ক্লাৱ ৰাইনোৰ নৃপেন দাস, নিতুল দাস, চম্পক দাস, ধনজিৎ দাস প্ৰমুখ্যে বিষয় ববীয়া সকলৰ লগতে বৰপেটা জিলা এমেচাৰ বক্সিং এছ'চিয়েচনৰ প্ৰধান বিষয় ববীয়া গৌতম দাস, জয়ন্ত দাস প্ৰমুখ্যে কৰ্ম কৰ্তা সকল। উল্লেখ্য যে প্ৰতিযোগিতাখন চাৰিদিনীয়া আছিল যদিও ক'ভিডৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ বাবে জিলা প্ৰশাসনে সকলো ধৰণৰ সভা সমিতি, মেলা আদি বন্ধ কৰি দিয়াত তিনিদিনতে খেলখন সামৰিবলগীয়া হয়।



## জে কে বৰুৱা ট্ৰফীৰ নামনি মণ্ডলৰ চেম্পিয়ন বৰপেটা

**বিশেষ সংবাদদাতা, বৰপেটা, ১২ জানুৱাৰী ঃ** বৰপেটাত চলি থকা জে কে বৰুৱা ট্ৰফী আন্তঃ জিলা 19 বছৰ অনুৰ্দ্ধ ক্ৰিকেট প্ৰতিযোগিতাত বৰপেটাই নামনি অসম মণ্ডলৰ চেম্পিয়নৰ খিতাপ দখল কৰিছে। আজি ইয়াৰ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত নামনি অসম মণ্ডলৰ ফাইনেল মেচখনত বৰপেটাৰ দলটোৱে উত্তৰ শালমাৰা দলক ছয় উইকেটত সহজে পৰাস্ত কৰে। প্ৰথমে বেট ধৰি উত্তৰ শালমাৰাই 31.5 অভাৰত মাত্ৰ 95 ৰানত বেটিং সামৰে। প্ৰত্যুত্তৰ হিচাবে বৰপেটাই 20.1 অভাৰত চাৰিটা উইকেট হেৰুৱাই 99 ৰান কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে জে কে বৰুৱা ট্ৰফী আন্তঃ জিলা 19 বছৰ অনুৰ্দ্ধ ক্ৰিকেট প্ৰতিযোগিতাত নামনি অসম মণ্ডলৰ বৰপেটা চেম্পিয়ন হোৱাৰ উপৰিও মধ্য মণ্ডলত নগাঁও, উত্তৰ মণ্ডলত ধেমাজি, উজনি অসম মণ্ডলত যোৰহাট, হেড কোৱাৰ্টাৰত এন এফ ৰেলৱে তথা দক্ষিণ অসম মণ্ডলত শিলচৰ চেম্পিয়ন হৈছে।

## টীম ইণ্ডিয়াৰ এদিনীয়া দলত স্থান জয়ন্ত-নৱদ্বীপৰ

**মুম্বাই, ১২ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অহা 19 জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া এদিনীয়া শৃংখলাৰ বাবে ভাৰতীয় দল ঘোষণা কৰা হৈছে যদিও এতিয়া দুজন খেলুৱৈ নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোক হ'ল জয়ন্ত যাদব আৰু নৱদ্বীপ ছাইনী। উল্লেখ্য যে বাংগালুৰুৰ শিবিৰত কৰ'নাত আক্ৰান্ত হৈছে ৱাশ্বিংটন সুন্দৰ। সেয়ে তেওঁ দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব নোৱাৰে। তেওঁৰ স্থানত দললৈ নিৰ্বাচন হৈছে জয়ন্ত। ইফালে, পেচাৰ মহম্মদ ছিৰাজ আঘাতপ্ৰাপ্ত হোৱাত নৱদ্বীপ ছাইনীক এদিনীয়া শৃংখলাৰ বাবে দলত লোৱা হৈছে। উল্লেখ্য যে এদিনীয়া শৃংখলাত টীম ইণ্ডিয়াক নেতৃত্ব দিব তাৰকা অ'পেনাৰ লোকেছ ৰাহুলে। শেহতীয়াকৈ ভাৰতীয় এদিনীয়া দলৰ অধিনায়ক হিচাপে দায়িত্ব পোৱা ৰোহিত শৰ্মাই আঘাতৰ পৰা আৰোগ্য লাভ নকৰাত ৰাষ্ট্ৰীয় নিৰ্বাচক মণ্ডলীয়ে ৰাহুলৰ কান্ধত এই দায়িত্ব অৰ্পণ কৰিছে। ইফালে, পেচ বলাৰ যশপ্ৰীত বুমৰাহক এদিনীয়া শৃংখলাটোৰ বাবে টীম ইণ্ডিয়াৰ সহঃ অধিনায়ক নিযুক্ত কৰা হৈছে। উল্লেখ্য যে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলি থকা টেষ্ট শৃংখলালৈ প্ৰস্তুতি চলাই থকাৰ সময়তে ৰোহিত শৰ্মাই হেমষ্ট্ৰিঙৰ আঘাতৰ সন্মুখীন হৈছিল। শেহতীয়াকৈ তেওঁ বাংগালুৰুস্থিত ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত নিজকে সুস্থ কৰি তোলাৰ প্ৰক্ৰিয়া চলাই আছিল। কিন্তু সময় মতে সুস্থ হৈ উঠিব নোৱাৰাত ৰোহিত এদিনীয়া শৃংখলাৰ পৰাও বাহিৰ হয়। টেষ্ট শৃংখলাত চমকপ্ৰদ বলিং প্ৰদৰ্শন দাঙি ধৰা তাৰকা বেগী বলাৰ মহম্মদ ছামিক এদিনীয়া শৃংখলাৰ পৰা বাহিৰত ৰখা হৈছে। ইফালে, তাৰকা অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজা আৰু অক্ষৰ পেটেল এতিয়াও আনফিট হৈ আছে। উল্লেখ্য যে বি চি চি আয়ে শেহতীয়াকৈ কোহলিক নেতৃত্বৰ পৰা আঁতৰাই ৰোহিত শৰ্মাক এদিনীয়া দলৰ অধিনায়ক নিযুক্ত কৰিছিল। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আগন্তুক এদিনীয়া শৃংখলাত ৰোহিতে ভাৰতীয় দলৰ অধিনায়কৰ দায়িত্ব গ্ৰহণৰ কথা আছিল। কিন্তু আঘাতৰ বাবে তেওঁ দক্ষিণ আফ্ৰিকালৈ যাব নোৱাৰিলে। ঘোষিত দলটো হ'ল ঃ লোকেছ ৰাহুল, শিখৰ ধাৱন, ৰিতুৰাজ গাইকোৱাড, বিৰাট কোহলি, শ্ৰেয়াছ আয়াৰ, সূৰ্য কুমাৰ যাদৱ, ভেংকটেশ আয়াৰ, ঋষভ পণ্ট, ঈশান কিষণ, ৰবিচন্দ্ৰন অশ্বিন, যুজবেন্দ্ৰ চাহাল, জয়ন্ত যাদব, যশপ্ৰীত বুমৰাহ, ভুবনেশ্বৰ কুমাৰ, দীপক চহৰ, প্ৰসিদ্ধ কৃষ্ণ, শাৰ্দূল ঠাকুৰ, মহম্মদ ছিৰাজ আৰু নৱদ্বীপ ছাইনী।



## খেলুৱৈক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা
**দেৰগাঁও, ১২ জানুৱাৰী ঃ** ক্ৰীড়া ভাৰতী গোলাঘাট জিলাৰ উদ্যেগত দেৰগাঁও সাহিত্য সভা ভৱনত কীৰ্তিমান খেলুৱৈক সম্বৰ্ধনা জনোৱাৰ উদেশ্যে এখন সভা অনুষ্ঠিত হয়। বিশিষ্ট সমাজ সেৱক বিৰেন চন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত সভাখনত বিহাৰৰ ভাগলপুৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত সফলতা লাভ কৰা দেৰগাঁৱৰ তিনি খেলুৱৈক সম্বৰ্ধনা জনায়। উল্লেখ্য যে অসমৰ হৈ প্ৰতিনিধিত্ব কৰা আকাশ জ্যেতি বনিয়াই 55 কেজি শাখাত সোন, অয়নজিৎ ৰযেþ 36 কেজি শাখাত সোন, ভাস্কৰ বাউৰিয়ে 40 কেজি শাখাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

## বেংমৰা কাপ ফুটবলত আপাৰ আছাম এফ চিক পৰাস্ত কৰি অইল ইণ্ডিয়া চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, তিনিচুকীয়া, ১২ জানুৱাৰী ঃ** বেংমৰা স্পৰ্টচ এচ'চিয়েচনৰ উদ্যোগত আৰু অসম ফুটবল সন্থাৰ তত্বাবধানত পানীতোলা স্পৰ্টচ ক্লাৱৰ খেলপথাৰ আৰু জানমুখ খেলপথাৰত অনুষ্ঠিত হোৱা বেংমৰা কাপ দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ সামৰণি পৰিছে। ফাইনেলত অইল ইণ্ডিয়া ফুটবল দলে খেলে আপাৰ আছাম এফ চিৰ বিৰুদ্ধে। উত্তেজনাপূৰ্ণ খেলত অইল ইণ্ডিয়া ফুটবল দলে 1-0 গ'লৰ ব্যৱধানত আপাৰ আছাম এফ চিক পৰাজিত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰে। বেংমৰা কাপৰ শ্ৰেষ্ঠ খেলুৱৈ সন্মান লাভ কৰা অইল ইণ্ডিয়া ফুটবল দলৰ শিশুৰাম চেতিয়াই। বিজয়ী দলক তিনিচুকীয়া জিলা মটক যুৱ-ছাত্ৰ পৰিষদৰ তৰফৰ পৰা নগদ 50, 001 টকাসহ মানপত্ৰ আৰু ট্ৰফী প্ৰদান কৰা হয়। আনহাতে, ৰানাৰ্ছআপ দলক নগদ 30, 001/ টকাসহ মানপত্ৰ আৰু ট্ৰফীয়ে পুৰস্কৃত কৰা হয়। মুকলি সভা আৰু বঁটা বিতৰণি অনুষ্ঠানত বিশেষ সম্বৰ্ধনা জনোৱা হয় বিশিষ্ট ক্ৰীড়া সংগঠক দিলীপ বৰা,



প্ৰাক্তন ৰাষ্ট্ৰীয় পৰ্যায় ফুটবল খেলুৱৈ অতুল বৰা, প্ৰাক্তন ৰাষ্ট্ৰীয় পৰ্যায় ভলীবল খেলুৱৈ চুচেন বৰুৱা, ৰাষ্ট্ৰীয় পৰ্যায় শৰীৰ চৰ্চাবীদ গুঞ্জন দুৱাৰা। বেংমৰা কাপৰ লগত সংগতি ৰাখি কবি অৰুণ জ্যোতি তাতীৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ উন্মোচন কৰে সাহিত্যিক, লেখক জীৱন দত্তই। মুকলি সভাত অতিথি হিচাপে উপস্থিত থাকে চাবুৱাৰ বিধায়ক পোণাকণ বৰুৱা, মটক স্বায়ত্ত শাসিত পৰিষদৰ উপাধক্ষ্য দেৱৰ্ষি চেতিয়া, কাৰ্যবাহী সদস্য ধৰ্মানন্দ কোঁৱৰ, নীৰেন শইকীয়া, নৱজ্যোতি শইকীয়া, মটক জনগোষ্ঠীৰ বিশিষ্ট চিন্তাবীদ ফটিক চন্দ্ৰ নেওগ, বিশিষ্ট কবি, লেখক, গীতিকাৰ অমৃত ৰাজখোৱা, পানীতোলা স্পৰ্টচ একাডেমিৰ সভাপতি মৃদুপৱন চেতিয়া, সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা কল্যাণ বঞ্জা সভাপতি সত্য গোঁহাই, সহ সম্পাদক দিগন্ত দত্ত, অনন্ত বৰুৱা, বিত্ত সম্পাদক তীৰ্থ ফুকণ, সাংস্কৃতিক সম্পাদক সঞ্জু গগৈ, বেংমৰা স্পৰ্টচ এচ'চিয়েচনৰ সভাপতি মৃদুল ৰাজখোৱা, সম্পাদক উৎবল বৰুৱা, তিনিচুকীয়া নগৰ উন্নয়ন প্ৰাধিকৰণৰ প্ৰাক্তন সভাপতি প্ৰণৱ বৰুৱা, বীৰ লাচিত সেনা কেন্দ্ৰীয় সচিৱ প্ৰধান ৰণ্টু পানি ফুকন, গোৰ্খা ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক ৰবী চেত্ৰী, এফ এছ দি পানীতোলাৰ কৰ্ণেল এ কে সিং, আটছাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক লাজাৰ নন্দ, সমাজকৰ্মী বিকাশ হাজৰিকা, গৌতম তাহুৰ, অসম জাতীয়তা বাদী যুৱ পৰিষদৰ তিনিচুকীয়া জিলাৰ সম্পাদক প্ৰাঞ্জ ল নেওগ, সাংবাদিক হেমন্ত শইকীয়া, মটক যুৱ-ছাত্ৰ পৰিষদ তিনিচুকীয়া জিলা সভাপতি কৃষ্ণকান্ত কাকতি, ডিব্ৰুগঞ্জ জিলাৰ সম্পাদক উমাকান্ত গগৈ, তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ উপ সভাপতি নিলকান্ত ফুকন, এথলেটিকছ বিভাগৰ সম্পাদক কপিধৰ হাজৰিকা, বৰগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি জীতেন গগৈ আদি। প্ৰতিযোগিতাখনিত খেল পৰিচালক হিচাপে সহায় কৰে ইনুট চাউৰক, জয়ন্ত চেতিয়া, বিদ্যুৎ বৰুৱা, ৰমেশ কৰ্মকাৰ, মেচ কমিচনাৰ শংকৰ গুপ্ত, ৰেফাৰী এচেচৰ জয়ন্ত দহতীয়া।

## বিলাসনন্দন চ'ৰা



# উকা উকা উৰুকা

**ভোকেল** ফৰ লোকেল হওকেই বা নহওকেই, উৰুকাৰ দিনা সৱেই লোকেল মাছৰ সন্ধানত ঘূৰি ফুৰে। লোকেল মাছো আজি-কালি বিভিন্ন প্ৰকাৰৰ আছে। এটা লোকেল মাছ আছে ফিছাৰীৰ। সেইবোৰক লোকেল মাছ নহয়, লোকেল ফিছ বুলিহে জনা যায়। ফিছাৰীৰ যে! সেই কাৰণে ফিছ। এবিধ লোকেল মাছ আছে, যিবোৰে দৰব খাই ডাঙৰ হয়। সেইবোৰক বোলা হয় মেডিকেটেড মাছ। আৰু এবিধ লোকেল মাছ আছে যিবোৰ আচলতে চালানীয়ে। কিন্তু ইয়াত লোকেল বুলি বেচা হয়। সেইবোৰক বোলা হয় 'ডি লোকেল মাছ।' ডি মানে ডাউটফুল। যেনেকৈ ডি ভোটাৰ, ঠিক তেনেকৈ ডি লোকেল। অৰ্থাৎ লোকেল হয় নে নহয়, সন্দেহ আছে।

উৰুকাৰ বজাৰত এটা কথা চাবলগীয়া। সেয়া হ'ল লোকেল মাছবোৰৰ আলাপ। বিভিন্ন খাল-বিলত পৰি থকা বাবে একেই বংশজাত হোৱাৰ পাছতো সিহঁতৰ ইটোৰে-সিটোক লগ পোৱাৰ চান্স নাপায়। চান্সটো ওলায় উৰুকাৰ বজাৰতে। ইটো লোকেলে কাষতে পৰি থকা লোকেলটোলৈ কেৰাহিকৈ চাই চাই এটা সময়ত মাত দিলে— 'হেৰা, তুমি ৰৌ নে ভকুৱাহে।'

ঃ ভকুৱা। তোমাৰ দৰেই।

ঃ মানে আমি একেই জাতৰ, পানীটোহে বেলেগ।

ঃ তাকেই। সৌটো দেখিছা নে নাই?

ঃ কোনটো?

ঃ সেই যে সন্মুখৰ বেপাৰীটোৱে বেচি আছে!

ঃ অ' দেখিছো দেখিছো।

ঃ সেইকেইটাও ভকুৱাই! আমাৰ জাতৰে চাগে।

ঃ সেইকেইটা এন আৰ আই ভকুৱা।

ঃ মানে!

ঃ বাহিৰৰ পৰা অহা।

ঃ তুমি পিছে ভালেখিনি শকত হ'লা!

ঃ উৰুকা বুলিয়ে হৈছো আৰু!

ঃ দৰব-চৰব খাইছা নেকি?

ঃ তুমি খাইছা নে নাই?

ঃ খাইছো।

ঃ ময়ো খাইছো।

ঃ প্ৰথমে নাখাওঁ বুলিয়ে ভাবিছিলো। পাছত দেখিলো দৰব খাই কাষৰবোৰে অতি কম দিনতে ব'ডি বনাই পেলাইছে।

ঃ ময়ো তেওঁলোকে ব'ডি বনোৱা দেখিয়ে খালো।

ঃ এই দৰববোৰ আচলতে কিনো?

ঃ এইবোৰ জিম টেবলেট! স্পেচিয়েলী আমাৰ কাৰণে বনোৱা।

ঃ মানে?

ঃ ল'ৰাবোৰক ব'ডি বনাবলৈ জিমলৈ যোৱা দেখিছানে?

ঃ দেখিছো।

ঃ সৱেই যে জিমৰ পৰা একো একোটা চলমান খান হৈ ওলায়!

ঃ জানো?

ঃ আমিতো পানীত থকা বস্তু। পানীততো আৰু জিম বনাব নোৱাৰি। সেই কাৰণে ব'ডি বনোৱা টেবলেটেই উলিয়াই দিছে বাপ্পেকে!

সেই সময়তে কাষ্টমাৰ এটা আহিল। বেপাৰীয়ে কথা পাতি থকা লোকেল মাছ দুটাৰ এটাক দাঙি ধৰিলে, পুনৰ নমাই থ'লে। কাষ্টমাৰৰ পছন্দ নহ'ল চাগে। পুনৰ লোকেল মাছ দুটাৰ আলাপ আৰম্ভ হ'ল। ইটোৱে-সিটোক ক'লে— 'হেৰা, এইবাৰো বোলে ক'ভিড চলি আছে!'

ঃ আছেতো!

ঃ বজাৰত দেখোন ভিৰ কমা নাই।

ঃ নাই, কমা নাই।

ঃ কাৰো মুখত মাস্ক নাই।

ঃ তাকেইতো!

ঃ মানুহবোৰৰ ভয়-ভীত নাই নেকি?

ঃ কিমাননো ভয় কৰি চলিবহে! আগেয়ে দেখোন উৰুকাৰ বজাৰ বুলিলেই আমি লোকেল মাছবোৰে তামাম ভয় খাইছিলো। এতিয়ানো ক'ত ভয় খাওঁ?

ঃ ভালহে লাগে! কিবা ফেছন শ্ব'লৈ অহা যেন লাগে।

ঃ বেয়া লাগে বজাৰৰ পৰা ঘৰ গৈ পোৱাৰ পাছতহে!

ঃ কিয়?

ঃ আমাক চোতালত পেলাই দিয়াৰ পাছতেই যে পাকঘৰৰ পৰা গৃহিণীয়ে গিৰীয়েকলৈ চাই কৈ উঠে—মোৰ কঁকালখন বৰ বিষাইছে বুজিছেনে? ৰাতিৰ ৰন্ধা-বঢ়াখিনি আপুনিয়ে কৰিব নহ'লে?

ঃ তাৰ পাছত যে গিৰীয়েকে 'এইডাল কিয় কিনি আনিলো' বুলি ভাব এটা দি দাখন দাঙি আমাৰ গাত এঘাপ মাৰি দিয়ে খণ্ডতে, সেই মুহূৰ্তটো বৰ অসহনীয়।

ঃ আৰু ল'ৰা-ছোৱালীকেইটাই যে আমাক এৰি চিকেন তন্দুৰী খোৱাত লাগে, উৰুকাটো কিবা উকা উকা লাগি যায়হে!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

যিমান দ্ৰুতগতিৰে সংক্ৰমণ উৰ্ধ্বমুখী হৈছে, সিমানেই দ্ৰুততাৰে নিম্নমুখীও হ'ব। বিশেষজ্ঞসকলে জনাইছে যে দক্ষিণ আফ্ৰিকাত প্ৰথম সন্ধান ওলোৱাৰ পাছত বিগত ডেৰ মাহত সমগ্ৰ বিশ্বতে আতংকৰ সৃষ্টি কৰিছে অ'মিক্ৰনে




# আমেৰিকা-ব্ৰিটেইনত শক্তি হেৰাব অ'মিক্ৰনৰ

■ কিছু স্বস্তিৰ বতৰা শুনালে বিশেষজ্ঞই ■ নতুন প্ৰতিষেধকৰ প্ৰয়োজনীয়তাৰ কথা ক'লে বিশ্ব স্বাস্থ্য সংস্থাই

■ **নিউজ ব্যুৰ'**

**ৱাশ্বিংটন, ১২ জানুৱাৰী ঃ** সমগ্ৰ বিশ্বতে ত্ৰাসৰ সঞ্চাৰ কৰিছে ক'ভিডৰ নতুন ৰূপ অ'মিক্ৰনে। ইতিমধ্যেই ব্ৰিটেইনত সংক্ৰমণে শীৰ্ষত উপনীত হৈছে। আমেৰিকাতো কিছুদিনৰ ভিতৰতে সংক্ৰমণ শীৰ্ষত উঠিব। ভাৰতসহ বিশ্বৰ বাকী দেশসমূহকো অ'মিক্ৰনৰ কলীয়া ডাৱৰে ঢাকিবলৈ আৰম্ভ কৰিছে। অৱশ্যে এনে পৰিস্থিতিতে কিছু স্বস্তিৰ বতৰা শুনাইছে গৱেষকে। ইমান দ্ৰুতগতিত সংক্ৰমণ বৃদ্ধি পাইছে যে শীঘ্ৰেই সংক্ৰমণৰ হাৰো নিম্নমুখী হ'ব বুলি তেওঁলোকে দাবী কৰিছে। ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ অধ্যাপক আলী মোকদাদে কয়, 'যিমান দ্ৰুতগতিৰে সংক্ৰমণ উৰ্ধ্বমুখী হৈছে, সিমানেই দ্ৰুততাৰে নিম্নমুখীও হ'ব।' বিশেষজ্ঞসকলে জনাইছে যে দক্ষিণ আফ্ৰিকাত প্ৰথম সন্ধান ওলোৱাৰ পাছত বিগত ডেৰ মাহত সমগ্ৰ বিশ্বতে আতংকৰ সৃষ্টি কৰিছে অ'মিক্ৰনে। সেই বাবেই পৰিস্থিতি এনে হৈছে যে কিছুদিনৰ ভিতৰতে নতুনকৈ কাৰোবাক সংক্ৰমিত কৰিবলৈ বিচাৰিয়েই নাপাব কৰ'নাই এই নতুন ৰূপে।

অৱশ্যে অ'মিক্ৰনৰ প্ৰকোপ হ্ৰাস পালেও ইয়াৰ পাছত কি হ'ব পাৰে, সেই সম্পৰ্কে বিশেষজ্ঞসকল এতিয়াও অনিশ্চিত। অতিমাৰীৰ পৰৱৰ্তী স্তৰ কি হ'ব পাৰে, সেয়া এতিয়াই ক'ব পৰা হোৱা নাই। কিয়নো দুখন দেশৰ মাজত তুলনা কৰি চালে দেখা যায় যে সংক্ৰমণৰ উৰ্ধ্বগতি বা অৱনমন একে ধৰণে হোৱা নাই। আনকি বহু ক্ষেত্ৰতে সংক্ৰমণৰ হাৰ কমিবলৈ আৰম্ভ কৰিলেও বহু মানুহ এতিয়াও হাস্পতালত ভৰ্তি হৈ আছে। আকৌ আন স্থানত ইয়াৰ একেবাৰে ভিন্ন ছবি দেখা গৈছে। অৱশ্যে সামগ্ৰিকভাৱে যে সংক্ৰমণ নিম্নমুখী হ'বলৈ আৰম্ভ কৰিব তথা দ্ৰুতগতিৰে আৰু কমি যাব, সেই ক্ষেত্ৰত আশাৰ পোহৰেই দেখা পাইছে বিশেষজ্ঞসকলে।

ইপিনে, বিশ্ব স্বাস্থ্য সংস্থাই জনাইছে যে কৰ'নাৰ নতুন নতুন প্ৰজাতিৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰয়োজন নতুন প্ৰতিষেধকৰ। 'হু'ৰ তৰফৰ পৰা কৈছে, 'আমাক এনে প্ৰতিষেধকৰ প্ৰয়োজন, যাৰ এই ৰোগৰ সংক্ৰমণ ৰোধ আৰু বিয়পি পৰাটো ৰোধৰ ক্ষেত্ৰত অধিক কাৰ্যকৰী ভূমিকা থাকিব।' বিশ্ব স্বাস্থ্য সংস্থাই লগতে প্ৰতিষেধক প্ৰস্তুতকাৰক কোম্পানীবোৰক এই ধৰণৰ প্ৰতিষেধক প্ৰস্তুত কৰাত উৎসাহ যোগানৰ কথাও কৈছে। 'হু'ৰ প্ৰতিষেধকৰ উপাদান সংক্ৰান্তীয় উপদেষ্টা মণ্ডলীৰ বক্তব্য হৈছে পুৰণি প্ৰতিষেধকসমূহৰ বুষ্টাৰ পালি বাৰে বাৰে দিলেও কৰ'নাৰ সংক্ৰমণ ৰোধ কৰিব পৰা নাযাব। কৰ'নাৰ নতুন নতুন প্ৰজাতিৰ স'তে যুঁজ কৰিব নোৱাৰিব এই পুৰণি প্ৰতিষেধকে।



# দোকান ভাড়া, গাখীৰ বিক্ৰীৰে কোটিপতি হ'ল পাৰৰ জাক

১২৬ বিঘা ভূমিত পালন কৰিছে চাৰি শতাধিক গৰু

■ **নিউজ ব্যুৰ'**

**জয়পুৰ, ১২ জানুৱাৰী ঃ** কোটিপতি মানুহ বহুতেই আছে। অথচ কেতিয়াবা কোটিপতি পাৰ দেখিছে? আচৰিত হ'লেও সঁচা যে আমাৰ দেশতে এজাক পাৰ আছে, যাৰ সম্পত্তিৰ পৰিমাণ জানিলে সততে বিশ্বাস কৰিবলৈকো টান পোৱা যায়। নিজে কোটিপতি, অথচ এই অবোধ পাৰজাক সেই বিষয়ত অৱগত নহয়। একাংশ সৎ স্বভাৱ তথা প্ৰকৃতিপ্ৰেমী লোকৰ প্ৰয়াসতে এই পাৰৰ জাকটো হয়তো বিশ্বৰে সবাতোকৈ ধনী পক্ষী হৈ আছে। ৰাজস্থানৰ নৌগড়ৰ সৰু চহৰ জাছনগৰ। তাতেই এই ধনী পাৰসমূহৰ বাস। এই পাৰৰ জাকটোৱে প্ৰতি মাহত বিপুল পৰিমাণৰ উপাৰ্জন কৰে। সিহঁতৰ আছে কে'বা কোটি মূল্যৰ সম্পত্তি। স্থানীয় লোকে জনোৱা মতে, এই পাৰসমূহৰ সম্পত্তিৰ পৰিমাণ কে'বা কোটি টকা। অঞ্চলটোত এই পাৰসমূহৰ নামত আছে ২৭খন দোকান। এই দোকান ভাড়াৰ বাবদ মাহিলি কে'বা হেজাৰ টকা উপাৰ্জন হয়। আছে মুঠ ১২৬ বিঘা মাটি। লগতে বেংকত জমা আছে প্ৰায় ৩০ লাখ টকা ইয়াতেই শেষ নহয়, আৰু সম্পত্তি আছে এই পাৰৰ জাকটোৰ নামত। মুঠ ভূমিৰ ভিতৰত প্ৰায় ১০ বিঘা মাটিত নিৰ্মাণ কৰা হৈছে চাৰিশটা গো-শালা। তাত প্ৰচুৰ গৰুৰ ৰক্ষণাবেক্ষণ হয়। সেই গৰুৰ দুগ্ধজাত পণ্য বিক্ৰী কৰিও প্ৰচুৰ উপাৰ্জন হয়। কেৱল দোকান কেইখনৰ পৰাই পাৰৰ জাকটোৱে প্ৰতি মাহে ৮০ হেজাৰ টকা আয় কৰে। অৰ্থাৎ দোকান ভাড়াৰ পৰাই বছৰি কে'বা লাখ টকা উপাৰ্জন কৰে এই সৰু প্ৰাণীসমূহে। এই পাৰসমূহৰ চোৱাচিতাৰ বাবে কিছু ধন ব্যয় হয়। কিছু ধন বিভিন্ন কাৰণত দান দিয়া হয়। বাকী টকাখিনি 'কবুতৰণ ট্ৰাষ্ট'ৰ নামত বেংকত জমা ৰখা হয়।

হিন্দী ভাষাত 'কবুতৰ' শব্দৰ অৰ্থ হৈছে পাৰ। তাৰ পৰাই ট্ৰাষ্টৰ নাম হৈছে কবুতৰণ ট্ৰাষ্ট। স্থানীয় সূত্ৰই জনাইছে যে চাৰি শকৰ পূৰ্বে উক্ত অঞ্চলৰ পাৰসমূহৰ ৰক্ষণাবেক্ষণৰ কথা ভাবি এজন উদ্যোগপতিয়ে সেই ন্যাস গঠন কৰিছিল। সেই কাৰ্যত তেওঁক সাহায্য কৰিছিল অঞ্চলটোৰ প্ৰাক্তন চৰপঞ্চ ৰামদীন চৌটিয়া আৰু তেওঁৰ গুৰু মুৰুধৰ কেশৰীয়ে। অসহায় চৰাইবোৰৰ যাতে খাদ্য আৰু পানীৰ কোনো অসুবিধা নহয়, সেই লক্ষ্যৰেই কিছু পুঁজিৰে এই ন্যাস গঠন কৰা হৈছিল। সেই ন্যায়েই এতিয়া বিয়াগোম আকাৰ ধাৰণ কৰিছে। পাৰসমূহৰ এই বিপুল সম্পত্তিৰ চোৱাচিতা স্থানীয় লোকসকলেই কৰে।






অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com